# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

## OFFICIAL REPORT

SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

**VOLUME I**

**NO. 6**

**The 23rd March, 1988**

Price :

# CONTENTS

Budget Session

Volume I. No. 6

Dated the 23rd March, 1988


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1-63 |
| 2. | Miscellaneous Discussion During Zero Hours | 63-74 |
| 3. | Call Attention Notice | 74-80 |
| 4. | Matter under Rule 301 | 81-88 |
| 5. | Debates on Governor's Address | 89-118 |
| 6. | Adjournment | 118 |
| 7. | Annexures. I, II, III, IV, V | 119-143 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY 1988

Wednesday, March 23 1988

The House met at nine of the Clock in the Assembly Chamber, Dispur, with Mr. Speaker in the Chair.

## STARRED QUESTIONS & ANSWERS

( To which oral answers were given )

**Ref : Boards of Scheduled Caste Welfare Board**

Shri Ramendra Dey asked :

*81. Will the Minister, Welfare of Scheduled Castes be pleased to State :

(a) The principles of forming the Scheduled Caste Welfare Boards in Subdivisional level ?

(b) Who are the Chairman of the Boards for Silchar, Hailakandi and Karimganj Subdivisions ?

Shri Thaneswar Boro (Minister, WPT & BC) replied :

(a) Reputed persons of social standing having contribution for socio-economic development of the members of the SC community and persons who are considered to be capable of discharging functions and responsibilities assigned to the Board are generally the principles followed in forming the Scheduled Castes Welfare Board at the subdivisional level.

(b) Silchar—Shri Brajalal Rabidas.
Hailakandi—Shri Dhirendra Roy.
Karimganj—Shri Harendra Chandra Das.

Shri Ramendra Dey : On which date Shri Harendra Chandra Das has been nominated as Chairman of the Karimganj Board ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বৰ্ডখন গঠন কৰা তাৰিখটো আজি ক'ব পৰা নহ'ব।

Shri Ramendra Dey : Sir, it is a vital question. Before selecting Shri Harendra Chandra Das who was the Chairman of the Karimganj Board ? Whether Government received any complaint against the activities of the then Chairman of the Board who was removed from the chairmanship and Shri Harendra Chandra Das was nominated as chairman ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ এই অভিযোগ সম্পৰ্কে কোনো কাগজ পত্ৰ এতিয়ালৈকে পোৱা নাই।

Shri Ramendra Dey : ( when Shri Abdul Muqtadir Chaudhury rose to put a supplementary) Sir, I am the questioner. I have a right to put 5 supplementaries.

Shri Abdul Muqtadir Chaudhury : It is property of the House and I have also the right to ask question.

Shri Ramendra Dey : Sir, the person who was nominated as chairman of the Board in 1986 in the month of February has been removed after receiving allegations-some serious allegations involving misappropriation of money and another person has been nominated from the Congress group. I would like to draw the attention of the House ( voices : what is the question ? ). The question is : whether Government will make a proper enquiry into the allegations made against the person whom they have removed from the chairmanship of the Board as simple removal is not a punishment for serious charges of irregularities in financial mater ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয় কম্‌প্লেইন আগতে যদিও আছিল সেইটো পৰীক্ষা কৰি চোৱা হৈছে আৰু কোনো অভিযোগ সাব্যস্ত নোহোৱাৰ কাৰণে ব্যৱস্থা লোৱা নাই। বোৰ্ডখন গঠন কৰোতে মানুহ জন উপযুক্ত হয় নে নহয় আমি সেইটোহে পৰীক্ষা-নিৰীক্ষা কৰি চাও।

শ্ৰীদুৰ্গা দাস বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ ১নং প্ৰশ্ন হৈছে এচ, চি আৰু এচ, টি বোৰ্ড বিলাক গঠন হোৱাৰ পৰা কিমান দিনলৈকে ভেলিদিটি থাকে? আৰু ২নং প্ৰশ্ন হৈছে যদি ইতিমধ্যে গঠন কৰি দিয়া বোৰ্ড বিলাকৰ দিন উকলী গৈছে সেইবোৰ এক্সটেনশ্যন কৰিছে নেকি বা ম্যাদ বঢ়াই দিছে নেকি?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ কমিটিবোৰ সৰ্ব সাধাৰণতে এবছৰৰ কাৰণে দিয়া হয়। কিন্তু প্ৰয়োজন সাপেক্ষে ম্যাদ বঢ়াই দিয়া হয়। নতুন সমিতি বোৰ গঠন কৰাৰ কাৰণে ব্যৱস্থা লৈ থকা হৈছে আৰু ইতিমধ্যে বহুতো কমিটি গঠন কৰাৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে।

Shri Altaf Hussain Mazumdar : Will the Minister please state when the Silchar Board was constituted ? Whether its life has expired ? Is it a fact that a section of the Scheduled Caste community over numbered the other Scheduled caste communities ? Will the Minister read out the list of members of the Silchar Board ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ এই সম্পৰ্কে দিটেইলচ দিব নোৱাৰিম। কিন্তু চেয়াৰমেন জনৰ নামটো আছে আৰু নামটো হৈছে ব্ৰজলাল ৰবি দাস। অৱশ্যে বহুতো কমিটিৰ ম্যাদ উকলী গৈছে আৰু সেইবোৰ গঠন কৰাত কিছু পলম হৈছে।

## বিষয় ঃ ঢিং সমষ্টিত বান পানীত ক্ষতি হোৱা গড়কাপ্তানী পথ।

শ্ৰীখইৰুল ইচলামে সুধিছে ঃ

*৮২ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ঢিং সমষ্টিত যোৱা বানপানীত কোন কোন গড়কাপ্তানী পথ ক্ষতিগ্ৰস্থ হৈছে ?

(খ) উক্ত সমষ্টিত যোৱা বান পানীত ক্ষতিগ্ৰস্ত হোৱা কোন কোন গড়কাপ্তানী পথ মেৰামতি কৰিবলৈ চৰকাৰে ব্যৱস্থা কৰিছে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) যোৱা বান পানীত ঢিং সমষ্টিৰ অন্তৰ্গত ক্ষতিগ্ৰস্ত হোৱা গড়কাপ্তানী পথৰ তালিকা তলত দাঙি ধৰা হ'ল।

১) মৈৰাবাৰী বংৰাই পথ।

২) নিজ ঢিং গায়ন গাঁও পথ।

৩) মৈৰাবাৰীৰ পৰা ব্ৰহ্মপুত্ৰ বান্ধ পথ।

৪) মৈৰাবাৰী ডুঙ্গৰ পৰা পাটেকীবাৰী।

৫) নগাওঁ ভুৰা গাওঁ পথ ঢিং হৈ একাংশ।

৬) বিলতীয়া কান্দুলীমাৰী মাগুৰ মাৰী।

৭) ঢিং খৈৰাবাৰী।

(খ) উল্লেখিত পথ সমূহৰ ভিতৰত ক্ষতিগ্ৰস্ত হোৱা তলত উল্লেখ কৰা ৰাষ্টা সমূহৰ মাটিৰ কাম মেৰামতি কৰাৰ ব্যৱস্থা ইতিমধ্যে লোৱা হৈছে।

১) মৈৰাবাৰী বংৰাই পথ।

২) নিজ ঢিং গায়ন গাওঁ পথ।

৩) মৈৰাবাৰীৰ পৰা ব্ৰহ্মপুত্ৰ বান্ধ।

৪) মৈৰাবাৰী ডূঙ্গৰ পৰা পাটেকীবাৰী।

শ্ৰীশ্বহীদুল ইচলাম ঃ অধ্যক্ষ মহোদয়, আগতে আমাৰ সমষ্টিত বাকী কাম বিলাক হৈছিল এই প্ৰশ্নটো দিয়াৰ পিছত মন্ত্ৰী মহোদয়ৰ দৃষ্টিলৈ অহাৰ লগে লগেই কাম আৰম্ভ কৰাৰ কাৰণে মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো।

**Re : Depredation by elephant**

Shri Abdul Jabbar, asked :

*83. Will the Minister of Forest be please to state :

(a) Whether the Government is aware that the elephants of Orang Forest Sanctuary had killed several persons at the begining of the year 1988 ?

(b) Whether the Government is aware that the elephants of the said sanctuary had demolished many houses of village Kasomari, Nepaligaon and other village under Dalgaon P. S. ?

(c) If so, what compensation had been made in case of (a) and (b) above ?

Shri Prafulla Kumar Mahanta (Chief Minister) replied :

(a) Only 3 (three) persons were killed by wild elephants from 1.1.88 till date.

(b) Yes, the wild Elephants from Orang Sanctuary caused damages to some houses of the nereby villages of the Sanctuary.

(c) The ex-gratia payment as admissible has already been made to the next of Kin of the deceased persons.

Thatch & Bamboos were supplied to the effected persons, whose houses were damaged by Wild Elephants.

শ্ৰীআব্দুল জব্বৰ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে খেৰ আৰু বাহৰ যোগান ইতিমধ্যেই ধৰা হৈছে। কিন্তু কাচমাৰী নেপালি গাওঁত হাতীৰ দ্বাৰা শস্য শোচনীয় ভাবে নষ্ট হৈছে। সেই সম্পৰ্কে অনুসন্ধান কৰি ক্ষতিপূৰণ দিব নেকি? দ্বিতীয়তে ১৯৮৬-৮৭ চনৰ পৰা হাতীৰ উপদ্ৰৱ আগতকৈ বহুত চৰিছে আৰু বিধান সভাৰ প্ৰত্যেক অধিবেশনতেই এই হাতীৰ উত্পাত সম্পৰ্ক আলোচনা কৰিবলগীয়া হৈছে। গতিকে উচ্চ ক্ষমতা সম্পন্ন এক কমিটি গঠন কৰি যথাস্থানত গৈ অনুসন্ধান কৰি ইয়াৰ এটা ব্যৱস্থা লবনে কাৰণ আমি জানিবলৈ পোৱা মতে এই বিষয়া আৰু কৰ্ম্মচাৰী সকলৰ গাফিলতিৰ কাৰণে তাত এনে কিছুমান ঘটনা হৈ থাকে।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, হাতীৰ উত্পাত অকল তাতেই হোৱা নাই, বিভিন্ন ঠাইত হৈ আছে। আগতে হাতীৰ উত্পাত সিমান নাছিল কিন্তু এতিয়া বাঢ়িছে। কেন্দ্ৰীয় চৰকাৰে হাতীৰ নিয়ন্ত্ৰণৰ ওপৰত আইন কৰাৰ পাচত হাতী কোনেও মাৰিব বা ধৰিব নোৱাৰা হ'ল। সেয়েহে হাতীৰ উৎপাত বাঢ়িছে। তথাপিও আমাৰ বিষয়া কৰ্ম্মচাৰী সকলৰ দ্বাৰা এই ক্ষেত্ৰত বিশেষ তদাৰক কৰা হব।

শ্ৰীআব্দুল জব্বৰ : শস্য নষ্ট কৰাৰ ক্ষেত্ৰত ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিব নেকি নজনালে।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মৃত্যু বা আঘাট হলে সাহায্য দিয়াৰ ব্যৱস্থা আছে কিন্তু শস্য নষ্ট কৰিলে সাহায্য দিয়াৰ ব্যৱস্থা নাই।

শ্ৰীআলতাফ হুচেইন মজুমদাৰ : মাননীয় অধ্যক্ষ মহোদয় আজি বনৰীয়া হাতীৰ উৎপাত বাঢ়ি গৈছে। গতিকে বানপানীৰ সময়ত যেনেকৈ খেতি শস্য নষ্ট হলে জিলা উপায়ুক্তই ক্ষয় ক্ষতিৰ খটিয়ান ডাঙি ধৰে সেইদৰে হাতীৰ উৎপাত হলেও আৰু খেতি শস্য নষ্ট হলে সেই সম্পৰ্কে ৰিপোৰ্ট দাখিল কৰিবলৈ উপায়ুক্ত মহোদয় নিৰ্দ্দেশ দিব নে? কিয়নো ইতমধ্যে অজস্ৰ লোকৰ হাতীৰ উৎপাতত খেতি শস্যৰ বিস্তৰ ক্ষতি সাধন হৈছে।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে আমি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছো।

শ্ৰীচিলভিয়াচ কণ্ডপান ঃ মাননীয় অধ্যক্ষ মহোদয়, ক্ষতিগ্ৰস্ত ৰাইজক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা হৈছে, এইটো ভাল কথা। আপোনাৰ জৰিয়তে মই মুখ্য মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো জিলা বা মহকুমা কতৃপক্ষক ৰাইজক ক্ষতি-পূৰণ দিয়া সম্পৰ্কে কোনো নিৰ্দ্দেশ দিয়া নাই। আনহাতেদি মুখ্য মন্ত্ৰী মহোদয়ে ক্ষতিপূৰণ দিয়া হয় বুলি কোৱাত সন্তুষ্ট হৈছে। গতিকে এই বছৰ আৰু যোৱা বছৰৰ ক্ষতিপূৰণ দিয়া হয় বুলি কোৱাত সন্তুষ্ট হৈছো। গতিকে এই বছৰ আৰু যোৱা বছৰৰ ক্ষতিগ্ৰস্ত ৰাইজক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ এইটো চোৱা হ'ব। ক্ষতিপূৰণ সকলোকে দিব পৰা হোৱা নাই।

**Ref : Survey of population of Tea & Ex-tea Garden Tribes**

Shri Mithias Tudu, asked :

*84. Will the Minister, W.P.T. & B.C, be pleased to state :

(a) Whether survey of the population of the Tea & Ex-Tea garden Tribes has been made :

(b) If so, please furnish the population belonging to these tribes in each District of the State ?

Shri Thaneswar Boro, (Minister, W.P.T. & B.C.) replied :

(a) No such survey has been made.

(b) Does not arise.

শ্ৰীমিথিয়াচ টুডু ঃ মাননীয় অধ্যক্ষ মহোদয়, টি গাৰ্ডেন আৰু এক্স টি গাৰ্ডেন কৰ্ম্মচাৰী সকলৰ উন্নয়নৰ কাৰণে স্বকীয়াকৈ এটা ডাইৰেক্টৰ খোলা হৈছে। তেনে ক্ষেত্ৰত এই লোক সকলৰ উন্নতি কৰিবলৈ যাওতে এই সম্প্ৰদায়ৰ জন-সংখ্যাতো সম্পূৰ্ণৰূপে জনাতো নিতান্ত প্ৰয়োজন। সেয়ে চৰকাৰে ইয়াৰ এটা জৰীপ কাৰ্য্য চলোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিভাগতো ১৯৮৩ চনত খোলা হৈছিল। ইকোনমিক বেনিফিট আৰু অন্যান্য সা-সুবিধা প্ৰদান কৰাৰ কাৰণে এই বিভাগতো খোলা হৈছিল। তথাপিতো জনসংখ্যাৰ হিচাবটো জনাতো ভাল। গতিকে মাননীয় সদস্য গৰাকীৰ পৰামৰ্শতো বিবেচনা কৰি চাম।

## বিষয়ঃ নীলবাগান হাওৰাঘাট গড়কাপ্তানী পথ Black topping কৰাৰ ব্যৱস্থা।

শ্ৰীআব্দুল জলিল ৰাগিবীয়ে সুধিছেঃ

*৮৫। মাননীয় গডকাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) যমুনামুখ সমষ্টিৰ নীলবাগান হাওৰাঘাট গড়কাপ্তানী বিভাগৰ ৰাস্তাটো Black topping কৰাৰ কোনো কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছেনে?

(খ) যদি কৰা নাই তেন্তে উক্ত ৰাষ্টাটো যিহেতু কাৰ্বি আংলং হাওৰাঘাট হামৰেঙৰ যোগাযোগৰ একমাত্ৰ পথ গতিকে চৰকাৰে Black toppingৰ বাবে কাৰ্বি আংলংৰ জিলা পৰিষদক দিয়াৰ ব্যৱস্থা কৰিব নেকি?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) পৰ্য্যায়ক্ৰমে কৰা হৈছে।

(খ) নগাওঁ জেলাৰ অন্তৰ্গত গড়কাপ্তানী পথ কাৰ্বি আংলং জিলা পৰিষদক দিয়াৰ প্ৰশ্ন উঠিব নোৱাৰে।

শ্ৰীঅতুল বৰা (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, যিটো ৰাষ্টাৰ কথা সেইটো তাত নাই। মই প্ৰশ্নটো শুদ্ধ কৰি উত্তৰ দিছো।

শ্ৰীজয়নাথ শৰ্মাঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো শুদ্ধ কৰি উত্তৰ দিব পাৰে নেকি?

শ্ৰীঅতুল বৰা (মন্ত্ৰী)ঃ সামান্য ভাবে ভুল আছিল কাৰণেই শুদ্ধ কৰি দিছো।

শ্ৰীআব্দুল জেলিল ৰাগিবীঃ মাননীয় অধ্যক্ষ মহোদয়, এই ৰাস্তাতো উন্নয়নৰ কাৰণে গড়কাপ্তানী মন্ত্ৰীক বাৰে বাৰে অনুৰোধ কৰা হৈছিল আৰু হাণ্টে চাহাবকো কোৱা হৈছিল ৰাস্তাতো যিহেতু অসম চৰকাৰৰ গতিকে ব্লেকটপিং কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীঅতুল বৰা (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া আমি ফৰমেলি ৰাস্তা এটা দিব নোৱাৰো। কিন্তু এনেকুৱা পি, ডব্লিউ, ডি ৰ ৰাষ্টা এটা কাৰবিআংলং জিলা পৰিষদে কৰিছে সেইটো বেলেগ কথা। ৰাষ্টাতো ভাল কৰাৰ কাৰণে আমি ভালেই পাইছো। কিন্তু আমি ফৰমেলি দিব নোৱাৰো। ৰাষ্টাতো মই শুধৰাই দিছো—নীল বাগানৰ পৰা মুৰাবাৰ আৰু মুৰাবাৰৰ পৰা হাওৰাঘাট।

শ্ৰীআব্দুল জেলিল ৰাগিবীঃ অধ্যক্ষ মহোদয়, এইটো গুৰুত্বপূৰ্ণ ৰাষ্টা। এদিন সেই ৰাষ্টাতোৰে বাচত যাওতে বাচখন জপিয়াই যোৱাৰ কাৰণে বাচৰ পিচৰ

ফালে বহা এগৰাকী গৰ্ভবতী মহিলাৰ বাচৰ ভিতৰতেই প্ৰসব হৈ যায়। গতিকে ৰাষ্টাতো উন্নত কৰাৰ কাৰণে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবনে?

শ্ৰীঅতুল বৰা (মন্ত্ৰী): অহা বছৰলৈকে চেষ্টা কৰি চাম।

Starred Question No. 86 was not called for. However written replies deemand to have been laid on the table as follows.

## বিষয়: বিজনী গেবুকাবাৰী দুলনি দলং নিৰ্মাণ।

শ্ৰীমকবুল হুচেইনে সুধিছে:

*৮৬ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

বিজনী গেবুকাবাৰী দুলনি দলং খন নিৰ্ম্মাণৰ কাম হাতত লোৱা হৈছে নে আৰু যদি লোৱা হৈছে ইযাৰ কাম কেতিয়ামানে সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে:

নিৰ্ম্মাণ কাৰ্য্যৰ কাৰণে নিবিদা সংগ্ৰহ কৰা হৈছে আৰু সেইবোৰ পৰীক্ষাধীন হৈ আছে। নিৰ্ম্মাণৰ কাম বিধি সন্মত কামৰ নিৰ্দ্দেশনামা (Formal Work order) দিয়াৰ পৰা ২৪ (ছবিশ) মাহৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে।

## RE : POLICY OF INCLUSION OF M.N.P. ROADS.

Shri Santi Ranjan DasGupta, asked :

*87. Will the Minister, P.W.D be pleased to State :

(a) Whether it is a fact that under the Sub-Divisional Planning Scheme there is a departure from the existing Policy of inclusion of M.N.P. Roads ?

(b) Whether it is a fact that the respective M.L.As have no hand in inclusion of any Road in the Sub-divisional plan ?

(c) Whether it is also a fact that the Planning Cell of the Sub-Division does not even consult with the M.L.As at the time of preparation of the plan ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে:

(a) হয়।

(b) যিহেতু মাননীয় বিধায়ক সকল মহকুমা পৰিকল্পনা আৰু উন্নয়ণ পৰিষদৰ সদস্য, গতিকে তেখেতসকলৰ পথ নিৰ্ম্মানৰ আঁচনি মহকুমা পৰিকল্পনাত অন্তৰ্ভুক্ত কৰাত হাত নথকা বুলি কব নোৱাৰি।

(c) এই সন্দৰ্ভত এই বিভাগৰ হাতত কোনো তথ্য পাতি নাই।

Shri Santi Ranjan Das Gupta : Sir, it is one thing that the Hon'ble members are the members of the Planning Cell. When the Planning Cell sits, there are vast subjects to discuss. What was the difficulty in giving power in the hands of the Hon'ble members in selecting M.N.P Roads? Why there was a departure from the original policy?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, তেনেধৰণৰ বহুত অসুবিধা থাকে। কিবা অসুবিধা থাকিলে কব।

Shri Santi Ranjan Das Gupta : I have got another submission.
Mr Speaker : Further investigation is not required.

**বিষয় : ধোদৰ আলি মেৰামতিৰ কাৰণে টকা মঞ্জুৰী।**

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

*৮৮ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ধোদৰ আলিৰ উত্তৰ পূব পৰিষদৰ দ্বাৰা মেৰামতি আৰু অধিগ্ৰহণৰ সিদ্ধান্তৰ অগ্ৰগতি বৰ্ত্তমানে কিমান দূৰ কাৰ্য্যকৰী হৈছে?

(খ) উত্তৰ পূব পৰিষদে ইয়াৰ বাবে কিমান টকাৰ মঞ্জুৰী জনাইছে?

(গ) ১৯৮৮-৮৯ চনৰ পৰা ইয়াৰ কাম আৰম্ভ কৰিব পৰা হবনে?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) অসম চৰকাৰে ধোদৰ আলিৰ উন্নয়নৰ বাবে দিয়া প্ৰস্তাবৰ ওপৰত উত্তৰ পূব পৰিষদে প্ৰথম পৰ্য্যায়ত ১০০ কিঃমিঃ পথৰ উন্নয়ন চিহ্নিত কৰিছে যদিও এতিয়ালৈকে কোনো চূড়ান্ত সিদ্ধান্ত আমাক জনোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) বৰ্ত্তমানে এই বিষয়ে কোৱা সম্ভৱ নহয়।

শ্ৰীদেৱেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যোৱাবাৰ

বিধান সভাতো এই প্ৰশ্নটোৰ উত্তৰ একে ধৰণেৰে কৈছিল। এই ৰাষ্টাটো উত্তৰ পূৱ পৰিষদে যাতে হাতত লয় তাৰ এটা আশ্বাস দিব লাগে।

শ্ৰীদ্বেৱ কুমাৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটোৰে মোৰ এটা পৰিপূৰক প্ৰশ্ন আছে। মাননীয় মন্ত্ৰী মহোদয়ে কৈছিল—যোৱা মাৰ্চ্চ মাহৰ অধিবেশনতে এই ৰাষ্টাটো লোৱাৰ কথা। যোৱা ৭/৮ বছৰেও উত্তৰ পূৱ পৰিষদে কোনো ৰাষ্টা-ঘাটৰ কাম হাতত লোৱা নাই গতিকে এই ৰাষ্টাটোৰ কাম গড়কাপ্তানী বিভাগে হাতত লব নেকি? দ্বিতীয় কথা হ'ল—এই ৰাষ্টাটোৰ বিষয়ে দৈনিক অসমৰ কাহুদীত দিছিল। কিন্তু গড়-কাপ্তানী বিভাগে কিয় এতিয়াও এই কামটো হাতত লব পৰা নাই?

শ্ৰীপ্ৰদীপ হাজৰিকা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰো এটা পৰিপূৰক প্ৰশ্ন আছে। এই ৰাষ্টাটোৰ ওপৰেদি ও, এন, জি, চিৰ ৮০ শতাংশ গাড়ী চলে। তেওঁলোকৰ গাড়ী বিলাক অন্য ফালেদি চলোৱাৰ কিবা ব্যৱস্থা কৰিছে নেকি? নে ধোদৰ আলি বনালে মানুহ বিলাক ধোদ হয় বুলিয়ে এই ৰাষ্টাটো বনোৱা নাই।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটোতে মোৰো এটা পৰিপূৰক প্ৰশ্ন আছে— এন, ই, চিয়ে অৰুনাচলত আৰু অন্যান্য ৰাজ্যত যিমান বিলাক কাম হাতত লৈছে আৰু কাম কৰি আছে অসমত তেনেধৰণে কাম কৰিব নেকি? কৰি থকা হৈছেনে? মন্ত্ৰী মহোদয়ে জনাবনেকি?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ গড়কাপ্তানী বিভাগে ২১২ কিঃমিঃ ৰাস্তা কৰিবলৈ হলে বহুত টকাৰ প্ৰয়োজন হব। এই ৰাস্তাটোৰ ১০০ কিঃমিঃ ৰ কাম হে উত্তৰ পূব পৰিষদে হাতত লৈছে। টকা নহলে কিছুমান কাম কৰিব পৰা নাযায়। আমাৰ গড়কাপ্তানী বিভাগে সাধাৰণতে মেৰামতীৰ কামহে কৰে। বৰ্ত্তমানলৈকে যি ধৰণেৰে উন্নতি কৰিব লাগিছিল সেই ধৰণেৰে কৰিব পৰা নাই। যিহেতুকে উত্তৰ পূব পৰিষদে টকা চেঙচন দিয়ে তেওঁলোকে সেহেম গতিৰে কাম কৰে। উত্তৰ পূব পৰিষদে অসম মেঘালয় এই দুখন ৰাজ্যলৈকে ৰাস্তাৰ নামত টকা দিছে। আমি টকা পাবলৈ চাৰি পাচ বছৰ যুজিব লাগে।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ দাবী হ'ল ডিগবৈৰ পৰা পেঙেৰী হৈ বৰভুমচা হৈ অৰুণাচললৈ যোৱা ৰাস্তাটো চি, পি, ডবলিউ, ডি, য়ে এটা অংশ লৈছে। কিন্তু আমাৰ কাম হোৱা নাই কিয়? বাকী থকা কাম NEC জৰিয়তে কৰা হবনে?

শ্ৰীঅতুল বৰা (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, সেই ফালেৰে অইল ইণ্ডিয়াৰ গাড়ী চলে। সেই ৰাস্তাটো তেওঁলোকে কৰিব লাগে।

**Re : Demarcation of Forests**

Shri A.F. Golam Osmani, asked :

*89. Will the Minister of Forests be pleased to state :

(a) On what basis demarcation is made in classified and unclassified Forest ?

(b) The total area that come respectively under classified and unclassified forest in the state ?

(c) Whether extraction of timber from unclassified forests by private parties allowed and if so on what norms ?

(d) Whether there is differential royalty on the catogories of forests and if so what are the norms.

Shri Prafulla Kumar Mahanta (Chief Minister) replied : (a) There is no classified forests and unclassified forests in Assam. But we have Reserved Forest and unclassed State Forest.

The Reserved Forests are constituted as per the provisions contained in Assam Forests Regulations 1891 and unclassed State Forests are not formally constituted and hence not demarcated. Unclassed state Forests are defined as land and not included in the Reserved Forests.

(b) The area of Reserved Forests in Assam is 17,415.05 Sq. K.M. and the area of unclassed State Forests is 9248.089 Sq. K.M.

(c) Extraction of timber by private parties is not allowed from unclassed state Forests as well as from Reserved Forests. This is done by departmental Agency.

(d) The royalty is primarily fixed for Forest produce in unclassed State Forests and the same is applied in Reserved

Forests as an indicative upset price for competitive disposal.

Shri A. F. Golam Osmani : Sir, it appears that there is no such thing like unclassified forests. The general impression in villages is that the trees are the property of the Forest Department. The relevant question I want to ask for answer from the Chief Minister who is also holding the Forest portfolio and as such, it has assumed greater importance. After the AGP Government came to power, they imposed restriction on abstraction of trees from Patta land vide dated 18.8.86 and this was withdrawn again on 14.10.87 perhaps on good reasons. Many departments in some places and in utter violation of the rule has issued permits for extraction of timber during the restricted period. I referred to that it was withdrawn from 14.10.87. In Karimganj Forest Division, a permit was issued on 24.6.87 in the name of the Manager, Haticherra Tea Estate. In another case, a permit was issued on 23.7.87 in the name of one Shri N. Laskar for extraction of timber. May I request the Chief Minister to take appropriate action against the officials who issued permit in the restricted period. It seems presently things are continuing as happened during the last 30 years. So, I want to put question whether the Chief Minister is aware of this type of illegal action by the departments specially in Barak Valley Districts.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয় এইটো চাবলৈ দিয়া হ'ব ।

Shri Altaf Hussain Majumdar : Mr. Speaker Sir, that illegal felling of trees is going on in collusion with the officers and hundreds and hundreds of trees are being allowed to fell in collusion with the corrupt officers of the Forest Department has been brought to the notice of the Government. Charges were also brought against

those officers but for reasons best known to the Government, these corrupt officers have been given protection by the Government. Will the Chief Minister take action against those corrupt officers responsible for felling of hundreds of trees and will he place the report of the Conservator of Forests and the charges brought against the Divisional officer ? This is happening not only in the Forest department but in other departments also.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, এই সম্পৰ্কে ইতিমধ্যে তদন্তৰ কাৰণে নিৰ্দ্দেশ দিয়া হৈছে।

মাননীয় অধ্যক্ষ মহোদয় ঃ ইয়াৰ পিচৰ প্ৰশ্ন মাননীয় সদস্য শ্ৰীকিৰণ কুমাৰ গগৈ।

## বিষয় ঃ চেচা নদীত কাঠৰ দলং মেৰামতি।

শ্ৰীকিৰন কুমাৰ গগৈয়ে সুধিছে ঃ

*৯০ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় মহকুমাৰ অন্তৰ্গত চেচুখাট গড়কাপ্তানী আলিৰ চেচা নদীৰ ওপৰত থকা কাঠৰ দলং খন প্ৰতি বছৰে মেৰামতিৰ বাবে গড় হিচাবে কিমান টকা খৰচ হয় ?

(খ) দলং খন পকীকৰন ( R.C.C. ) কৰিবলৈ আনুমানিক কিমান টকাৰ প্ৰয়োজন হব ?

(গ) চলিত বিত্তীয় বছৰত দলং খন পকীকৰন কৰিবলৈ ব্যৱস্থা কৰিছে নেকি ?

(ঘ) যদি কৰিছে কেতিয়া কাম আৰম্ভ কৰিব জনাবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰীয়ে )য়ে উত্তৰ দিছে ঃ

(ক) এই দলংৰ মেৰামতিৰ বাবে প্ৰতি বছৰে গড় হিচাবত ১৬,৭০০ টকা খৰচ কৰা হয়।

(খ) দলংখন পকী কৰিবলৈ আনুমানিক ৬০ (ষাঠি) লাখ টকাৰ প্ৰয়োজন হব।

(গ) চলিত বিত্তীয় বছৰত এই দলংখন পকীকৰনৰ বাবে এতিয়ালৈকে কোনো প্ৰস্তাৱ চৰকাৰৰ হাতত নাই।

(ঘ) প্ৰশ্ন নুঠে।

শ্ৰীকিৰণ কুমাৰ গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে দলংখন ভঙাৰ কাৰণে ইতিমধ্যে চৰকাৰে লোৱা নাই। মই জানিব বিচাৰিছো প্ৰায় ৫০খন গাওঁৰ ৰেভিনিউ ভিলেজৰ মাত্ৰ এটা যাতায়তৰ পথ। শিবসাগৰ জিলাৰ সংলগ্ন অঞ্চলৰ প্ৰায়বিলাক ৰাইজৰ এই ৰাস্তাটো অহা যোৱা কৰাৰ পথ। দলংখন দীঘল হোৱা কাৰণে ৰাইজ অহা যোৱা কৰাৰ কাৰণে হাৰাশাস্তি হব লগীয়া হয়। এই হাৰাশাস্তিলৈ লক্ষ্য ৰাখি এই দলংখন পকীকৰণৰ ব্যৱস্থা কৰিলে চৰকাৰী ধনৰ অপচয় নোহোৱাকৈ দলংখন স্থায়ী হিচাবে হব বুলি মই ভাবো। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই দলংখন এই বছৰতে ওলাব পাৰিব নেকি?

শ্ৰীঅতুল বৰা (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, দলংখন লবলৈ মন আছে। এই দলংখন লোৱাৰ কাৰণে নিশ্চই অহা বছৰলৈ চোৱা হব। বৰ্ত্তমান পঞ্চম পৰিকল্পনাত ২৩ খন দলং লোৱা হৈছে। টকাৰ অভাবৰ কাৰণে কিছুমান দলং বাদ পৰি গৈছে।

## বিষয়ঃ ঢকুৱাখানা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ পুনৰ নিৰ্ম্মাণৰ আঁচনি

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে ঃ

৯১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ঢকুৱাখনা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ঘৰ দুৱাৰ, খিৰিকি, বেৰ ইত্যাদি যোৱা দহ বছৰে বছেৰেকীয়া পুনৰ নিৰ্ম্মাণৰ আঁচনিত পুনৰ নিৰ্ম্মাণ নকৰা কথাটো চৰকাৰৰ অবগতনে?

(খ) যদি অবগত, পুনৰ নিৰ্ম্মাণৰ (বছেৰেকীয়া) বাবে চৰকাৰে ব্যৱস্থা লৈছে নেকি?

(গ) যদি লোৱা নাই কিয় লোৱা নাই জনাবনে?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বছেৰেকীয়া পুনৰ নিৰ্ম্মাণ আঁচনি নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) মুখ্য অভিযন্তাৰ তৰফৰ পৰা বিশেষ মেৰামতিৰ আঁচনি লোৱা হৈছে।

**Re : Master Plan for Karimganj Town**

Sri Abdul Muqtadir Chaudhary, asked :

*92. Will the Minister of Town & Country planning be pleased to state :

(a) Whether the Master Plan for Karimganj town has been finalised ?

(b) When Karimganj town was included within Master Plan ?

(c) Amount released in 1987-88 for the development work of Karimganj town ?

Sri Atul Bora (Minister of Town & Country Planning) replied :

(a) No.

(b) From 20-2-86.

(c) Rs. 25.00 lakhs

Shri Abdul Muqtadir Chaudhury : Mr. Speaker Sir, in answer to Qn No. 92. (D) Honourable Minister has replied that it was taken under Master Plan 1986 but in fact Karimganj town was taken under Master Plan in 1983-84 and a Town and Country Planning office was set up at Karimganj in 1986. Will the Minister clarify the position and (2) why there is so much delay in finalising the Master Plan ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, অফিচৰ কথাটো দৃষ্টি হৈছে।

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী ঃ অধ্যক্ষ মহোদয়, কৰিমগঞ্জত কেতিয়া মাষ্টাৰপ্লেন অনা হ'ল আৰু কোন বছৰত অনা হৈছে তাক মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই চাই লম।

Shri Abdul Muqtadir Chaudhury : Mr. Speaker Sir, Honourable Minister may kindly clarify the position and let

us know and (2) Why there is so much delay in finalising the Master Plan. You are releasing 25 lakhs of rupees this year, but for what purpose, against what scheme. It should be finalised first.

শ্ৰীঅতুল বৰা (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, তাত ৰেভিনিউ লেণ্ডস্কীম আছে। তাৰ কাৰণে ২০ লাখ টকা আছে। আকৌ ডেভেলাপমেণ্ট মাৰ্কেটৰ কাৰণে দিয়া হৈছে ৫ লাখ ২৫ হেজাৰ টকা। এতিয়া মাষ্টাৰপ্লেন সম্পূৰ্ণ হবলৈ বাকী আছে। তাৰ কাম চলি আছে। ১৯৮৮ চনত হোৱা কথা আছে, নহলে দুমাহ মান পিচত হব পাৰে।

শ্ৰীদেবেশ্বৰ বৰাঃ মাননীয় অধ্যক্ষ মহোদয়, কিমান খন চহৰত মাষ্টাৰপ্লেন অনা হৈছে ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, এইটো বেলেগ প্ৰশ্ন হব লাগিব।

## বিষয়ঃ কৃষি বিভাগৰ বাণিজ্যিক শাখাৰ কামৰ ভূমিকা।

শ্ৰীদীনবন্ধু চৌধুৰীয়ে সুধিছেঃ

* ৯৩। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) কৃষি বিভাগৰ বানিজ্যিক শাখা আৰু এগ্ৰিকালচাৰেল মাৰ্কেটিং কৰ্পোৰেচনৰ কাম কি ?

(খ) কৃষক সকলক, বিশেষকৈ তেওঁলোকৰ উৎপাদিত শাক-পাচলিৰ উচিত মূল্য পাব পৰাকৈ সুবিধা দিয়াৰ ক্ষেত্ৰত কৃষি বিভাগৰ বানিজ্যিক শাখা আৰু এগ্ৰিকালচাৰেল মাৰ্কেটিং কৰ্পোৰেচনৰ কিবা ভূমিকা আছেনে ?

(গ) যদি আছে, বৰ্ত্তমান কি ভূমিকা লৈ আছে ?

(ঘ) এইটো জানেনে যে উৎপাদিত শাক পাচলিৰ ক্ষেত্ৰত কৃষক সকলক উচিত মূল্য পোৱাৰ পৰা বঞ্চিত কৰি দালাল আৰু বেপাৰী চামে পাচ ছয় শতাংশ মুনাফা কৰিব লাগিছে ?

(ঙ) যদি জানে, ইয়াৰ প্ৰতিকাৰৰ বাবে কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (কৃষি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) আৰু (খ) বৰ্ত্তমান কৃষি বিভাগত এগ্ৰিকালছাৰেল মাৰ্কেটিং কৰ্পোৰেচন নামে কোনো অনুষ্ঠান নাই। কৃষি বিভাগৰ বাণিজ্যিক শাখাৰ যোগেদি ৫ খন

আঁচনি কাৰ্য্যকৰী কৰা হয়। এই আঁচনি সমূহ ৰূপায়ণৰ যোগেদি কৃষকৰ আৰ্থিক উন্নতি সাধন কৰাই কৃষি বাণিজ্যিক শাখাৰ মূল কাম। কৃষি বাণিজ্যিক শাখাই কাৰ্য্যকৰী কৰা আচনি সমূহ হ'ল ঃ—

১। নিয়ন্ত্রিত বজাৰ উন্নয়ন আঁচনি।

২। ফলমূলৰ আৰু শাক-পাচলি বেচা-কিনা আঁচনি।

৩। মৰাপাটৰ শ্ৰেণী বিভাজন আঁচনি।

৪। বজাৰ স্বৰ তথ্য সংগ্ৰহ আৰু প্ৰচাৰ আঁচনি।

৫। কৃষি জাত সামগ্ৰীৰ মান নিৰূপণ আৰু এগমাৰ্কৰ শ্ৰেণী বিভাজন।

(গ) (ঘ) আৰু (ঙ) উক্ত আঁচনি সমূহৰ যোগেদি কৃষক সকলক উচিত মূল্য দিবলৈ প্ৰয়াস কৰা হৈছে। বৰ্ত্তমানে এই আঁচনি কেইখনে অসমৰ আটাইবোৰ অঞ্চল সামৰি লব পৰা নাই। গোটেই ৰাজ্যখন সামৰি লব পাৰিলে, মাজৰ বেপাৰীৰ প্ৰভাৱ হ্ৰাস পাব। ফলমূল বেচা-কিনা আঁচনিখন সকলো বিভাক মহকুমালৈ সম্প্ৰসাৰিত কৰিবলৈ ইতিমধ্যে সিদ্ধান্ত লোৱা হৈছে।

কুমাৰ দীপক দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, যিটো অভিযোগ অনা হৈছে, এই অভিযোগৰ সম্পৰ্কত তদন্ত কৰি ব্যৱস্থা লবনে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ অভিযোগটো কি আছিল জানিব পাৰিলেহে এই সম্পৰ্কত কব পৰা হব।

কুমাৰ দীপক দাস ঃ প্ৰশ্নত কোৱা হৈছে যে শাক পাচলিৰ ক্ষেত্ৰত কৃষক সকলক উচিত মূল্য পোৱাৰ পৰা বঞ্চিত কৰি দালাল আৰু বেপাৰী চামে মুনাফা আদায় কৰিব লাগিছে। এই অভিযোগটো।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ মই প্ৰশ্নোত্তৰত কৈছোৱেই যে গোটেই ৰাজ্যকে এই আঁচনিত সামৰি লব পাৰিলে দালাল আৰু বেপাৰী চামৰ প্ৰভাৱ হ্ৰাস পৰিব। গোটেই ৰাজ্যক সামৰি লব পৰা নাই কাৰণেই এই ব্যৱস্থা চলি আছে। আমি গোটেই ৰাজ্যকে এই আচনিত সামৰি লবলৈ চেষ্টা কৰি আছিছো। এইটো কৰিব পাৰিলেই দালাল আৰু বেপাৰী সকলৰ প্ৰভাৱ হ্ৰাস পাব।

**Re : Implementation of Government policies :**

Shri Holi Ram Terang, asked :

94. Will the Minister of Forests be pleased to state :

(a) The Goverment policy on Forest leases, coupes etc. in state reserved Forest.

(b) The Central Governments direction and state Governments direction (Notification to implement the Government policy)

Shri Prafulla Kumar Mahanta (Chief Minister) replied :

(a) Government has banned felling of trees on Forest leases coupes etc. in Forest areas of the state as per Government's order No. FRS 23/86 dt 25.1.86.

(b) Government policy to ban felling of trees except for plantation and regeneration has been formulated vide FRS 23/86 dt 25.1.86.

Shri Holi Ram Terang : Sir, I had some more subquestions but there are only two here. Actually I wanted to know the Government policy and control of forest products with reference to the notification constituting sub-clause (III) of clause 2. In the notification Government authorised the District Council to negotiate and lease out the forest products. The State Govenment has also the jurisdiction over the District Council. May I know from the Minister Forest how many leases or contracts have been given by the Karbi Anglong District Council during the last one year. And then how many have been withdrawn or issued according to the notification issued in January 1986.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কাৰ্বি আংলঙৰ কথাটো বেলেগ। দ্বিতীয়তে আমাৰ ৰাজ্যৰ পৰা এতিয়ালৈকে কোনো লিজ দিয়া হোৱা নাই। যি বিলাক দিয়া হৈছে সেই বিলাক নিয়ম মতে টেণ্ডাৰ কল কৰি দিয়া হৈছে—

(Govenment policy to ban felling of trees except for plantation and regeneration has been formulated vide FRS 23/86 dated 25.1.86.)

কাৰ্বি অংলঙৰ সম্পৰ্কত যিটো প্ৰশ্ন উঠিছে সেই সম্পৰ্কত বিভাগীয় সচিবক তদন্ত কৰিবলৈ দিয়া হৈছে।

শ্ৰীহলিৰাম টেৰাং ঃ যিটো নটিফিকেচন দিছে কাৰ্বি আংলঙত সেই মতে কুপ

বন্ধ হৈ গৈছে।

State Government have given lease to Dhunmili saw Mill Sanjoy Saw Mills and also to one lady Mrs. Prava Hajarika wife of Shri Lakhi Hazarika, ex-Minister without any formal tender. They have been given lease without any contract or tender without proper notification.

তেওঁলোকক লিজ দিয়াৰ ব্যৱস্থা কৰিছে। মই যিখিনি তথ্য দিছো এই সম্পৰ্কত অনুসন্ধান কৰি সদনত জনাবনে বা সদনৰ এখন অনুসন্ধান কমিটী কৰি দিয়াৰ ব্যৱস্থা কৰিবনে?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী):** কাৰ্বি আংলঙৰ ক্ষেত্ৰত জিলা পৰিষদৰ কিছুমান লিমিটেচন আছে। এনেকুৱা অভিযোগ পোৱাৰ পিচতে আমি বিভাগীয় সচিবক তদন্ত কৰিবলৈ দিছো।

## Re : Tea Employees Welfare Fund

Shri Dileswar Tanti asked:

*95. Will the Minister of Labour be pleased to State:—

(a) How many Tea Gardens have so far joined under the contributory provision of the Assam Tea Employees Welfare Fund Act?

(b) The steps the Government has taken to implement the Scheme with the defaulting gardens?

(c) What are the total amounts of collection out this contributory provision during the year 1986 and 1987.

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰমমন্ত্ৰী)য়ে উত্তৰ দিছে—

(ক) অসম চাহ শ্ৰমিক কল্যান পুঁজি আইন, ১৯৫৯ৰ (সংশোধিত) ধাৰা ৩(ক) মতে অসম চাহ শ্ৰমিক কল্যান পুঁজিৰ ৰৰঙণি শিতানত এতিয়ালৈকে মুঠ ৬৬৭খন চাহ বাগিচাই যোগদান কৰিছে।

(খ) (১) যিহেতু এই আঁচনি এই অঞ্চলত (অসমত) নতুনকৈ প্ৰবৰ্ত্তন কৰা হৈছে, সেয়েহে এই আঁচনি সম্পূৰ্ণৰূপে কাৰ্য্যকৰি কৰিবলৈ বিভিন্ন মহলৰ লগত আলোচনা কৰা হৈছে। ব্যতিক্ৰমী বাগিচাসমূহৰ পৰা উদ্ভৱ হোৱা সমস্যাৰ বিষয়ে আলোচনা কৰিবৰ বাবে মালিক সন্থা সমূহক নিমন্ত্ৰণ জনোৱা হৈছে।

আলোচনাৰ মাধ্যমেৰে কৰা প্ৰচেষ্টা ব্যৰ্থ হলে আইনগত ব্যৱস্থা হাতত লোৱা হ'ব। (২) বহুতো চাহ বাগিচাৰ শ্ৰমিক সকলে তেওঁলোকৰ অজ্ঞতাৰ বাবে এই আঁচনিৰ অধিনত বৰঙণী দিবলৈ অনিচ্ছা প্ৰকাশ কৰিছে। এনেবোৰ বাগিচাত মেল মিটিং বা আলোচনা চক্ৰ পাতি শ্ৰমিক সকলক পতিয়ন নিয়াবলৈ চেষ্টা কৰা হৈছে।

(গ) মুঠ ৬২, ৪২, ৮৫৮.৫০ টকা। ১৯৮৬ চনত ৪৯, ৭৮, ১০৪.০০ টকা আৰু ১৯৮৭ চনত ১২,৬৪, ৭৫৪.৫০ টকা।

**শ্ৰীদিলেশ্বৰ তাঁতী**ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে ১৯৮৬ চনত ৪৯, ৭৮,১৫৪.০০ টকা আৰু ১৯৮৭ চনত ১২,৬৪, ৭৫৪.৫০ টকা সংগৃহিত হৈছে। মই জানিব বিচাৰিছো যে ১৯৮৬ চনৰ তুলনাত ১৯৮৬ চনত ইমান কম টকা কিয় সংগৃহিত হৈছে? ইমান তাৰতম্য কিয় হৈছে?

দ্বিতীয় কথা হৈছে দেখা গৈছে যে ৬৬৭ খন বাগিচাই এই আঁচনিত যোগদান কৰিছে আৰু প্ৰায় ৩০০ মান বাগিচাই ইয়াত যোগদান কৰা নাই। আৰু এই আঁচনি প্ৰবৰ্ত্তণ হোৱা ৩।৪ বছৰ ইতিমধ্যে হৈ গৈছে। গতিকে যথেষ্ট দেৰি হৈছে। এই আঁচনিত সকলো বিলাক বাগিচাই যোগদান নকৰাৰ এই-টোৱেই কাৰণ নেকি যে ওৱেলফেয়াৰ ইন্সপেকটিং অফিচাৰৰ সংখ্যা কম। মাত্ৰ ৪।৫ জনমানহে ওৱেলফেয়াৰ ইন্সপেকটিং অফিচাৰ আছে। গতিকে ওৱেলফেয়াৰ অফিচাৰৰ সংখ্যা বৃদ্ধি কৰি এই আঁচনি সম্পূৰ্ণ প্ৰবৰ্ত্তন কৰাৰ ব্যৱস্থা কৰিবনে?

**শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙা (শ্ৰম মন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, পৰিদৰ্শক বিষয়া কম হোৱাৰ কাৰণে যে এই আঁচনি সম্পূৰ্ণ প্ৰবৰ্ত্তণ হোৱা নাই এইটো কথা নহয়। এই আঁচনি প্ৰকৃততে ১৯৮৫ চনৰ ডিচেম্বৰ মাহৰ পৰাহে কাৰ্য্য-কৰী কৰা হৈছে। গতিকে ১৯৮৬ চনৰ সংগৃহিত যিটো টকাৰ সংখ্যা সেইটোত ১৯৮৫ চনত টকাও সোমাই আছে। সেই কাৰণেই ১৯৮৬ চনত টকা সংগ্ৰহ বেচি হৈছে আৰু ১৯৮৭ চনত টকাৰ সংখ্যা কম হৈছে।

মাননীয় সদস্যই আৰু এটা কথা কৈছে যে ৩০০ খন মান বাগানে যোগ-দান কৰা নাই। আচলতে ৩০০ খন বাগান নহয়। আমাৰ মুঠ বাগানৰ সংখ্যা হৈছে ৭৭৬ খনহে। ইয়াৰে ৬৬৭ খনে যোগদান কৰিছে আৰু প্ৰায় ১০৯ খন মানেহে যোগদান কৰা নাই। এই সম্পৰ্কত আমি ব্যৱস্থা লৈছো। এইখিনি মই চাহ বাগানৰ সকলো এম এল এ আৰু যি সকল এম এল এৰ সমষ্টিত চাহ বাগান আছে সেই সকলকো অনুৰোধ কৰিছো যে তেখেত সকলে

এই আচনিৰ বিষয়ে শ্ৰমিক সকলক বুজাই বঢ়াই ইয়াত যোগদান কৰিবলৈ চেষ্টা কৰিব লাগে। ইয়াকে কৰিলে আমাৰ এই অাঁচনি সম্পূৰ্ণ প্ৰবৰ্ত্তণ কৰিব পাৰিম বুলি ভাবিছো।

শ্ৰীদিলেশ্বৰ তাতী : মাননীয় মন্ত্ৰীজনে আমাৰ সহযোগ লাগে বুলি কৈছে, কিন্তু কোন কোন জিলাত কোন কোন বাগান ডিফল্টাৰ হৈ আছে নাজানো। আমাক বোৰ্ডৰ লগত জৰিত কৰা নাই। গতিকে তালিকা খন দিলে নিজ নিজ অঞ্চলৰ ক্ষেত্ৰত সহযোগ কৰিব পাৰিম।

শ্ৰীবাকিপ্ৰসাদ টেলেঙা (মন্ত্ৰী) : তালিকা খন মোৰ হাতত আছে কোনোবাই বিছাৰিলে মই দিব পাৰো।

### Re : Barpeta to Baghbar P.W.D. Road.

Shri Sheikh Abdul Hamid, asked :

* 96. Will the Minister, P.W.D be pleased to state :

(a) Is it in the knowledge of the Government that Barpeta to Baghbar P.W.D. Roads ( part between Mandia Bazar and Bahari-Baghbar E/D ) were damaged by 1974 flood and no repairing has done till to day ?

(b) If so, whether the Government will make necessary repairing to this road ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হয়, চৰকাৰে জানে।

(খ) আৱশ্যকীয় পৰিমানৰ পুজি লাভ কৰিলে মেৰামতিৰ কাম হাতত লোৱা হব।

শ্ৰীশ্বেখ আবতুল হামিদ : মন্ত্ৰী মহোদয়ে কৈছে যে আবশ্যকীয় পুজি পালে মেৰামতিৰ কাম হাতত লোৱা হব। ১৯৭৪ চনত ক্ষতি হোৱা ৰাস্তাটো এতিয়াও মেৰামতি হোৱা নাই গতিকে ১৯৮৮-৮৯ চনত ৰাস্তাটো মেৰামতি কৰাৰ ব্যৱস্থা লব নে?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : পুজিৰ অভাবৰ কাৰণে ৰাস্তাটো মেৰামতি কৰিব পৰা নাই বুলি কৈছোৱেই ভৱিষ্যত দিন বিলাকত পুজিৰ অভাব নিশ্চয় নাথাকিব গতিকে পৰা যাব নেকি?

## Re : Repairing of P.W.D. Road

Shri Mosiruddin Sheikh, asked :

* 97. Will the Minister P.W.D. be pleased to State :

(a) Whether (I) Barpeta-Baghbar Road (II) Mandia-Rowmari Road & (III) Mandia Dongra P.W.D. Road were badly damaged by the flood of 1986-87 ?

(b) If so, what steps till date have been taken by the P.W.D. Deptt. to restore & repair the said roads ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

শ্ৰীমচিৰুদ্দিন শেখ : মাননীয় অধ্যক্ষ মহোদয়, তিনিটা ৰাস্তাত যথেষ্ট ক্ষতি হৈছে। মানুহ চলাচল কৰাত যথেষ্ট অসুবিধা হৈছে। পুজিৰ অভাব বুলি বিভিন্ন প্ৰশ্নৰ উত্তৰত কৈছে যদিও এই ৰাস্তা তিনিটাত মন্ত্ৰী মহোদয়ে অগ্ৰাধিকাৰ দিব নে ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : এফ, ডি, আৰত ৪০ কোটি টকা বিছাৰিছো কিন্তু ৮ কোটি টকা দিছে ৰেভিনিউৱে টকাটো এতিয়াও ৰিলিজ কৰা নাই। অগ্ৰাধিকাৰ নিশ্চয় দিয়া হব।

## Re : Agricultural Scheme at Kaki

Shri Ardhendu Kumar Dey, asked :

* 98. Will the Minister of Agriculture be pleased to State :

(a) Whether it is a fact an Agricultural scheme has been sanctioned at Kaki No. 2 under Lumding constituency at an amount of several lakhs of Rupees ?

(b) If so, what is that scheme ?

(c) Whether it is a fact depriving Sri Thuleswar Bora local contractor of Kaki who offered 10% below the estimated rate the group has been given to Sri Upen Baruah of lower Assam who offered 7% below the estimated rate ?

Shri Chandra Mohan Patowary, (Minister of Agriculture) replied :

(a) Yes, Sir.

(b) The name of the scheme is "National Watershed Development programme for rain-fed agriculture."

(c) Yes, Sir. The work for construction of Water Harvesting Structure at Kaki has been offered to Shri Upen Barua at 7% below the Schedule of Rates. The offer of 10% below the Schedule of Rates offered by Shri Thuleswar Bora was not found acceptable as it was considered too low by the competent authority.

Shri Ardhendu Kumar Dey : Sir, in reply to Q. (C) the Hon'ble Minister has stated that 10% below the schedule of Rates offered by Shri Thuleswar Bora was not found accepted as it was considered too low. But, sir, Shri Thuleswar Bora was a local man and even then he was not given the work on the ground that he offered 7% the schedule-rates. On the other hand, we find that Shri Upen Borua, who is not a local man and who has also offered 7% below the schedule rate, has been granted the work. In view of this, may I request the Hon'ble Minister to look after the matter and take necessary action ?

Shri Chandra Mohan Patowary ( Minister ) : Actually, sir, this is objectionable when the Hon'ble Member says that one Shri Baruah of Lower Assam was given the work. As a matter of fact, sir, both of them hail from Nowgong District and Shri Upen Baruah does not hail from Lower Assam. Moreover, this is a technical matter and the Technical Committee has decided the matter and we have nothing to do on this.

Shri A. F. Golam Osmani : Sir, I want to raise a point of order for favour of your clarification. You have given us a very valuable right by adopting procedure of the Lok Sabha with regard to the Questions and Answers. We are also taking care to take advantage of the facilities extended to us. Sir, I asked a Question to the P.W.D. about the allotment of Cement. It was a written reply and it was supposed to be answered today. But it could not be

replied as the Department could not collect the materials for reply. In the reply it is said. My point is that while the other Department, such as, Supply, Cooperation, Irrigation, etc. could reply the same question. Should we take it that the reply would be coming within the next one or two weeks ?

Mr. Speaker : I cannot allow such kind of discussion, now. There are other provisions of which the hon'ble member can take advantage of. The Question Hour is also already over.

I have received Notices from hon'bl Members, Shri Kumar Dipak Das, Shri Hemen Das, Dr. Ardhendu Kumar Dey, Shri Swarup Upadhaya about the increase in bus fares and other allied matters. The matter would be taken up tomorrow.

## Undisposed Starred Questions

( To which oral answers were not called for want of time. However, written answers deemed to have been laid on the Table as follows. )

### বিষয়ঃ পথ পকীকৰণ

শ্ৰীৰশিদুল হকে সুধিছে :

* ৯৯ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) যোৱা ২ বছৰে, বিধান সভাৰ নগাওঁ সদৰ সমষ্টিত সৰ্ব্বমুঠ কিমান দৈৰ্ঘ্যৰ পথ পকা হৈছে ?

(খ) জিলাৰ বাকীবোৰ বিধান সভা সমষ্টিত তাৰে সমানুপাতিক ভাৱে আলি পথ পকা হৈছে নে ?

(গ) যদি নাই হোৱা. কিয় হোৱা নাই ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৭·১২০ কিঃ মিঃ

(খ) যিহেতু পথ পকীকৰণৰ কাম যানবাহন চলাচলৰ যাত্ৰা আৰু ৰাস্তাৰ শ্ৰেণী অনুযায়ী কৰা হয়, সেয়েহে এটা সমষ্টিৰ পকীকৰণ পথৰ লগত

অন্যবোৰ সমষ্টিৰ পথ পকীকৰণৰ হিচাব সমানুপাতিক ভাৱে নহব পাৰে।

(গ) ওপৰোক্ত উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

### বিষয়ঃ নিয়োগ বিনিময় কেন্দ্ৰৰ কমিটি

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে ঃ

* ১০০। মাননীয় শ্ৰম মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমৰ নিয়োগ বিনিময় কেন্দ্ৰবোৰত থাকিব লগা Local Committee খন প্ৰত্যেক নিয়োগ বিনিময় কেন্দ্ৰত আছেনে?

খ) যদি আছে, তেতিয়া হলে কি কি নীতিৰ ভিত্তিত এই Committee বিলাক গঠন কৰা হৈছে।

শ্ৰীবাৰ্কি প্ৰসাদ তেলেঙ্গা, (শ্ৰম ও নিয়োগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) পঞ্চলিছটা নিয়োগ বিনিময় কেন্দ্ৰৰ ভিতৰত চাব্বিশটাত আছে।

(খ) কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় নিয়োগ সেৱা নিয়মাৱলীৰ (National Employment Service Mannual) নীতি নিৰ্দ্দেশনা অনুসৰি স্থানীয় নিয়োগ সমিতি গঠন কৰা হয়।

## Unstarred Questions and Answers

### Re: Wooden bridges at Kazidhar

Shri Abdul Rob Laskar, asked :

133. Will the Minister, P.W.D. be pleased to State :

(a) Whether the Government is aware that the wooden bridge at Kazidhar sildubi Road under Silchar Sub-division is damaged and plying of vehicles over the said bridge has been prohibited by the department ?

(b) If so, will the Government sanction fund immediately for repairing of the bridge ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, চৰকাৰ অবগত।

(খ) বৰ্ত্তমান সীমিত পুঁজিৰ বাবে মেৰামতিৰ কাম লোৱা সম্ভৱ নহল।

**বিষয়ঃ মাকুম আলিৰ দৈৰ্ঘ্য।**

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছেঃ

১৩৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ডিগবৈ সমষ্টিৰ সোঁমাজেদি যোৱা মাকুম আলিৰ দৈৰ্ঘ্য কিমান?

(খ) মুঠ দৈৰ্ঘ্যৰ কিমানখিনি পকী কৰা হৈছে আৰু কিমান বাকী আছে?

(গ) এই ৰাস্তাটো তিনিচুকীয়া মহকুমাৰ মূল বাট বুলি চৰকাৰে বিবেচনা কৰে নে?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) মাকুম আলিৰ মুঠ দৈৰ্ঘ্য ১৩.৬০ কিঃ মিটাৰ।

(খ) মুঠ দৈৰ্ঘ্যৰ ৫.০০ কিঃমিঃ (১ম কিঃমিঃ পৰা ৫ কিঃ মিঃ লৈকে) পকী কৰা হৈছে আৰু ৮.৬০ কিঃমিঃ পথ পকীকৰন কৰিবলৈ বাকী আছে।

(গ) নকৰে।

**বিষয়ঃ মাষ্টাৰ প্লেন আঁচনী বৰপেটা আৰু হাউলী চহৰৰ বাবে।**

কুমাৰ দীপক দাসে সুধিছেঃ

১৩৫। মাননীয় নগৰ আৰু গাওঁ কৰিকল্পনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ-কৰি জনাবনে?

(ক) কোন কোন নগৰ Master Plan ত লোৱাৰ আঁচনি লৈছে? (সমাগত বিত্তীয় বছৰত)।

(খ) বৰপেটাক উক্ত আঁচনিত সামৰি লোৱা হৈছে নেকি?

(গ) যদি লোৱা হৈছে তেন্তে ইয়াৰ কাৰ্য্যকৰী কেতিয়া কৰা হব?

(ঘ) হাউলী নগৰকো এই আঁচনিৰ অন্তৰ্ভূক্ত কৰাৰ বাবে চৰকাৰে বিবেচনা কৰিবনে?

শ্ৰীঅতুল বৰা (নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) বৰপেটা আৰু নলবাৰী।

(খ) লোৱা হৈছে।

(গ) অফিচ সৃষ্টিৰ মঞ্জুৰী পোৱাৰ পাছত।

(ঘ) কৰা হব।

**Re : Bridge over Badri**

Shri Altaf Hussain Mazumdar, asked :

* 136. Will the Minister of P.W.D. be pleased to State :

(a) Is the Government aware that the bridge ( Timber ) over river Badri in Badarpur village of Tarapur Gaon Panchayat of Borkhola constituency under the Road division, Silchar is in a dilapidated and unsafe condition ?

(b) Is the Government aware that decking of the Timber Bridge over Harang at Sonapur village of Sonapur Goan Panchayat under Silchar Road Division has got rotten and resulted to big holes and become unsafe for passerby ?

(c) If so will the Government take early steps to repair the aforesaid two important briges for the convenience of public particularly students, and hospital goers ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তনী বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক( হয়, চৰকাৰে জানে।

(খ) হয়।

(গ) বদৰী দলং মেৰামতি. বৰ্ত্তমান ব্যৱস্থা অনুযায়ী গড়কাপ্তানী বিভাগৰ ফালৰ পৰা কৰাৰ প্ৰশ্ন নুঠে। হাৰাং দলং মেৰামতিৰ কাম পুঁজি মঞ্জুৰী সাপেক্ষে কৰা হয়।

**Re : F.D.R. grants for Barpeta District.**

Shri Muktar Hussain, asked :

* 137. Will the Minister, P.W.D. be pleased to State :

(a) The total amount of F.D.R. grants under P.W.D. (R) Department for Barpeta District in 1985-86 ; 1986-87 and 1987-88 ?

(b) The amount alloted to each Constituency during last three years as mentioned ?

(c) The Schemes against which F.D.R. grants were Utilised in chenga Legislative Assembly Constituency during the period ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তনী বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) বানপানী মেৰামতিৰ শিতানত বৰপেটা পথ সংমণ্ডলত আবন্টন হোৱা পুঁজিৰ পৰিমান এনে ধৰণৰ—

১৯৮৫-৮৬ — ২২.৯২ লাখ টকা

১৯৮৬-৮৭ — ১৪·০০ লাখ টকা

১৯৮৭-৮৮ — ৪৮·০০ লাখ টকা

(খ) সমষ্টিগত ভিত্তিত পুঁজি আৱণ্টন কৰা নহয়।

(গ) 'খ' উত্তৰৰ পৰিপ্ৰেক্ষিত প্ৰশ্ন নুঠে।

## বিষয়ঃ অসম কৃষি বিশ্ববিদ্যালয়ৰ ভেৰাইটি ধানৰ আবিস্কাৰ

শ্ৰীভবেন্দ্ৰ নাথ ভৰালীয়ে সুধিছে ঃ

১৩৮। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বায়ুৰ লগত খাপ খোৱাকৈ ফাগুন চ'ত মাহত ধান খেতি কৰিব পৰা কিবা ভেৰাইটি (ধানৰ) আছেনে ?

(খ) অসম কৃষি বিশ্ববিদ্যালয়ে কি কি নতুন ভেৰাইটিৰ ধান এতিয়ালৈকে আবিস্কাৰ কৰিছে ?

(গ) যদি আবিস্কাৰ কৰিছে অসমত সেই ভেৰাইটিৰ ধানৰ খেতি কিমান শতাংশ লোকে কৰিছে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয় আছে।

(খ) এতিয়ালৈকে আৱিস্কাৰ কৰা বিভিন্ন ভেৰাইটিৰ ধানসমূহ ঃ টিটিবি ৪/৭ : টিটিবি-৮, টিটিবি-১৪-১, টিটিবি-১৫-১, বড়ো-১, বড়ো-২ ইত্যাদি।

(গ) উক্ত ভেৰাইটিৰ ধান সমূহ এতিয়া পৰীক্ষা আৰু প্ৰদৰ্শন পৰ্য্যায়ত আছে।

## বিষয়ঃ চাহ বাগিছাত "কল্যান পৰিদৰ্শক" নিয়োগ

শ্ৰীপদ্মনাথ কৈৰীয়ে সুধিছে ঃ

১৩৯। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ চাহ বাগিছাবোৰত Welfare Inspector এতিয়ালৈকে কিমান-জন নিয়োগ কৰা হৈছে ?

(খ) এওঁলোকৰ কাম কি, আৰু এওঁলোকক কোনে নিয়োগ কৰে জনাবনে ?

শ্ৰীবাৰ্কী প্ৰসাদ টেলেঙ্গা (শ্ৰম মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ চাহ বাগিছাবোৰত চাহ শ্ৰমিক আইনৰ অধীনত কোনো ধৰণৰ "Welfare Inspector" নিয়োগ কৰাৰ বিধান নাই।

(খ) প্ৰশ্ন নুঠে।

## বিষয়ঃ কৃষি বিভাগৰ কাম কাজ

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

১৪০। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৮ চনৰ ৫ ফেব্ৰুৱাৰী তাৰিখে দৈনিক জনমভূমিত প্ৰকাশিত "কৃষি বিভাগ মিছাৰ ওপৰত চলা বিভাগ" শীৰ্ষক বাতৰিটো সম্পৰ্কত উৎথাপিত অভিযোগ সমূহ সঁচানে ?

(খ) যদি সঁচা হয় তেন্তে এতিয়ালৈকে কৃষি বিভাগত চলি থকা কি কি "মিছা" চৰকাৰে উদ্ঘাটন কৰিছে ?

(গ) দৰং জিলাৰ সদৰ মঙলদৈ চহৰৰ পৰা Horticulture ৰ কাৰ্য্যালয় এটা ওডালগুৰিলৈ উঠাই কিয় নিয়া হ'ল ?

(ঘ) এই ক্ষেত্ৰত মঙলদৈ আৰু ছিপাঝাৰ বিধান সভা সমষ্টিৰ বিধায়ক দুগৰাকীৰ সৈতে মাননীয় মন্ত্ৰী মহোদয়ে কৰা আলোচনা অনুযায়ী উক্ত কামটো সম্পাদিত কৰা হৈছেনে ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (কৃষি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) উৎথাপিত অভিযোগ সমূহ সঁচা নহয়।

(খ) প্ৰশ্ন নুঠে।

(গ) আৰু (ঘ) অনুসূচীত জনজাতি অধ্যুষিত ওদালগুৰি মহকুমাত ফলমূলৰ উৎপাদন ক্ষমতা বৃদ্ধিলৈ দৃষ্টি ৰাখি ৰাইজ আৰু স্থানীয় বিধায়কৰ অনুৰোধ ক্ৰমে ওদালগুৰিলৈ স্থানান্তৰিত কৰা হৈছে।

## Re : Report of Enquiry Commission

Shri Manilal Gowala, asked

141. Will the Chief Minister be pleased to State :

(a) Will the Government whether the report of the enquiry Commission under Mrs. P.P. Trivedi, the then Commissi oner of Lower Assam Division in 1977 vide Notification No FRS 63/77/39 dt. 27 5.77 has been submitted to Government.

Shri Prafulla Kumar Mahanta, (Chief Minister) replied :

(a) The report has been received and is under active consideration of the Government.

**Re : Anipur Cheragi P.W.D. Road**

Shri Kumari Rabidas, asked :

142. Will the Minister, P.W.D. be pleased to state :

(a) Whether Government is aware that the Anipur to Cheragi P.W.D. Road under Rotabari Legislative Assembly constituency is in delapidated condition and in rainy season the road remains closed ?

(b) If so whether Government has taken any step to improve the condition of the roads including the black topping as assured by the Hon'ble Minister, P.W.D. in the House in 1987 ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(a) হয়।

(b) মেৰামতি আৰু পৰিকল্পনা শিতানত প্ৰাপ্ত পুঁজিৰ পৰিমাণ অনুযায়ী ৰাস্তা মেৰামতি আৰু পকা কৰাৰ কাম হাতত লোৱা হৈছে।

**Re : Appointment of Labour Welfare Officer**

Shri Silvius Condpan, asked :

143. Will the Minister, Labour and Employment to be pleased to state :

(a) Whether the Managements of Tea Gardens are giving preference to recruit welfare officers from Tea and Ex-Tea Garden tribes of Assam ?

(b) The minimum qualification fixed for appointment of welfare officers in tea gardens ?

(c) Whether any time limit has been fixed for the Tea gardens to fill up the posts of welfare officers by the Government ?

শ্ৰীবাৰ্কী প্ৰসাদ টেলেঙ্গা (শ্ৰম মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

শ্রীদেবেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা গুৰুত্বপূর্ণ বিষয় আজিৰ এই সদনত উত্থাপন কৰিব বিছাৰিছো। বিষয়টো হ'ল যে যোৱা ১২ তাৰিখে অসমত যি ধুমুহা আৰু ঘূৰ্ণী বতাহে ক্ষতি কৰিছে এই বিষয়ে ৰাজহ মন্ত্রীৰ দৃষ্টিগোচৰ কৰিব বিছাৰিছো। যোৱা ১২ তাৰিখ গোলাঘাট জিলাৰ বিশেষকৈ দলনি মৌজাৰ গমাৰিপুৰ, দলনি, আঠখেলিয়া আদি অঞ্চলত ধুমুহাত বিশেষ ক্ষতি সাধন হৈছে। এই বিষয়ে আজিৰ অসম বাতৰি কাকতত ১৮ মাৰ্চত চিত্র প্রদর্শন কৰা হৈছে। আজি কিছুদিনৰে পৰা সমগ্ৰ অসমত ধুমুহাত যি ক্ষতি-সাধন কৰিছে এই বিষয়ত এতিয়ালৈকে ৰাজহ বিভাগে ক্ষতিগ্ৰস্ত অঞ্চলত সাহাৰ্য্য আগবঢ়োৱা নাই। এই বিষয়ত ৰাজহ মন্ত্রীক বিশেষ ভাবে নজৰ দিবলৈ আহ্বান জনালো আৰু এটা বিষয় দৃষ্টিগোচৰ কৰিব বিছাৰিছো যে ২২ তাৰিখে হোজাই অঞ্চলৰ জনস্বাস্থ্য কাৰিকৰি বিভাগৰ কাৰ্য্যালয় একেবাৰে ধুমুহাত ধ্বংস-প্রাপ্ত হৈছে। তেনেদৰে অসমৰ বিভিন্ন ঠাইত আনকি দিচপুৰতো বিভিন্ন ক্ষতি হৈছে। ৰাজহ বিভাগে অতি সোনকালে ইয়াৰ ব্যবস্থা লব লাগে। আজিৰ দৈনিক অসমত দেখা পাইছো যে ২০ মাৰ্চ তাৰিখে বজালী অঞ্চলৰ কেবাখনো প্রাথমিক বিদ্যালয় বেয়াকৈ ক্ষতিসাধন হৈছে। তাৰোপৰি কেবাজনো মানুহ মৃত্যু মুখত পৰিছে। কলিয়াবৰত চাহবাগিছাৰ মানুহৰ ঘৰ ভাঙি মানুহ মৰিছে। সেইদৰে বিশ্বনাথ চাৰিআলি আৰু বৰপেটা অঞ্চলত কেইবাজনো আঘাটপ্রাপ্ত হৈছে। গোলাঘাটৰ ক্ষতিগ্ৰস্ত অঞ্চলত ইতিমধ্যে মন্ত্রী আৰু মই নিজে ভ্ৰমণ কৰিছো। তাত ৩ হাজাৰতকৈ অধিক ঘৰ, কেইবাখনো হস্পিতাল, কেইবাটাও নামঘৰ আৰু অডিটৰিয়ামৰ আনষ্ট হৈছে। এই বিলাকৰ জৰিপ কৰি পুণৰ-

সংস্থাপনৰ ব্যৱস্থা আৰু সাহাৰ্য্য দিবৰ বাবে ৰাজহ মন্ত্ৰীক আহ্বান জনালো।

Shri Santi Ranjan Dasgupta : Sir, Hon, member has made a reference to Hojai. I have a pending Motion. Therefore, Hojai can be discused at that time.

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় গোলাঘাট জিলাৰ উপায়ুক্তই জনাইছে যে যোৱা ইং ১৩-৩-৮৮ তাৰিখে শেষ ৰাতি ২-৩০ বজাত গোলাঘাট জিলাৰ মৰঙি এলেকাৰ ৩ খন গাৱঁৰ ওপৰেদি এটি ডাঙৰ শিলাবৃষ্টি বৈ যায়। এই শিলাবৃষ্টি প্ৰায় ২ মিনিট সময় চলি আছিল। এই শিলাবৃষ্টিয়ে গোলাঘাট জিলাৰ গোলাঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত মৰঙি এলেকাৰ ৩খন গাওঁ আৰু খুমতাই ৰাজহ চক্ৰৰ অন্তৰ্গত খুমতাই গাওঁ অতি বেয়াকৈ ক্ষতিগ্ৰস্ত কৰে। তাৰে ভিতৰত ২৩০ টা ঘৰ সম্পূৰ্ণৰূপে আৰু ৬৯০ টা ঘৰ আংশিকভাৱে ক্ষতিগ্ৰস্ত হৈছে। ৫৫টা স্কুলঘৰ আৰু নামঘৰ আদি ক্ষতিগ্ৰস্ত হয়। থকা ঘৰ আৰু অনুষ্ঠান সমূহৰ ক্ষতিৰ ধৰণ হৈছে ঘৰৰ চালবোৰ উৰি য়োৱা। ঘৰৰ টিনবোৰ ধুমুহাৰ ফলত উৰি যায়। বিজুলী তাঁৰবোৰো ধুমুহাৰ ফলত ছিগি যায়। উপায়ুক্তই জনোৱা মতে ধুমুহা হৈ যোৱাৰ দুদিনৰ ভিতৰত ছিগি যোৱা বিজুলী তাঁৰ মেৰামতি কৰে আৰু বিজুলী সংযোগৰ কাম সম্পূণ কৰে। মানুহ আৰু জীৱ-জন্তুৰ মৃত্যু আৰু আঘাতৰ বিষয়ে খবৰ পোৱা হোৱা নাই। গোলাঘাট জিলাৰ উপায়ুক্তই নিজে ক্ষয়ক্ষতি হোৱা গাওঁবোৰ পৰিদৰ্শন কৰে। গোলাঘাট জিলাৰ উপায়ুক্তই ক্ষতিগ্ৰস্ত হোৱা লোকসকলক সাহায্য দিয়াৰ বাবে ১ লাখ টকা পুনৰ সংস্থাপন মঞ্জুৰী বিচাৰিছে। উপায়ুক্তৰ এই প্ৰস্তাৱ বিবেচনা কৰা হৈছে আৰু এই ১ লাখ টকা মঞ্জুৰী দিয়া হৈছে। বিতং প্ৰতিবেদনৰ বাবে গোলাঘাট জিলাৰ উপায়ুক্তলৈ লিখা হৈছে।

শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, আজি এটা বিশেষ গুৰুত্বপূৰ্ণ বিষয় সদনত উত্থাপন কৰিব বিচাৰিছো, বিষয়টো হ'ল নতুন দৈনিক বাতৰি কাগজৰ ৩০ তাৰিখৰ সংখ্যাত ভোটাৰ তালিকাৰ সংশোধনৰ বাবে ছাত্ৰ সন্থাৰ দাবী শিৰ্ষক বাতৰিটোৰ ৬ টা গুৰুত্বপূৰ্ণ বিষয় জড়িত হৈ আছে। 'আছুয়ে' হুঙ্কাৰ দিছে যে যদি বিস্তৃতভাৱে ভোটাৰ তালিকা সংশোধন নহয় তেতিয়াহলে কোনো ধৰণৰ নিৰ্ব্বাচন অসমত পাতিবলৈ দিয়া নহব। এতিয়া প্ৰশ্ন হ'ল গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে নিৰ্ব্বাচন চিৰদিন বন্ধ ৰাখি কেন্দ্ৰৰ প্ৰতি কোনেও সন্মান জনাব নোৱাৰে। ইতিমধ্যে এই বিধান সভাত কেইবাবাৰো আলোচনা হৈছে।

---

*Speech not corrected

আলোচনা হৈছে। মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে জাউৰিয়ে জাউৰিয়ে প্ৰশ্ন কৰিছে, পঞ্চায়তৰ নিৰ্ব্বাচন কেতিয়া হ'ব? এতিয়া 'আছু'য়ে কৈছে বিস্তৃত সংশোধনী ভোটাৰ নহয় তেতিয়ালৈকে তেওঁলোকে নিৰ্ব্বাচন অসমত পাতিবলৈ নিদিয়ে। সেয়েহে ১৯৮৩ চনৰ নিৰ্ব্বাচন আন্দোলনৰ সময়ত জোৰকৈ অসমৰ ৰাইজৰ মনৰ বিপৰীতে নিৰ্ব্বাচন জাপি দিয়াত কি ঘটনা ঘটিছিল সেই কথা অসমৰ ইতিসাহত সদায় লিখা থাকিব। এতিয়া প্ৰশ্ন হৈছে যে অসম চৰকাৰে নিৰ্ব্বাচনী তৰফৰ পৰা এই ক্ষেত্ৰত ভোটাৰ তালিকা সংশোধনীৰ ক্ষেত্ৰত কেনেধৰণৰ ইংগিত পাইছে, বা পৰামৰ্শ পাইছে। অসম চৰকাৰৰ বা কেন্দ্ৰীয় চৰকাৰৰ নিৰ্ব্বাচনী আয়োগৰ কি ধৰণৰ যোগাযোগ চলি আছে। এইটো ৰাজহুৱা ভাৱে অসম চৰকাৰৰ তৰফৰ পৰা প্ৰকাশ পোৱাটো আৱশ্যক হৈ পৰিছে। তেওঁলোকে এই সম্পৰ্কে এটি ডাঙৰ কথা অভিযোগ আনিছে যে অসম চুক্তি অনুসৰি ধুবুৰী আৰু কৰিমগঞ্জত থকা আন্তঃ ৰাষ্ট্ৰীয় সম্পূৰ্ণ ৰাস্তা নিৰ্মাণৰ কাৰণে অসম চৰকাৰে হেনো ১১ কোটি ৬০ লাখ টকা দাবী জনায় এখন পৰিকল্পনা কেন্দ্ৰীয় চৰকাৰক জমা দিছে। কিন্তু ১১ কোটি ৬০ লাখ টকাৰ পৰিবৰ্ত্তে মাত্ৰ ২ কোটি ২৩ লাখ টকাহে দিছে। এতিয়া এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে অসম আন্দোলনৰ লগত যি চুক্তি কৰিছিল সেই চুক্তি তেওঁলোকে অৱমাননা কৰিছে বা অসমৰ ৰাইজক অপমান কৰিছে বা অসমৰ ৰাইজক বিশ্বাঘাটকতা কৰিছেনে নাই বুলি আমি ভাবিব পাৰোনে নোৱাৰো। ১১ কোটি ঠাইত ২ কোটি দিছে এই সম্পৰ্কে ৰাজহুৱা ভাৱে অসম গণ পৰিষদ চৰকাৰে এটা বিবৃতি দিয়া প্ৰয়োজন বুলি আমি অনুভৱ কৰিছো। আৰু অসম চুক্তি অনুসৰি প্ৰস্তাৱিত তেল শোধনাগাৰ বাবে তেওঁলোকে কৈছে বৰোডা পূৰ্ণ পৰ্য্যায়ৰ পেট্ৰো কেমিকেল কমপ্লেক্স যুক্ত হব লাগিব। আৰু এনে ধৰণৰ কোনো শোধনাগাৰ তেওঁলোকে গ্ৰহণ নকৰে। পেট্ৰো কেমিকেল কমপ্লেক্স হবনে সাধাৰণ ভাৱে এটি ৰিফাইনেৰী হব তেওঁলোকে কোৱা নাই।

Shri Ardhendu Kumar Dey : On a point of order Sir, the matter should be discussed only if it is urgent and of public importance.

Mr. Speaker Sir, it cannot be taken up for discussion now. The matter to be raised now should be urgent public importance. It cannot be discussed now ; your verdict is solicited Sir.

শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মই কৈছো যে ভোটাৰ তালিকা

সংশোধনীৰ ছাত্র সন্থাৰ ২০ তাৰিখৰ নতুন দৈনিক বাতৰিৰ ওপৰত কব বিচাৰিছো। মই ১০ টা বিষয়ৰ ওপৰত কোৱাৰ ৰাইট আছে। মই ২০ টা বিষয়ৰ ওপৰতো কব পাৰো, কোৱাৰ ৰাইট আছে।

মাননীয় অধ্যক্ষ মহোদয়, তাৰ পিচত চতুৰ্থ বিষয়টোত কৈছে যে কেন্দ্ৰীয় চৰকাৰৰ শ্ৰীপি, ভি, নৰসিংহ ৰাওক স্মাৰক পত্ৰ প্ৰদান কৰিছে। কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু আই. আই, টি আৰম্ভ কৰিব কাৰণে দাবী কৰিছে কেন্দ্ৰীয় বিশ্ববিদ্যালয় ক'ত হব আৰু আই, আই, টি ক'ত হব. কেতিয়া কাম আৰম্ভ কৰিব। এই বিষয়ে ৰাজহুৱা ভাৱে চৰকাৰৰ মনৰ কথা প্ৰকাশ কৰিব বুলি অনুভৱ কৰিছো। শেষত ক'ল ইণ্ডিয়া পাটকাই প্ৰত্নষৰ্ণৰ দাবী জনাইছে। এই গোটেই কেইটা জৰুৰী বিষয়। এইখিনি কথাই তেওঁলোকে দাবী কৰিছে আৰু এই ক্ষেত্ৰত অসম গণ পৰিষদৰ মনৰ কথা ৰাজহুৱা ভাৱে বা বিবৃতি যোগে আজি এই সদনত প্ৰকাশ কৰিবৰ কাৰণে অনুৰোধ জনালো।

**অধ্যক্ষ** : এতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰতিবেদন দাখিল কৰিব।

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )** : মাননীয় অধ্যক্ষ, মহোদয় ১৯৬৬ চনৰ ভোটাৰ তালিকাক খচৰা তালিকা হিচাপেলৈ অসমৰ ভোটাৰ তালিকা সংশোধন কৰাৰ প্ৰস্তাৱ নিৰ্ব্বাচনী আয়োগলৈ ১৩-২-৮৭ তাৰিখে ই-এল-ই ৮৯/৮৬ ১৩৩ নং চিঠিযোগে পঠোৱা হৈছিল। তাৰ ফ'টো কপি এটা পৰিশিৰষ্ট—১৩ দিয়া হৈছে। অসমৰ মুখ্যমন্ত্ৰীয়েও নতুন দিল্লীস্থ মুখ্য নিৰ্ব্বাচনী আয়ুক্ত শ্ৰীআৰ-ডি-এছ পেৰিশাস্ত্ৰীলৈ ডি-ও চিঠি এখন লিখিছিল। সেই ই-এল-ই ৮৯/৮৬।১৮৪ নম্বৰৰ ১১-১২-৮৭ তাৰিখৰ চিঠিখনৰ ফ'টো কপি এটাও পৰিশিষ্ট-২৩ গাঠি দিয়া হৈছে। ১৯৬৬ চনৰ ভোটাৰ তালিকাক ভিত্তি তালিকা হিচাপেলৈ অসমৰ ভোটাৰ তালিকা সংশোধনৰ ধৰন কৰণ বা "মডেলিটি" সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে প্ৰধান মন্ত্ৰীলৈও এখন ডি-ও চিঠি পঠাইছিল। তাৰো ফ'টো কপি এটা পৰিশিষ্ট ৩-ত দিয়া হৈছে।

নতুন দিল্লীৰ পৰা নিৰ্ব্বাচনী আয়োগে ১৪-২-৮৮ তাৰিখে পঠিওৱা এটা বাৰ্ত্তাত কৈছেযে আয়োগে ইতিমধ্যে বিষয়টো হাতত লৈছে আৰু লগতে জনাইছে যে—সংশ্লিষ্ট কিছুমান আইনগত বিষয়ৰ ক্ষেত্ৰত মতামত লোৱাৰ কাৰণে গৃহমন্ত্ৰালয়ৰ লৈতে যোগাযোগ কৰি আছে। যোৱা ২৪-২-৮৮ তাৰিখৰ উক্ত ২৩/এ-এছ/-৮৮/৫৪০১ নং বাৰ্ত্তাৰ ফ'টো কপি এটা পৰিশিষ্ট ৯ত গাঠি দিয়া হৈছে।

*Speech not corrected

মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ গৃহমন্ত্ৰণালয়ৰ পৰা উপযুক্ত সহাৰি নোপোৱাৰ কাৰণেই কাম আৰম্ভ কৰিব পৰা হোৱা নাই বুলি কৈছে আৰু এই বিষয়ে গৃহমন্ত্ৰণালয়ৰ পৰা সিদ্ধান্ত পোৱাৰ লগে লগেই অসম চৰকাৰক জনাব বুলিও কৈছে।

তাৰ পিছত মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ সম্পৰ্কত কোৱা হৈছে যে, "অসমত প্ৰস্তাবিত কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ বাবে তেজপুৰৰ ওচৰত নপামত ঠাই বাচনি কৰা হৈছে আৰু ঠাই বাচনিৰ কথা কেন্দ্ৰীয় চৰকাৰক জনোৱা হৈছে। এই মাটিৰ পৰিমাণ ৩০০ একৰ, মাটি অধিগ্ৰহণৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ইতিমধ্যে ভাৰত চৰকাৰে কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ বাবে এক প্ৰজেক্ট কমিটি গঠন কৰি দিছিল আৰু কমিটিয়ে তেওঁলোকৰ প্ৰকল্প প্ৰতিবেদন দাখিল কৰিছে। সেই কমিটিয়ে কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ বাবে এখন খচৰা আইনো দাখিল কৰিছে"

মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ পিছত 'আই, আই,টি'ৰ সম্পৰ্কত কওঁ যে, নগাওঁ জিলাৰ মিছাত কেন্দ্ৰীয় 'চাইট চিলেকশ্বন কমিটিয়ে আই, আই টি স্থাপনৰ বাবে মনোনীত কৰা মাটিৰ এটা প্ৰস্তাৱ ৰাজহ বিভাগ আৰু ভাৰত চৰকাৰলৈ পঠিওৱা হৈছিল। সেই প্ৰস্তাৱিত ১৯০৯ বিঘা ৯ লেছা মাটিৰ অধিগ্ৰহণৰ কথা আছিল। ইতিমধ্যে যোৱা ১৬ আৰু ১৭ ফেব্ৰুৱাৰী, ৮৮ তাৰিখে এই প্ৰস্তাৱিত আই, আই, টিৰ প্ৰজেক্ট ডিৰেক্টৰ আৰু ভাৰত চৰকাৰৰ আৰ্কিটেক্টে এই মাটি পৰিদৰ্শন কৰি প্ৰস্তাৱিত এটুকুৰা মাটিৰ ওপৰেদি 'হাই টেন্‌শ্বন ইলেক্টি্ক লাইন' যোৱা বাবে আগৰ প্ৰস্তাৱিত মাটিৰ অলপ সাল সলনি বিছাৰে। এই সাল সলনি মতে তাত অধিগ্ৰহণ কৰিবলগীয়া মুঠ মাটিৰ পৰিমাণ হব ২ হেজাৰ ৫৭ বিঘা ৩ কঠা ১৭ লেছা। এই নতুন প্ৰস্তাৱিত মাটিৰ ভিতৰত আগৰ প্ৰস্তাৱিত মাটিও অন্তৰ্ভুক্ত। নতুন অংশৰ বাবে অধিগ্ৰহণৰ কাগজ পত্ৰ নগাওঁ জিলাৰ উপায়ুক্তই সাজু কৰিছে। ইতিমধ্যে আগৰ প্ৰস্তাৱৰ বিপৰীতে ভাৰতচৰকাৰে অধিগ্ৰহণৰ খৰছ বাবদ ২ কোটি ৭৪ লাখ ৭৬ হাজাৰ ৪শ ৯০ টকা অসম চৰকাৰক মঞ্জুৰী দিছে।

গুৱাহাটীত এই আই, আই, টিৰ এটা চিটি চেণ্টাৰৰ বাবে বেলতলা মৌজাৰ বেতকুছি গাৱঁত ৫ ১৬ বিঘা ৪ কঠা মাটিৰ এটা প্ৰস্তাৱ উপায়ুক্তৰ পৰা পোৱা গৈছে। এই প্ৰস্তাৱ বৰ্ত্তমান পৰীক্ষাধীন হৈ আছে আৰু অচিৰেই এই প্ৰস্তাৱ ভাৰতচৰকাৰলৈ অধিগ্ৰহণৰ টকা মঞ্জুৰীৰ বাবে পঠোৱা হব।

ভাৰত চৰকাৰে ইতিমধ্যে এই আই, আই, টিৰ বাবে এটা প্ৰজেক্ট কমিটি

গঠন কৰি দিছে। আৰু সেই প্ৰজেক্ট কমিটিৰ প্ৰথম বৈঠক যোৱা ১৮ জানুৱাৰী, ৮৮ তাৰিখত নতুন দিল্লীত অনুষ্ঠিত হৈ যায়। এই প্ৰজেক্ট কমিটিয়ে আই, আই, টিৰ শিক্ষা দানৰ বিভাগ ( একাডেমিক ডিভিজন ) কোন বিষয় পঢ়োৱা উচিত হব ইত্যাদিকে ধৰি যাৱতীয় প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰিব।

"On examination of the whole matter the State Government expressed its desire to have a revision of electoral rolls with 1.1.87 as the qualifying date taking the 1966 electoral rolls duly bridged with pre-1966 electoral rolls as the draft roll. The State Government elaborated its views on the above points for acceptance of 1966 (duly bridged) electoral rolls as the draft rolls on the following grounds :—

1) That under the Assam Accord, the period between 1.1.66 and 24.3.71 contain the foreigners who came to Assam during that period. Under clauses 5.3 and 5.4 of the Accord read with Section 6 A (3) of the Citizenship ( Amendment ) Act 1985, these persons once detected should be deleted from the electoral rolls of 1985, and thereafter they should be dis-enfranchised. The electoral rolls of 1985 might contain the names of such persons as aforesaid since the electoral rolls were revised for a number of times after 1.1.66 and even in the last revision residency prior to 24.3.71 was the main criterion. Even if such persons are not detected/dis-enfranchised these persons can't shake off their "foreigner" character and would make the electoral rolls incorrect.

2) Due to similar situation before the 1985 revision of electoral rolls all the persons registered in 1971 or pre-1971 electoral rolls were taken into the 1985 electoral rolls provided their eligibility were not objected to and accepted by the Electoral Registration Officer. While on the other the eligibility of all the persons in the post 1971 rolls were intensively scrutinised before their registration in the electoral rolls of 1985. The State Government expressed that the same situation still exists but with a different base. The presumption in favour of 1971 rolls existing

earlier has been shifted to 1966 rolls in view of the Assam Accord and consequential amendment to the citizenship Act. As a result whatever sanctity 1971 electoral rolls had during 1985 revision stands transferred to the 1966 electoral rolls.

3) The State Government are further of the view that a person must be a citizen of India to be enrolled in the electoral roll under provisions of the Article 326 of the constitution of India. Similarly Section 16 (1) of the R.O.P. Act 1950 provides that a person would be disqualified from registration in the electoral roll if he/she is not a citizen of India. These two provisions therefore allow that Indians and only Indians to be registered in the electoral rolls. This condition of enrolment can therefore only be satisfied by the acceptance of 1966 electoral rolls and not 1985 electoral rolls as the draft roll.

4) In view of the above views of the State Goverment, Commision is therefore requested to reconsider the matter and allow the 1966 electoral rolls duly bridged with pre-1966 electoral rolls to be used as the draft rolls for the proposed revision of electoral rolls in the State."

Earlier I also wrote to Shri R.V.S. Peri Sastri, Chief Election Commissioner of India under my D.O. No. ELE. 89/86/184 dt. 11th December 1987,

Message received from Secretary, Election Commission, Delhi to our Chief Electoral officer, Assam on 24.2.88 reads : "Refer your message No. ELE.89/86/209 dated 19th instant regarding revision of electoral rolls in Assam. Commission is already seized of the issue. It has taken up matter with Ministry of Home Affairs to obtain their views on certain legal issues involved. Commission will communicate its decision as soon as views of Ministry of Home Affairs are received."

As per the Assam Accord, the Government of Assam have been pressing the Government of India to expedite the setting up of the fourth refinery in Assam. The corporate structure of the refinery has been a basic issue on

which agreement is still awaited. Initially, the Centre wanted the refinery to be in the Private Sector, though the Assam Government apprehended delay if a private party was involved. Still, the Assam Government agreed to a Joint-Sector structure with the two Government's (or with the Assam Government and a Central Oil Company. )

Subsequently, the Centre communicated its decision to set up the refinery in the Central Joint-Sector. The Assam Government agreed to this changed position also, but insisted on its own participation, envisaging a seperate corporate structure as in the earlier Joint-Sector concept. During his visit to Guwahati, on 5.12 87 the Petroleum Secretary Government of India formally suggested exclusion of the private party, and clarified that the State Government could participate. Then, however, the Minister of State, Petroleum and Natural Gas, wrote to me on 5.1.88 that the refinery was being considered for the Central Sector. During follow-up discussions at Delhi on 12.1.88, in this connection, the Secretary ( Petroleum ) clarified that the Centre was open to the State Government's participation, but indicated a doubt that this may increase costs.

Thereafer, I wrote to the Minister of State, Petroleum on 28.1.88, asking for confirmation about the State Government's equity participation. I also wrote to the Prime Minister on 14.3.88, reiterating Assam Government's insistence on its equity participation, under a new corporate structure. I also met the Prime Minister personally in this regard at New Delhi on 18.1.88.

Regarding the Petrochemical Complex, the Minister of State (Petroleum) wrote to me on 5.1.88, that the setting up of a Petrochemical refinery may not be feasible at present. The matter was subsequently considerd by the Standing Advisory Committee, on 12.2.88. The Committee advised that the pretrochemical component be delinked from the Refinery, but examined along with the AIDC's proposed gas-based Petrochemical Project, for which a pre-investment feasibility report has already been prepared by

Engineers India Limited. The AIDC has also submitted application for Letter of Intent for the project, which is under consideration by the Department of Petrochemicals, Ministry of Industry. AIDC has also engaged Tata Economic and Consultancy Services to conduct a detailed market survey, which is going on.

মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ পিছত সম্পূৰ্ণ গোৰাৰ পিছতহে গোটেই কথাখিনি কব পৰা হব।

মাননীয় অধ্যক্ষ : ইয়াৰ পিছত আমাৰ মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ণ দে, শ্ৰীগণেশ কুতুম আৰু শ্ৰীছাহিদুল ইছলাম ডাঙৰীয়াই পঞ্চায়ত কৰ্মচাৰীসকলৰ অনশন ধৰ্মঘট সন্দৰ্ভত তেখেত সকলৰ বক্তব্য ৰাখিব।

শ্ৰীৰমেন্দ্ৰ দে : মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত কৰ্মচারীর দীর্ঘদিন থেকে আসাম রাজ্যে চাকরী করছে। দীর্ঘদিন থেকে ভিন্ন ভিন্ন ভাবে আসাম বিধান সভায় তাদের চাকুরী সরকারীকরন করার ব্যাপারে প্রস্তাব এসেছে এবং প্রত্যেকটি আলোচনার সময় সরকার বলেছেন যে কিন্তু সরকার কিছুই করছেন না। আমি প্রথমে বলব যে যেহেতু আসাম রাজ্যের জনসাধারনের কাজ করার ক্ষেত্রে পঞ্চায়ত সরকারের হাতে একটা অন্যতম প্রতিষ্ঠান এই প্রতিষ্ঠানের কর্মচারীরা যাতে সরকারী কৰ্মচাৰী হিসাবে সুযোগ সুবিধা লাভ করে যাতে আসাম সরকারের গ্রামদ্যোগ সম্পর্কীয় কাজ-কর্ম পরিচালনা করাব ক্ষেত্রে বা অন্যান্য উন্নয়ন মূলক কাজ কর্ম পরিচালনা করার ক্ষেত্রে তারা সহায়ক হ'ন।

আমার প্রথম প্রস্তার : পঞ্চায়ত কর্মচারীদের চাকুরী সরকারী করন করার ব্যাপারে যেন সরকার সিদ্ধান্ত গ্রহণ করেন।

দ্বিতীয়ত : বিগত ৪০-৪৫ মাস থেকে এই পঞ্চায়ত কর্মচারীরা যে-বেতন পাচ্ছেন না তাদের বেতন দেওয়ার ব্যবস্থা করেন। কারন বর্তমানে তারা গ্রামাঞ্চলের লোকদের থেকে যে টেক্স আদায় হয় এই টাকা থেকে বেতন পাচ্ছেন। কারন তাদের চাকরী সরকারী নয়। এই গরীব কর্মচারীরা ৪০-৪৫ মাস থেকে বেতন না পেলে কি করে চলবে? সুতরাং তাদের চাকরী সরকারীকরন না হওয়া পর্য্যন্ত তাদেরে সরকারের বিশেষ তহবিল থেকে টাকা সংগ্রহ করে এই সব কর্মচারীদেরকে যেন বেতন দেওয়া হয়। আমি আশাকরি সরকার এই সিদ্ধান্ত নিবেন এবং সর্বশেষে আমি আবেদন করব যে পঞ্চায়ত কর্মচারীদের বিষয়টি সহানুভূতি-

শীল্ হয়ে আলাপ আলোচনা ক্রমে তাদের সমস্যা সমাধান করার ব্যাপারে সরকার সিদ্ধান্ত গ্রহণ করেন।

পঞ্চায়ত প্রশাসনকে অকেতো রেখে—গ্রামাঞ্চলে গ্রামদ্যোগ ও গ্রাম-উন্নয়নের কাজ কর্ম সুষ্ঠ ভাবে করা সম্ভবপর নয়। গ্রামাঞ্চলে গাঁও পঞ্চায়েতই গ্রামাকলের উন্নয়নমূলক কাজ যুক্ত করার বা রাখার ও জনগণকে প্রশাসনের যুক্ত করার একমাত্র প্রতিষ্ঠান। সে প্রতিষ্ঠান পরিচালনার ক্ষেত্রে কর্মচারীরদের অবদান অপরীসিম বিশের করে Adhocism এর যুগে।

আমি বিশ্বাস করবো যে সরকার আতিসত্বর ৪০।৪৫ মাসের বকায়া বেতন দেওয়ার ব্যবস্থা করবেন এবং সংগে সংগে কর্মচারীদের চাকুরী সরকারী করন করার পদক্ষেপ গ্রহন করেন।

(শ্রীগণেশ কুতুম, মাননীয় সদস্য উপস্থিত নথকাৰ কাৰণে মাননীয় সদস্য শ্রীছাহিদুল ইছলাম ডাণ্ডৰীয়াই বক্তব্য ৰাখে।)

শ্রীছাহিদুল ইছলাম ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি পঞ্চায়ত কৰ্মচাৰী সন্থাই তেখেত সকলৰ দাবীৰ সন্দৰ্ভত যি প্ৰতীক অনশন ধৰ্মঘট কৰিছে সেই বিষয়ে মই আমাৰ মাননীয় মুখ্যমন্ত্ৰী আৰু মাননীয় পঞ্চায়ত মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি দুটামান কথা কব খুজিছো।

মাননীয় অধ্যক্ষ মহোদয়, স্বাধীনতাৰ আজি ইমান বছৰৰ পিছতো পঞ্চায়ত কৰ্মচাৰীসকলৰ সমস্যা বিলাক সমাধান হোৱা নাই। আজি অসমত গণ পৰিষদ চৰকাৰ অহা দুবছৰ হৈছে। আমি আশা কৰিছো, এই নতুন চৰকাৰে ভাৰত বৰ্ষৰ অনান্য ৰাজ্য যেনে, পশ্চিম বঙ্গ, উৰিষ্যা ইত্যাদিৰ নিছিনাকৈ অসমৰ পঞ্চায়ত কৰ্মচাৰী সকলৰো বিভিন্ন দাবী সমূহ পূৰণ কৰিব। একোজন কৰ্মচাৰীয়ে একেৰাহে ৩০।৪০ মাহ দৰ্মহা নেপালে কেনেকৈ জীৱাই থাকিব পাৰে সেইটো সকলোৰে সহজে অনুমেয়। আমাৰ এটা কথা আছে, 'আগতে চাউলৰ কথা, পিছতহে হৰিৰ কথা।' গতিকে সেই পিনৰ পৰা মই আমাৰ মাননীয় মুখ্য-মন্ত্ৰীৰ তথা বিত্ত মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে তেখেতে পঞ্চায়ত কৰ্মচাৰী সকলৰ পাবলগীয়া দৰ্মহা পোৱাৰ ক্ষেত্ৰত তত্‌পৰ হয়। তাৰোপৰি, চৰকাৰী কৰণৰ প্ৰশ্নটো আছেই। মই আশা কৰিছো, আমাৰ চৰকাৰে পঞ্চায়ত কৰ্মচাৰী সকলৰ এই দাবী সমূহ পূৰণ কৰিব পাৰিলে ই ভাৰতবৰ্ষৰ ভিতৰতে তেখেত সকলে কৰা কামৰ ভিতৰত উল্লেখনীয় কাম হব। মোৰ কবলগীয়া এই খিনিয়েই।

শ্রীচন্দ্ৰ আৰণধৰা, (মন্ত্ৰী পঞ্চায়ত) ঃ মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত কৰ্ম্মচাৰী

সকলৰ বিভিন্ন দাবীৰ সন্দৰ্ভত যোৱা ডেৰ বছৰৰো অধিক কাল সন্থাৰ লগত মাজে মাজে আলোচনা কৰা হৈছে। আমাৰ চৰকাৰ ক্ষমতালৈ অহাৰ সময়ত এই কৰ্ম্মচাৰী সকলক ৪৫ মাহৰ দৰমহা দিবলৈ বাকী আছিল। গোটেই বিষয়টো মানৱতাৰ দিশৰ পৰা বিবেচনা কৰি, যোৱা বছৰ মন্ত্ৰী সভাত আলোচনা কৰি তেওঁলোকক এক কোটিৰো অধিক টকা বকেয়া দৰমহা হিচাবে আদায় দিয়া হৈছে। পঞ্চায়ত কৰ্ম্মচাৰীসকলৰ অনান্য দাবীৰ ভিতৰত মূল দাবী হৈছে দুটা, এটা হৈছে বকেয়া দৰমহা আদয় দিয়া আনটো হৈছে তেওঁলোকৰ চাকৰি চৰকাৰী কৰণ কৰা। মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ দেই কৈছে যে পঞ্চায়ত কৰ্ম্মচাৰীসকলক চৰকাৰে পোনপটীয়াকৈ দৰমহা দিয়াৰ ব্যৱস্থা নাই। পঞ্চায়ত এটা স্বতন্ত্ৰীয়া স্বায়ত্ব শাসিত গোট। তেওঁলোকে বিভিন্ন উপায়েৰে সংগ্ৰহ কৰা কৰ-কাটলৰ পৰাই তেওঁলোকক দৰমহা দিয়া হয়। এতিয়া প্ৰশ্ন হৈছে এই কৰ্ম্মচাৰীসকলক বকেয়া দৰমহা দিয়াৰ বিষয়ত আৰু কি ব্যৱস্থা লোৱা হৈছে এই বিষয়ত সদৌ অসম পঞ্চায়ত কৰ্ম্মচাৰীসকলৰ লগত মই পঞ্চায়ত মন্ত্ৰী হিচাবে তেওঁলোকৰ লগত আলোচনাত বহিছো। মই এই বিষয়টো মাননীয় মুখ্য-মন্ত্ৰী তথা বিত্ত মন্ত্ৰীৰ ওচৰতো উত্থাপন কৰিছো, আলোচনা কৰিছো। কিন্তু বিত্তমন্ত্ৰীয়ে কৈছে যে পঞ্চায়ত কৰ্ম্মচাৰী সকলক বকেয়া দৰমহা দিয়াৰ কাৰণে চৰকাৰৰ পুঁজিৰ অভাব। যিহেতু বিত্ত বিভাগে এই ক্ষেত্ৰত পুঁজিৰ অভাৱ বুলি কৈছে সেয়ে মই তেওঁলোকৰ দৰমহাৰ ক্ষেত্ৰত একো সিদ্ধান্ত দিব নোৱাৰো। আন-হাতে তেওঁলোকৰ চাকৰি চৰকাৰীকৰণ কৰাৰ বিষয়ত মন্ত্ৰী সভাতো আলো-চনা কৰা হৈছিল—কিন্তু তেখেতসকলৰ চাকৰি চৰকাৰীকৰণ কৰিলে পঞ্চায়তৰ যি স্বকীয় বৈশিষ্ট, স্বতন্ত্ৰীয়া ৰূপ সেইটো নোহোৱা হৈ পৰিব। যি উদ্দেশ্য আগত ৰাখি পঞ্চায়ত গঠন কৰা হৈছে সেই উদ্দেশ্যত বাধা পৰিব। সেয়ে এইটো কৰাত অসুবিধা হব। অৱশ্যে গাওঁ পঞ্চায়ত সমূহৰ সম্পাদক সকলৰ চাকৰি চৰকাৰীকৰন কৰাৰ সিদ্ধান্ত চৰকাৰে নীতিগত ভাবে গ্ৰহণ কৰিছে। তিনি খলপীয়া পঞ্চায়ত ব্যৱস্থা প্ৰৱৰ্ত্তন হলেই এই ক্ষেত্ৰত কামত আগ বঢ়া হব। স্বাধীনতাৰ পিচত মহাত্মা গান্ধীজীৰ আদৰ্শ আগত ৰাখি যি মহান উদ্দেশ্যেৰে গাওঁ উন্নয়নৰ কাৰণে এই স্বায়ত্ব শাসিত পঞ্চায়ত অনুস্থানটো গঠন কৰা হৈছিল, মই বিভাগীয় মন্ত্ৰী হিচাবে ইয়াৰ স্বকীয় বৈশিষ্ট বজায় ৰখা বা বাহাল ৰখাটোহে ভাল বুলি ভাবিছো।

Mr. Speaker : I have received two notices of privilege—one from Hon'ble member Shri Zoii Nath Sarma against

the Editor Reporter of 'Natun Dainik' and the other from the Leader of the Opposition moved against the Home Misnister. These are under my examination and will be taken up in due course. Now, item No. 2 :

## Call Attention Notice

শ্ৰীভৰত নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৮৮ চনৰ ১১ মাৰ্চ তাৰিখে অসম বাণী কাকতত প্ৰকাশিত 'অসম উদ্যোগিক নিগমত কেলেংকাৰী ঃ ১২০ কোটি টকাৰ প্ৰকল্পত কোন ?' শীৰ্ষক বাতৰিটোৰ প্ৰতি উদ্যোগ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিছো।

অধ্যক্ষ ঃ মাননীয় উদ্যোগ মন্ত্ৰী।

শ্ৰীদীগেন বৰা (উদ্যোগ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ ১৯৮৬ চনৰ উদ্যোগনীতি অনুসৰি "অসম উদ্যোগিক উন্নয়ন নিগম"ৰ পুন ঃ বিনিয়োজন আচনিৰ অধীনত আৰু সাহায্যপ্ৰাপ্ত খণ্ডৰ অধীনত মুঠ ২৩টা মজলীয়া উদ্যোগত বিভিন্ন উদ্যোগ প্ৰতিষ্ঠাৰ বাবে দিয়া হৈছে। তাৰ ভিতৰত সাহাৰ্য্যপ্ৰাপ্ত খণ্ডৰ ১০টা প্ৰতিষ্ঠানত নিগমে স্থায়ী মূলধনৰ অংশত যোগদান কৰিছে।

এই ২৩ টা উদ্যোগৰ ভিতৰত ইতিমধ্যে ৫টা উদ্যোগৰ কাম সম্পূৰ্ণ হৈছে। বাকী ১৮ টা উদ্যোগ ১৯৮৮-৮৯ চনৰ ভিতৰতে সম্পূৰ্ণ হোৱাৰ আশা কৰা হৈছে। এই গোটেইকেইটা উদ্যোগৰ মাটিৰ ব্যৱস্থা কৰা হৈছে আৰু অনুজ্ঞাপত্ৰ পোৱা হৈছে।

ৰাজ্যচৰকাৰ আৰু বিভিন্ন অনুষ্ঠানৰ সহযোগিতাত ৩৯ কোটি টকাৰ এটা প্ৰকল্প স্থাপন কৰা হৈছে। এই প্ৰকল্পৰ trial run চলি আছে। যোৱা দুবছৰৰ ভিতৰত নিগমে ঋণকে ধৰি বিভিন্ন অৰ্থসাহাৰ্য্য প্ৰায় ১৯.৯০ কোটি টকা আগবঢ়াইছে।

বৃহৎ উদ্যোগ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অসম একেবাৰে সীমান্তৱৰ্ত্তী অঞ্চলত পৰা কাৰণে আৰু আমাৰ দেশৰ প্ৰধান উদ্যোগ প্ৰতিষ্ঠান আৰু কেন্দ্ৰৰ পৰা যথেষ্ট দূৰত অৱস্থিত হোৱাৰ বাবে আৰু ৰাজ্য যাতায়তৰ অসুবিধাৰ কাৰণে আৰু উদ্যোগিক পৰিবেশৰ অভাৱৰ বাবে, ভাৰতৰ উদ্যোগ প্ৰধান অঞ্চলৰ বাবে এটা বৃহৎ উদ্যোগ স্থাপন কৰোতে যিমান সময়ৰ প্ৰয়োজন হয়, তাতকৈ অসমত বহু বেছি সময়ৰ প্ৰয়োজন হয়।

তাৰোপৰি এনেবিলাক অসুবিধাৰ বাবে স্বাধীনতাৰ যোৱা ৪০ বছৰত

ব্যক্তিগত আৰু যুটীয়া খণ্ডত কোনো এটা বৃহৎ উদ্যোগ আজিলৈকে গঢ়ি উঠা নাই। একমাত্র কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ তৰফৰ পৰা এনেধৰণৰ উদ্যোগ স্থাপন কৰা হৈছে।

২• কোটি টকা খৰচ কৰি নিৰ্মান কৰিবলৈ লোৱা GPGC Street প্ৰকল্পৰ সম্পৰ্কে সদনত অহা ৩১ মাৰ্চত অন্য এটা দৃষ্টি আকৰ্ষণকাৰী জাননী আছে, এই প্ৰকল্পৰ বিষয়ে বিতং বিৱৰণী উক্ত তাৰিখে দাখিল কৰা হ'ব।

বাতৰিত উল্লেখিত বছৰি ৬০০০ মেট্ৰিক টন ক্ষমতাসম্পন্ন Polyester Filament yarn প্ৰকল্পটো যুটীয়া খণ্ডত আৰম্ভ কৰিবলৈ ১৬-২-৮৬ তাৰিখে Sentinel বাতৰি কাকতত, ১৯-২-৮৬ আৰু ২১-২-৮৬ তাৰিখে Economic Times ত, ২১-২-৮৬ তাৰিখে Assam Tribune ত আৰু ২৬- -৮৬ তাৰিখে Financial Express কাকতত ৰাজহুৱা জাননী প্ৰকাশ হৈছিল। উক্ত জাননীৰ প্ৰতি ৮টা গোষ্ঠিৰ পৰা সহাৰি পোৱা হয়।

ইয়াৰ পাচত নিগমৰ কাৰিকৰী কমিটীয়ে বিভিন্ন দিশ পৰীক্ষা কৰি আৰ্থ কাৰিকৰী দিশৰ ফালৰ পৰা বছৰি ১৫০০ মেট্ৰিক টন প্ৰকল্প কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেইমৰ্মে, দ্বিতীয়খন জাননী দিয়া হ'ল।

এই জাননী Assam tribuneত ২৭-৬-৮৬ তাৰিখে, Sentinel ত ২১-৬-৮৬ তাৰিখে, Indian Express ত ২৮।৬।৮৬ তাৰিখে আৰু Financial Express ত ২৮।৬।৮৬ তাৰিখে প্ৰকাশ হয় আৰু তিনিটা Party আছে।

চৰকাৰৰ উদ্যোগ বিভাগে এই গোটেইবিলাক সহযোগী প্ৰাৰ্থীয়ে দাখিল কৰা কাগজ-পত্ৰসমূহ পৰীক্ষা-নিৰীক্ষা কৰি আৱশ্যকীয় মনোনয়ন জনাবৰ বাবে এখন কাৰিকৰী কমিটী গঠন কৰে। এই কমিটীৰ সদস্যসকল হ'ল ঃ

১। Shri P.C. Mahanta, Then Director of Industries.
২। Shri G.P. Gupta, GM, IDBI.
৩। Shri H. Khaund, Chartered Accountant.
৪। Shri K. Cherian, MD. APL.
৫। Shri B.M. Agarwal, Asstt. G.M. IFCI.
৬। Shri N. Buragohain, MD, AIDC.
৭। উদ্যোগ বিভাগৰ অতিৰিক্ত অথবা যুটীয়া সচিব।

এই কাৰিকৰী কমিটীয়ে সকলো দিশ বিবেচনা কাৰ আৰু সকলো প্ৰাৰ্থীয়ে দাখিল কৰা কামৰ পুংখানুপুংখ ভাবে বিচাৰ কৰে আৰু Bombay Silk Mill ৰ পৰিচালক সঞ্চালক শ্ৰীএইচ, ডি, ব্যাসক তেওঁৰ প্ৰতিষ্ঠানৰ কাম-কাজৰ সংক্ৰান্তত প্ৰতিবেদন দিবলৈ পৰামৰ্শ আগবঢ়ায়।

তেতিয়াৰ উদ্যোগ সঞ্চালক শ্ৰীপি, সি, মহন্ত, শ্ৰীএইচ খাউণ্ড, চাটাৰ্ড একাউটেণ্ট আৰু অসম উদ্যোগিক উন্নয়ন নিগমৰ পৰিচালক সঞ্চালককলৈ উপকমিটী হিচাপে বোম্বাইলৈ গৈ শ্ৰীব্যাস আৰু Bombay Silk Millsৰ কাম কাজ চাই আৱশ্যকীয় তথ্য সংগ্ৰহ কৰে আৰু IDBIৰ চেয়াৰমেনৰ লগত আলোচনা কৰে। IDBI ৰ Chairman এ অন্যকোনো প্ৰাৰ্থীৰ নাম উল্লেখ কৰিব নোৱাৰিলে।

কাৰিকৰি কমিটীয়ে উপকমিটীৰ দ্বাৰা দাখিল কৰা প্ৰতিবেদনৰ ওপৰত আলোচনা কৰি Bombay Silk mill ক এই প্ৰকল্পটো কৰিবলৈ AIDC ৰ যুটীয়া সহযোগী হিচাবে মনোনয়ন কৰে। কাৰিকৰী কমিটীৰ এই মনোনয়ন চৰকাৰৰ উদ্যোগ আয়ুক্তৰ সভাপতিত্বত গঠিত আন এখন উচ্চ পৰ্যায়ৰ নিবিদা কমিটীক পুংখানুপুংখ ভাবে বিচাৰৰ বাবে দিয়া হয়। এই নিবিদা কমিটীৰ অন্যান্য সদস্যসকল হ'ল এনেধৰণৰ ঃ

১। শ্ৰীএচ, কবিলন, বৃত্ত সচিব, অসম।

২। শ্ৰীপি-চি মহন্ত, উদ্যোগ সঞ্চালক, অসম।

৩। শ্ৰীএন, বুঢ়াগোহাই, পৰিচালক সঞ্চালক, AIDC

৪। শ্ৰীএইচ খাউণ্ড, চাটাৰ্ড একাউটেণ্ট।

৫। শ্ৰীজি-পি-গুপ্তা, G.M. IDBI

৬। শ্ৰীকে, চেৰিয়ান, MD, APL।

৭। ডাঃ জে, বৰুৱা, Director, RRL, Jorhat।

এই নিবিদা কমিটীয়ে Bombay Silk mill ৰ অভিজ্ঞতা, আৰ্থিক অৱস্থা আদিৰ ওপৰত বিতংভাবে আলোচনা কৰি কাৰিকৰী কমিটীয়ে আগবঢ়োৱা মনোনয়ন গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লয়।

নিগমৰ সঞ্চালক মণ্ডলীয়ে ৩০।১০।৮৬ তাৰিখে এই প্ৰকল্পৰ বাবে Bombay Silk Mill ৰ ক যুটীয়া অংশীদাৰ হিচাপে অনুমোদন জনায়।

সঞ্চালক মণ্ডলীৰ সিদ্ধান্তক্ৰমে ১৯৮৭ চনৰ ৩ মাৰ্চ তাৰিখে Bombay Silk Mill ৰ লগত AIDC এই প্ৰকল্পৰ বাবে যুটীয়াখণ্ডৰ চুক্তি পত্ৰ সম্পাদন কৰে। Bombay Silk Mill ৰ হৈ উক্ত কোম্পানীৰ পৰিচালক সঞ্চালক শ্ৰীহেমণ্ট, ব্যাসে সেই কোম্পানীৰ সঞ্চালক মণ্ডলীৰ নিৰ্দেশক্ৰমে উক্ত চুক্তি-পত্ৰত স্বাক্ষৰ কৰে।

বাতৰিত প্ৰকাশ হোৱামতে এই প্ৰকল্পৰ বাবে Bombay Silk Mill ৰ মাঙ্গলিকজনক নিৰ্বাচন কৰা হোৱা নাছিল। কিন্তু Bombay Silk Millক হে

নিৰ্বাচন কৰি এই চুক্তি সম্পাদন কৰা হয়।

এই সম্পৰ্কত ১৯৫৬ চনত কোম্পানী আইনৰ নিয়মাৱলী বিষয়ে অজ্ঞ হোৱাৰ বাবেহে বাতৰি কাকতত এনেধৰণৰ অসত্য প্ৰচাৰ কৰা পৰিলক্ষিত হৈছে। নতুন প্ৰকল্পটো যুটীয়া খণ্ডত কৰিবলৈ চলিত কোম্পানী আইনমতে এটা নতুন কোম্পানী কৰা দৰকাৰ আৰু সেই মৰ্মে এটা নতুন কোম্পানী— "Prag Bosimi synthetics Ltd." ১৯৮৭ চনৰ ৩১ জুলাই তাৰিখে কোম্পানী ৰেজিষ্টাৰৰ অধীনত পঞ্জীভুক্ত কৰা হয়। যুটীয়াখণ্ডৰ চলিত নিয়ম-নীতি অনু-সৰি যুটীয়া সহযোগী প্ৰতিষ্ঠানটোক এনেধৰণৰ প্ৰকল্পবোৰৰ পৰিচালনাৰ দায়িত্ব প্ৰদান কৰিব লাগে। সেই মৰ্মে Bombay Silk Mill এ Prag Bosimi Syntheticsৰ দৈনন্দিন পৰিচালনা কৰিব আৰু Bombay Silk Mill ৰ পৰিচালনা সঞ্চালক শ্ৰীহেমন্ত ব্যাসে Prag Bosimi Synhtetics ৰ পৰিচালনা সঞ্চালক হিচাপে নিৰ্দ্ধাৰিত কাৰ্য্যকলাপ চলাব।

উক্ত ব্যৱস্থা অনুসৰি Prag Bosimi Synhteticsৰ পৰিচালক হিচাবে শ্ৰীহেমন্ত ব্যাসে এই প্ৰকল্পৰ দৈনন্দিন পৰিচালনাৰ কাম চলাই আছে। Prag Bosimi Synthetics ৰ সকলোবিলাক কাম-কাজ সুচাৰুৰূপে চলাবলৈ এখন সঞ্চালক মণ্ডলী আছে। এই মণ্ডলীলৈ নিগমৰ ফালৰ পৰা চাৰিজন আৰু Bombay Silk Mill ৰ ফালৰ পৰা তিনিজন আৰু সঞ্চালক নিয়োগ কৰা হৈছে। নিগমৰ ফালৰ সদস্যকেইজন হ'ল :

১। শ্ৰীজে-পি-ৰাজখোৱা — চেয়াৰমেন।
উদ্যোগ আয়ুক্ত, অসম

২। শ্ৰী এন,বুঢ়াগোহাই — সঞ্চালক।
MD, AIDC

৩। শ্ৰীচি-কে গগৈ — সঞ্চালক।
Executive Director, ASL

৪। শ্ৰীপি-কে-পাই — সঞ্চালক।
CMD, BRPL

Bombay Silk Mill ফালৰ সদস্য কেইজন হ'ল :

১। শ্ৰী এইচ, ডি, ব্যাস, — পৰিচালক সঞ্চালক
MD, Bombay Silk Mill

২। শ্ৰী এন মাপাৰা — সঞ্চালক।
Director, Bombay Silk Mill

৩। শ্ৰীআৰ-এছ-ৰাও — সঞ্চালক।

অসম উদ্যোগিক উন্নয়ন নিগমৰ সঞ্চালক মণ্ডলীৰ অনুমোদন ক্ৰমে নিগমৰ ফালৰ পৰা উপৰোক্ত ব্যক্তি কেইজনক সঞ্চালক হিচাবে নিয়োগ কৰা হৈছে।

৭-১০-৮৭ তাৰিখে বোম্বাইৰ Custom বিভাগৰ Collector ৰ পৰা অহা এখন চিঠিত Bombay Silk Mill ৰ MD শ্ৰীহেমন্ত ব্যাসৰ বিৰুদ্ধে polyester Filament yarn আমদানি কৰি বে-আইনী ভাৱে বিক্ৰীৰ অভিযোগত গুজৰাট চৰকাৰে কফি পচাৰ অধীনত ১৪।৭।৮৭ তাৰিখে detention order জাৰি কৰা বুলি চৰকাৰক জনায়। চৰকাৰে এই চিঠি পোৱাৰ পিছত ১৯৮৭ চনৰ ৮ অক্টোবৰ তাৰিখে Custom Collector লৈ আৰু গুজৰাট চৰকাৰলৈ আৰু MD, AIDC লৈ সবিশেষ জনাবলৈ লিখে আৰু চৰকাৰৰ আইন বিভাগৰ পৰামৰ্শ বিচাৰে। ইতিমধ্যে, কেইখনমান বাতৰি কাকতত হেমন্ত ব্যাসৰ ওপৰত Detention Order জাৰি কৰিব পৰা নাই আৰু তেওঁ পলাই থকাৰ কথা প্ৰকাশ পায়। তাৰ পিছত কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় সঞ্চালয়ৰ ৰাজহ বিভাগৰ ১৯৮৭ চনৰ ২৭ অক্টোবৰৰ হুকুম মতে শ্ৰীব্যাসৰ ওপৰত গুজৰাট চৰকাৰে কৰা detention order নাকচ কৰা হয়।

অসম বাণীত প্ৰকাশিত বাতৰিত শ্ৰীব্যাসক কৰ-কাটল, বৈদেশিক মুদ্ৰা বিনিয়োগ আদিৰ দোষত ২৫,০০০ টকা জৰিমনা ভৰাৰ যি কথা কোৱা হৈছে সেই সম্পৰ্কে চৰকাৰৰ হাতত কোনো তথ্য নাই। ইতিমধ্যে ইয়াৰ সত্যতা সম্পৰ্কে জনাবৰ বাবে কেন্দ্ৰীয় বৃত্ত মন্ত্ৰালয়লৈ লিখা হৈছে।

যদি কোনো আইনমতে কোনো কোম্পানীৰ সঞ্চালক দোষী সাব্যস্ত হয়, তেন্তে এনে ব্যক্তি Bombay Silk millৰ সঞ্চালক হৈ থাকিব নোৱাৰিলেহেতেন।

অসমচৰকাৰৰ আইন উপদেষ্টাৰ পৰামৰ্শ এই সম্পৰ্কত লোৱা হৈছিল। এই পৰামৰ্শমতে ১৯৫৬ চনৰ কোম্পানী আইনৰ অধীনত পঞ্জীভূক্ত এটা কোম্পানাৰ এক আইনগত ব্যক্তি হিচাবে নিজা অস্তিত্ব আছে। AIDC আৰু Bombay Silk Mill ৰ মাজত যি চুক্তি সম্পাদন হৈছে সেই চুক্তি কোনো ব্যক্তিৰ মাজত হোৱা নাই; চুক্তি কোম্পানীৰ মাজতহে হৈছে।

ইতিমধ্যে ওপৰত উল্লেখ কৰা মতে যিহেতু কেন্দ্ৰীয় চৰকাৰে শ্ৰীব্যাসৰ ওপৰত গুজৰাট চৰকাৰে জাৰি কৰা detention order নাকচ কৰিছে। তাৰ পৰিপ্ৰেক্ষিতত Prag Bosimi syntheticsৰ পৰিচালক সঞ্চালক শ্ৰীব্যাসৰ ওপৰত কোনো ব্যৱস্থা লোৱাৰ যুক্তি নেথাকে। আইনমতে কোনো ব্যক্তি দোষী সাব্যস্ত নোহোৱালৈকে তেওঁক নিৰ্দোষী হিচাবে গণ্য কৰিব লাগিব।

EMS Inventor নামৰ কোম্পানীটোৰ লগত শ্ৰীব্যাসৰ যদি কিবা

পূৰ্বৰ যোগাযোগ আছিল সেই বিষয়ে চৰকাৰ জ্ঞাত নহয়।

বাতৰিত প্ৰচাৰ কৰামতে আন এটা কোম্পানীৰ নিবিদাৰ মূল্য ৮০ লাখ টকা কম হোৱা নাছিল। এইটো একেবাৰে অসত্য কথা। সত্য কথা এই যে— অন্য কোম্পানীৰ নিবিদাৰ মূল্য হ'ল ৮১ কোটি টকা আৰু EMS Inventor ৰ নিবিদাৰ মূল্য হ'ল ৭৮ কোটি টকা। গতিকে EMS Inventor ৰ নিবিদাৰ মূল্য ৩ কোটি টকা কমহে।

Bombay Silk Mill এ ১৯৮৬ চনৰ উদ্যোগ নীতি অনুসৰি অসমত এটা মজলীয়া খণ্ডত প্ৰচেচ্ হাউচ স্থাপনৰ বাবে আবেদন কৰিছিল। যিহেতু এই প্ৰকল্প এবছৰৰ ভিতৰত প্ৰতিষ্ঠা কৰা হব আৰু প্ৰধানকৈ পলিয়েষ্টাৰ সূতা আৰু অন্যান্য সূতাৰে তৈয়াৰী কাপোৰ ইয়াত প্ৰচেচ্ কৰাটো অতি আৱশ্যকীয় অসম চৰকাৰে নতুন উদ্যোগ নীতি অনুসাৰে ৰাণীৰ উদ্যোগীক অঞ্চলত প্ৰায় ৫ বিঘা মাটি আৱন্টন দিছিল। ৰাণীৰ অঞ্চলত কেবাটাও স্থানীয় উদ্যোগিক মাটি আবণ্টন দিয়া হৈছে।

AIDC য়ে চৰকাৰী খণ্ডত কৰিবলগীয়া প্ৰচেচ্ হাউচ্ বাতিল কৰা কথাটো সচা নহয়। এই আচনি ৰূপায়ন কৰিবৰ বাবে প্ৰায় ৫০ বিঘা মাটিৰ প্ৰয়োজন। কিন্তু ৰাণী উদ্যোগ ক্ষেত্ৰত মুঠ মাটিৰ পৰিমান ৫০ বিঘাতকৈ অনেক কম। ইয়াৰ উপৰিও স্থানীয় উদোগীসকলক মাটি আৱন্টন দিয়াৰ পিচত তাত মাটি এই উদোগৰ বাবে নোজোৰে।

পলিয়েষ্টাৰ ফিল্ম প্ৰকল্পৰ আমদানিকৃত প্ৰযুক্তি বিদ্যাৰ অভাৱত ৰূপায়ন কৰিব পৰা হোৱা নাই। এই প্ৰকল্পৰ প্ৰযুক্তিবিদ্যা আৰু মেচিনাৰী আমদানিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওপৰিও জাপানত থকা ভাৰতীয় দূতাবাসৰ লগত যোগাযোগ কৰিও কোনো সহাৰি পোৱা নাই।

নিগমে বিচৰামতে প্ৰযুক্তি বিদ্যা আৰু মেচিনেৰী আমদানিৰ বাবে আন্তৰ্জাতিক খ্যাতিসম্পন্ন প্ৰযুক্তি বিদ্যা কোনোলোকে বাতৰিত প্ৰকাশ কৰা মতে যদি যোগাৰ কৰিব পাৰে, তেনেহলে অনতিপলমে চৰকাৰ আৰু নিগমৰ লগত যোগাযোগ কৰাতো ৰাজহুৱা স্বাৰ্থৰ খাতিৰত বাঞ্চা কৰো।

Sponge iron প্ৰকল্পৰ Consultancyৰ কাম এই বিষয়ত ভাৰতৰ খ্যাতি সম্পন্ন firm M/S M.N. Dastur & Co. ক নিগমৰ এক বিশেষজ্ঞ কমিটীৰ লগত আলোচনা পৰ্যালোচনাৰ পাছত ৭ লাখ টকা দিয়া হয়। ইয়াৰ ভিতৰত ৪ লাখ প্ৰকল্পটোৰ প্ৰতিবেদনৰ বাবে আৰু ৩ লাখ ব্ৰহ্মপুত্ৰ নদীয়েদি আৱশ্যকীয় কেচামাল অসমৰ বাহিৰৰ পৰা পৰিবহনৰ সম্ভাৱনাৰ

ওপৰত বিতং বিৱৰণৰ প্ৰতিবেদনৰ বাবে। এনে এটা বৃহৎ প্ৰকল্পৰ ক্ষেত্ৰত এইটো কোনো অনিয়মৰ কথা নহয়।

শিলা সেন্দুৰীঘোপাত ১১০০ বিঘা মাটিৰ কেইবা কোটি টকাৰ খেলিমেলি হোৱা কথাটো সত্য নহয়।

মই সদনৰ মাননীয় সদস্যসকলক এই আশ্বাস দিব পাৰো যে চৰকাৰে অসমৰ উদ্যোগী কৰণৰ বাবে অসম উদ্যোগিক উন্নয়ন নিৰ্গমৰ যোগেদি বৃহৎ আৰু মজলীয়া উদ্যোগ সাহায্য আৰু ব্যক্তিগত খণ্ডত প্ৰতিষ্ঠা কৰিবৰ বাবে অৰণ্যকীয় সকলো ব্যৱস্থা হাতত লৈছে আৰু চৰকাৰে এনেধৰণৰ প্ৰচেষ্টা চলাই যাব। অসমৰ উদ্যোগীকৰণৰ স্বাৰ্থ আগত ৰাখি গঠনমূলক পৰামৰ্শ চৰকাৰে কৰি আহিছে আৰু আগলৈও কৰি থাকিব। কিন্তু কোনো উদ্দেশ্য প্ৰনোদিত অপপ্ৰচাৰৰ ওপৰত চৰকাৰে কেতিয়াও গুৰুত্ব নিদিয়ে।

মই আশা ৰাখিছো এই বিতং প্ৰতিবেদনে মাননীয় সদস্য গৰাকীৰ দৃষ্টি আকৰ্ষণকাৰী জাননীৰ সকলো দিশতে আলোকপাত কৰিব।

শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ উত্তৰত বেগ নামৰ এজন ব্যৱসায়ীৰ নাম কলে তেখেত ইণ্ডিয়ান নে নন ইণ্ডিয়ান জনাব নেকি ?

শ্ৰীদিগেন বৰা (উদ্যোগ মন্ত্ৰী) : গুজৰাট চৰকাৰে তেওঁক দিটেনচন কৰিছিল কিন্তু পাছত নাকচ কৰিছে।

শ্ৰীজয় নাথ শৰ্মা : যিটো বুজা গ'ল তেওঁ এজন দিস্পুটেড মানুহ আৰু তেওঁ আমি জনাত অৰ্থনৈতিক অপৰাধত লিপ্ত তেনে এজন মানুহৰ লগত চৰকাৰে চুক্তি কৰি ব্যৱসায় কৰাত লাভতকৈ অসমত হানিহে বেছি হব বুলি নাভাবে নে ?

শ্ৰীদিগেন বৰা (মন্ত্ৰী) : মই আগতে কৈছো যে চুক্তি কৰোতে এনে কেলেংকাৰীৰ কথা জনা হোৱা নাছিল। গুজৰাট চৰকাৰে তেওক এবাৰ দিটেনচন কৰিছিল কিন্তু তাৰ পাছতে দিল্লীয়ে সেইটো নাকচ কৰিছে। এনেকুৱা ডাঙৰ ডাঙৰ উদ্যোগপতি সকলে এনেকৈ চুক্তি কৰিয়ে বিভিন্ন ৰাজ্যত উদ্যোগ চলাই আছে।

Shri Zoii Nath Sarma—The man in question is not clean one ; he is a disputed person.

Mr. Speaker—There cannot be a debate on this.
Now next item. Hon'ble member Shri Naren Tanti please.
Matter under Rule 301

* Spceeh not Correted

## Matter Under Rule 301

Shri Naren Tanti : Mr. Speaker, Sir. I draw the attention of the Chief Minister by raising a matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assambly relating to "অসম চাহ জনজাতি ছাত্র সন্থাৰ আন্দোলন"………

মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি কিছুদিনৰ পৰা অসম চাহ জনজাতি ছাত্র সন্থাই পৰ্য্যায়ক্রমে অন্দোলন কৰি আহিছে। অসম চৰকাৰৰ দৃষ্টিগোচৰ কৰা কাৰণেই এই আন্দোলন তেওঁলোকে পৰ্য্যায়ক্রমে কৰি আছে তেওঁলোকৰ সমস্যাবিলাক সমাধান কৰিবৰ কাৰণে। তেওঁলোকৰ দাবী চেপাৰেট ষ্টেটৰ নহয়, তেওঁলোকৰ দাবী দিভাইদ অসম ৫০'৫০ নহয়, তেওঁলোকৰ দাবী হৈছে স্বাভাবিক জীৱন যাত্রাত চাহ শ্রমিক সকলে যাতে তেওঁলোকৰ নুন্যতম চাহিদাখিনি পুৰণ হয়। এতিয়া কথা হৈছে এই দাবী বিলাক কেনেধৰণে লোৱা হৈছে ইয়াৰ আগতেও এইবিলাক দাবী উত্থাপন কৰা হৈছিল কিন্তু আগৰ চৰকাৰে তেওঁ-লোকক এই দাবী বিলাক উত্থাপন কৰিবলৈ যি ধৰণৰ সুবিধা দিব লাগিছিল সেই ধৰণৰ সুবিধা দিয়া নাছিল। মই নৰেণ তাতীও তেতিয়া এই সন্থাত আছিলো আৰু আজিৰ মন্ত্রী বাৰ্কী প্ৰসাদ টেলেঙ্গাও সচিব আছিল। এতিয়া আমাৰ ঠাইত বেলেগ হৈছে অৰ তেওঁলোকে এই দাবী উত্থাপন কৰিছে। আগতে এই দাবীবিলাক উত্থাপন কৰাৰ পৰিবেশ নাছিল সেই কাৰণে সেই বিলাক কাৰ্য্যকৰীও নহ'ল। এতিয়া আমাৰ দলৰ চৰকাৰ গঠণ হৈছে আৰু পৰিবেশ এটা পাইছে কাৰণেই এই দাবী উত্থাপন কৰিছে। ইয়াৰ কাৰণ এইটো নহয় যে তেওঁলোকে চৰকাৰক বেয়া পাইছে। তেওঁলোকে মাত্র চৰকাৰৰ দষ্টিগোচৰ কৰিছে। কাৰণ তেওঁলোকে এতিয়াৰদৰে আগৰ মন্ত্রী সকলৰ ওচৰত যাব পৰা নাছিল। এতিয়া পাৰিছে কাৰণে আলোচনাও কৰিছে আৰু আমাৰ যোগেদি চৰকাৰৰ দষ্টি আকৰ্ষণ কৰিব বিছাৰিছে। চাহ বাগানৰ শ্রমিক সকলক চৰকাৰে কোনো ধৰণৰ বস্তু যেনে খোৱা পানী যোগান ধৰিব নালাগে থকা ঘৰ দিব নালাগে এইবিলাক একো কৰি দিব নালাগে। কিন্তু তথাপিতো কিছুমান কৰিব লগীয়া কাম আছে। সেইবিলাক হ'ল এই

* Speech not Corrected

ৰেচন আদি বস্তু বিলাক আমি ঠিক মতে পাইছেনে নাই, ঘৰ আদি আছে নাই, চিকিৎসাৰ সুবিধা পাইছেনে নাই সেই কথাবোৰ চৰকাৰে চাব পাৰে, চোৱাৰ অধিকাৰ চৰকাৰৰ আছে। ১৯৫১ চনৰ লেৱাৰ এক্ট আজিও বাগান বিলাকত চলি আছে। এই আইন বনাইছিল কোনে? সেই সকলে যি সকল বাগানৰ মালিক। গতিকে এই আইন দেখদেখিকৈয়ে তেওঁলোকৰ সপক্ষেই হৈছে। এই আইন চাহ বাগানৰ দুখীয়া চাহ শ্ৰমিকৰ কাৰণে হোৱা নাই বা তেওঁলোকৰ কোনো স্বাৰ্থপুৰন কৰাও নাই। যদি এজন মানুহে এটা মানুহ মাৰে তেতিয়া মানুহটোৰ ফাচী হয়, কিন্তু গাড়ীৰে চেপি যদি এজন মানুহ মাৰে তেন্তে সেই গাড়ীৰ চালক জনৰ কেতিয়াবা ফাচী হয় জানো? সেইটো এটা দুৰ্ঘটনা বুলি ধৰা হয়। অন্য ধৰণে মানুহ মাৰিলে ফাচী হয় হয় কিন্তু গাড়ীৰে চেপি মাৰিলে ফাচী নহয়। কিয়নো সেই আইনো যি বিলাক মানুহে বনাইছিল সেইবিলাকো গাড়ী থকা মানুহ আছিল। আজিও চাহ বাগান বিলাকত দেখা যায় যদি বাগানৰ কিবা কেচ হয় তেতিয়া মালিকে কৰ্টত টকা ৫০০ জৰিমনা দিলেই খালাচ পায়। এই নিয়মটো উঠাই দিব লাগে আৰু ইয়াক ৫০০ টকাৰ ঠাইত ৫ লাখ কৰিব লাগে। তেতিয়া হলে হয়তো বাগানৰ মালিক পক্ষই চাহ শ্ৰমিকৰ ওপৰত অত্যাচাৰ কৰিবলৈ চেষ্টা নকৰিব। সেই কাৰণেই এই এক্টখনৰ সংশোধন কৰিবলৈ মই চৰকাৰৰ ওচৰত অনুৰোধ জনাইছো। কাৰণ তেতিয়া হয়তো চাহ শ্ৰমিক সকলে জীয়াই থকাৰ নিম্নতম সুবিধা খিনি পাব। আজি অসমত ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা অহা ৬০ লাখ চাহ শ্ৰমিক আছে।

অধ্যক্ষ মহোদয়, আজি মই ইয়াত আছোঁ, অসমত মই আজি অ', বি,চি কিন্তু উৰিষ্যাত থকা হলে আমি মই এচ, টি হলোঁহেতেন। এইটো কিয় হৈছে? ইয়াৰ চাহ শ্ৰমিকে কোনো ক্ষেত্ৰতে একো সা-সুবিধা নাপায়, এইটো বৰ গুৰুত্বপূৰ্ণ কথা। ভাৰতৰ সংবিধানে চাহ শ্ৰমিক সকলক এচ, চিৰ এচ, টি হোৱাৰ সুবিধা দিছে কিন্তু অসমত থকা ৬০ লাখ চাহ বনুৱাই এই সুবিধা জানো পাইছে? গতিকে মই চৰকাৰক এই মানুহ খিনিক আৰ্থিক ভাৱে, সমাসাজিক ভাৱে, বা ৰাজনৈতিক ভাৱে সকলো ধৰণে সকলো ক্ষেত্ৰতে নিৰাপত্তা দিবৰ কাৰণে অনুৰোধ জনালোঁ। আমাৰ বহুতো উপযুক্ত অৰ্হতাসম্পন্ন মানুহক আজি ইয়াত বঞ্চিত কৰা হৈছে। উদাহৰন স্বৰূপে কওঁ শ্ৰীচাৰৱান আজি অসমৰ মুখ্য সচিব হব লাগিছিল কিন্তু তেওঁক তাৰ পৰা বঞ্চিত কৰা হৈছে। আকৌ দেৱ মাথুৰ নামৰ আৰু এজনক এ, পি, এচ, চিয়ে নিৰ্ব্বাচিত কৰা স্বত্বেও তেওঁক

বঞ্চিত কৰা হৈছে। এইটো বৰ দুখৰ কথা। চাহ বাগানৰ শ্ৰমিক সকলৰ মাটি বাৰী নিজৰ বুলিবলৈ একো নাই। আজি বিধায়ক সকলক সা-সম্পত্তিৰ হিচাপ দাখিল কৰিবলৈ কোৱা হৈছে কিন্তু আজিলৈকে মই মোৰ সম্পত্তিৰ হিচাপ দিব পৰা নাই কাৰণ মোৰ নিজৰ ঘৰ মাটি একো নাই। কোম্পানীৰ ঘৰত আছোঁ। কালিলৈ মেলৰ মলয়ে বাগানৰ পৰা নাম কাটিলেই আমাকো সেই ঘৰৰ পৰা উলিয়াই দিব তেতিয়া কলৈ যাম? সেই সুবিধাখিনি ৰাজ্য চৰকাৰে কৰিব লাগিব। চাকৰি বাকৰিৰ ক্ষেত্ৰত অন্ততঃ শতকৰা ১০ ভাগ চাহ বাগানৰ ল'ৰা ছোৱালীৰ কাৰণে সংৰক্ষন কৰিব লাগে। এইটো মোৰ অনুৰোধ। সদনেও এইটো সমৰ্থন কৰিছে। চাহ বাগানৰ ছাত্ৰ সন্থাই আচলতে চৰকাৰক বেয়া পোৱা নাই। কিন্তু তেওঁলোকে তেওঁলোকৰ অভাৱ অভিযোগবোৰৰ প্ৰতি মুখ্যমন্ত্ৰী মহোদয়ৰ আৰু লগতে গোটেই চৰকাৰৰ দৃষ্টি আকৰ্ষণহে কৰিব বিচাৰিছে। এই সন্দৰ্ভত চাহ বাগানৰ ছাত্ৰ সন্থাৰ লগত মুখ্যমন্ত্ৰী মহোদয়ৰ আলোচনাও হৈছিল, সেই আলোচনাত কেনেধৰণে কি আলোচনা কৰা হ'ল নিশ্চয় আমি এতিয়া সেই বিষয়ে জানিবলৈ পাম। মই আজিৰ বিধান সভাত সমগ্ৰ অসমৰ চাহ শ্ৰমিকৰ হৈ এইখিনি কথা কলো আৰু আশা কৰিলোঁ এইখিনি যেন সকলোৱে গুৰুত্বসহকাৰে লব। ইয়াকে কৈ মই সামৰনী মাৰিলোঁ।

Mr Speaker : As per rule, debate is not allowed. Now Shri Prafulla Kumar Mahanta Chief Minister wil make a statement in reply to the matter raised.

শ্ৰীপ্ৰফুল্লকুমাৰ মহন্ত. ( মুখ্যমন্ত্ৰী ): মাননীয় অধ্যক্ষ মহোদয় মাননীয় বিধায়ক শ্ৰীনৰেণ তাঁতী ডাঙৰীয়াই সদনত উত্থাপন কৰিব খোজা "অসম চাহ ছাত্ৰ সন্থাৰ আন্দোলন" বিষয়টো ইতিমধ্যে চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। এই সম্পৰ্কে মই জনাব খোজো যে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ তৰফৰ পৰা ৪।৭।৮৭ তাৰিখে এখন স্মাৰক পত্ৰ চৰকাৰৰ হাতত পৰিছিল। উক্ত স্মাৰক পত্ৰৰ সন্দৰ্ভত অসম চাহ জনজাতি ছাত্ৰ সন্থাক আলোচনাৰ বাবে নিমন্ত্ৰণ কৰা হৈছিল আৰু সেই অনুযায়ী ১৭।১২.৮৭ তাৰিখে বিয়লি ৫ বজাত এখন বৈঠকো হৈছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে ইতিমধ্যে সদৌ অসম ছাত্ৰ সন্থাইও অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ দাবাসমূহৰ ওপৰত চৰকাৰৰ লগত যোগাযোগ কৰি আছে। এই বৈঠকত সদৌ অসম ছাত্ৰ সন্থা আৰু

* Speech not Corrected

অসম চাহ জানজাতি ছাত্ৰ সন্থাৰ প্ৰতিনিধি উপস্থিত আছিল। অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ফালৰ পৰা :

১। শ্ৰীউমেশ বৰাইক, উপদেষ্টা

২। শ্ৰীবৰৌ গৌড়, উপদেষ্টা

৩। শ্ৰীলোকেশ্বৰ কুৰ্ম্মী, সভাপতি

৪। শ্ৰীঅৰ্জ্জুন চাহু, উপ সভাপতি

৫। শ্ৰীভগীৰথ বৰণ, সাধাৰণ সম্পাদক

৬। শ্ৰীবীৰেণ চন্দ্ৰ মীৰ্দ্ধা, মুখ্য সাঃ সম্পাদক

৭। শ্ৰীগোলাপ তংলা, সভাপতি, নগাওঁ শাখা

৮। শ্ৰীভোলৰাম ৰাউতীয়া।

আৰু সদৌ অসম ছাত্ৰ সন্থাৰ তৰফৰ পৰা :

১। শ্ৰীকাৰ্ত্তিক হাজৰিকা, উপদেষ্টা

২। শ্ৰীকেশৱ মহন্ত, সভাপতি

৩। শ্ৰীঅতুল বৰা, সাধাৰণ সম্পাদক

আৰু অন্যান্য ৮ জন সদস্য উপস্থিত আছিল।

অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ স্মাৰক পত্ৰৰ দাবীসমূহৰ ওপৰত ১৭।১২।৮৭ তাৰিখে হোৱা আলোচনাৰ মৰ্মে চৰকাৰে ইতিমধ্যে কি কি ব্যৱস্থা লৈছে সেইখিনি তলত উল্লেখ কৰা হ'ল :

১নং দাবী : অসমত থকা সকলো চাহ ও প্ৰাক্তন চাহ শ্ৰমিককে অনুসূচীত জাতি জনজাতি হিচাপে স্বীকৃতি দিব লাগে।

এই বিষয়টো পৰীক্ষা কৰা হৈছে কিন্তু এতিয়ালৈকে কোনো সিদ্ধান্ত হোৱা নাই। (এই মৰ্মে শ্ৰম মন্ত্ৰী চাহ আৰু প্ৰাক্তন চাহজনগোষ্ঠিৰ লোক সকলৰ মূৰব্বী সকলৰ নামত এই মৰ্মে এলানি আলোচনা কৰিছে।

২নং দাবী : প্ৰচলিত 'টি প্লে.ণ্টশ্যন লেবাৰ এক্ট' সংশোধন কৰি মালিক পক্ষক সম্পূৰ্ণৰূপে প্ৰয়োগ কৰাবলৈ বাধ্য কৰাব লাগে।

উক্ত দাবী সম্প.ৰ্ক এই বিভাগে (শ্ৰম বিভাগ) ইতিমধ্যে খৰতকীয় ব্যৱস্থা লৈছে। এই বিভাগত বাগিছা আইনৰ প্ৰয়োগৰ কৰণে পৰিকল্পনা শিতানত এখন আঁচনি গ্ৰহণ কৰি চাৰিটা নতুন বাগিছা শ্ৰম পৰিদৰ্শকৰ আৰু চাৰিটা বাগিছা স্বাস্থ্য পৰিদৰ্শকৰ কাৰ্য্যালয় প্ৰতিষ্ঠা কৰা হৈছে আৰু মুখ্য বাগিছা

*Speech not Corrected

শ্ৰম পৰিদৰ্শকক যথাযথভাৱে বাগিছা শ্ৰমিক আইন খন বলবত কৰিবলৈ আদেশ দিয়া হৈছে। তাৰোপৰি কৰ্তৃপক্ষই নিয়োগ কৰিব লগা কল্যাণ বিষয়াৰ ক্ষেত্ৰটো কৰ্ত্তৃপক্ষক হেঁচা প্ৰয়োগ কৰা হৈছে আৰু যোৱা দুটা বছৰত ৯৯ জন শ্ৰম কল্যাণ বিষয়া নিযুক্তি দিয়াৰ প্ৰতিবেদন পোৱা হৈছে। বাগিছা শ্ৰমিক আইনৰ সংশোধনৰ প্ৰস্তাৱো কেন্দ্ৰীয় চৰকাৰৰ ওচৰত পেচ কৰি থকা হৈছে। চাহ শ্ৰমিকৰ স্থায়ী সমিতিটো এই দফাৰ বিভিন্ন ব্যৱস্থাৱলীৰ বিষয়ে বিতং আলোচনা কৰা হৈছিল, আৰু তাত লোৱা সিদ্ধান্ত সমূহ কাৰ্য্যকৰণাৰ্থে বিভিন্ন কৰ্তৃপক্ষক সকিয়াই থকা হৈছে।

৩ নং দাবী ঃ অসমৰ প্ৰতি মহকুমাতে চাহ ও প্ৰাক্তন চাহ শ্ৰমিকৰ ছাত্ৰ-ছাত্ৰীয়ে বিনামূলীয়াকৈ থাকিব পৰা একোটাকৈ স্থায়ী ছাত্ৰবাস নিৰ্ম্মান কৰিব লাগে। এই দফাৰ কাৰ্য্য ব্যৱস্থা এই বিভাগে বিত্তীয় অসুবিধাৰ বাবে আংশিকভাৱেহে কাৰ্য্যকৰী কৰিব পাৰিব কাৰণ প্ৰাক্তন চাহ শ্ৰমিকৰ ছাত্ৰ ছাত্ৰীৰ কাৰণে এটা সুকীয়া সঞ্চালকালয় ডাব্লিউপিটি এণ্ড বি, চি বিভাগৰ অধীনত কাৰ্য্য নিৰ্ব্বাহ কৰি আছে। এই বিভাগৰ অধীনত থকা অসম চাহ কৰ্ম্মচাৰী কল্যাণ পৰিষদে চাহ শ্ৰমিকৰ ছাত্ৰৰ বাবে ইতিমধ্যে তেজপুৰ, ডিব্ৰুগড় আৰু গুৱাহাটী আদি চহৰত এনে ছাত্ৰাবাস নিৰ্ম্মান কৰিছে।

৪ নং দাবী ঃ অসমৰ বাগিছাৰ সকলো স্কুল চৰকাৰৰ অধীনলৈ আনিব লাগে। বাগানৰ শ্ৰমিক আৰু কৰ্ম্মচাৰী সকলৰ ল'ৰা-ছোৱালীৰ শিক্ষাদানৰ বাবে স্কুল পাতি দিয়া দায়িত্ব বাগান কৰ্তৃপক্ষৰ আছে। গতিকে বাগান কৰ্তৃপক্ষই নিজে চলোৱা স্কুল প্ৰাদেশীকিকৰণ কৰাৰ কথা নুঠে। চাহ বাগান থকা অঞ্চলত আৰু প্ৰাক্তন চাহ বাগানৰ বনুৱাৰ ল'ৰা-ছোৱালী পঢ়া ভেঞ্চাৰ স্কুল সমূহ পূঁজি আৰু নৰ্মচ পূৰণৰ সাপেক্ষে চৰকাৰে পৰ্য্যায়ক্ৰমে প্ৰাদেশীকিকৰণ কৰিব। এই বছৰ ২০০ খন একে স্কুল প্ৰাদেশীকিকৰণ কৰা হৈছে।

৫ নং দাবী ঃ অনাতাঁৰ কেন্দ্ৰৰ পৰা প্ৰচাৰিত "চাহ শ্ৰমিকৰ আচৰ" অনুষ্ঠানটিৰ প্ৰতিদিনে প্ৰচাৰ কৰিব লাগে। দূৰদৰ্শন কেন্দ্ৰইও চাহ শ্ৰমিকৰ বিশেষ অনুষ্ঠান খুলিব লাগে।

এই সংক্ৰান্তত কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে।

৬ নং দাবী ঃ চাহ বাগিছাসমূহৰ জনসংখ্যা অনুপাতে "কল্যাণ বিষয়া" নিয়োগ কৰিব লাগে আৰু এই ক্ষেত্ৰত চাহ ও প্ৰাক্তন চাহ শ্ৰমিকৰ যুৱকক প্ৰথম সুবিধা লাগে।

১৯৭৭ চনৰ চাহ শ্ৰমিক (কল্যাণ বিষয়া) নিয়মাৱলীৰ মতে লব লগা ব্যৱস্থা

সমূহ ১৯৮৩ চনৰ ১৫ আগষ্টৰ পৰাহে বলবত কৰা হৈছিল যদিও চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰা সময়লৈকে এই দিশত বিশেষ কোনো অগ্ৰগতি লাভ কৰা নাছিল। কিন্তু যোৱা তুবছৰত বাগিছা সমূহত কিমান কল্যাণ বিষয়া নিযুক্তিৰ প্ৰয়োজন তাক হিচাপ কৰি উলিওৱা হৈছে আৰু নানা ব্যৱস্থাৰে ৯৯ জন শ্ৰম কল্যাণ বিষয়া নিযুক্তি দিয়াৰ প্ৰতিবেদন পোৱা গৈছে ইয়াৰোপৰি শেহতীয়া চাহ শ্ৰমিকৰ স্থায়ী সমিতিত মালিক কৰ্ত্তৃপক্ষই ১।৩।৮৮ তাৰিখৰ ভিতৰত সকলো শ্ৰম কল্যাণ বিষয়া নিযুক্তি দিয়াৰ আশ্বাস দিছিল আৰু এই বিষয়ে পৰবৰ্ত্তী কাৰ্য্য ব্যৱস্থা লবলৈ মুখ্য বাগিছা পৰিদৰ্শকক কোৱা হৈছে যাতে বাগান কৰ্ত্তৃপক্ষই তেওঁলোকৰ আশ্বাস মৰ্ম্মে সকলোবোৰ বাগিছাতে কল্যাণ বিষয়া নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত নিয়োগ কৰে।

৭নং দাবী: চাহ বাগিছাৰ সকলোবোৰ কৰ্ম্মচাৰীৰ পদ চাহ ও প্ৰাক্তন চাহ শ্ৰমিকৰ শিক্ষিত যুৱক-যুৱতীক দিব লাগে।

দফা ৭ত থকা বিষয়টোত অসম চৰকাৰ পোনপতীয়াভাৱে জড়িত নহয় আৰু এই বিষয়ে চৰকাৰৰ অন্তৰ্গত কোনো আইনগত ব্যৱস্থাও নাই। কিন্তু সকলো চাহ বাগান কৰ্ত্তৃপক্ষক স্থানীয় যুৱক-যুৱতীক নিয়োগৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিব লাগে বুলি ইতিমধ্যে অনুৰোধ কৰি নিৰ্দ্দেশনা জাৰি কৰা হৈছে।

৮ নং দাবী: বাগিছা অঞ্চলসমূহত অৱস্থিত বিদ্যালয় সমূহত চাহ ও প্ৰাক্তন চাহ শ্ৰমিকৰ শিক্ষিত যুৱক-যুৱতীক শিক্ষকৰ পদত মকৰল কৰিব লাগে। বিদ্যালয়সমূহত শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত শিক্ষা বিভাগে ইতিমধ্যে কেতবোৰ নীতি ঘোষণা কৰিছে। প্ৰাথমিক বিদ্যালয়ৰ নিযুক্তিৰ দায়িত্ব মহকুমা ভিত্তিত গঠন কৰা প্ৰাথমিক উপদেষ্টা পৰিষদক দিয়া হৈছে আৰু মাধ্যমিক স্কুলত তেনে দায়িত্ব একোটাকৈ জিলা কমিতি গঠন কৰি দিয়া হৈছে। চাহ আৰু প্ৰাক্তন চাহ শ্ৰমিকৰ অৰ্হতা সম্পন্ন শিক্ষিত যুৱক যুৱতীয়েও এই নীতি অনুযায়ী নিযুক্তি পাব।

৯ নং দাবী: বাগিছাৰ শ্ৰমিকক দিয়া ৰেচন উন্নত মানদণ্ড বিশিষ্ট আৰু বিনা মূলীয়া হব লাগে।

অসমত চাহ বাগিছাকে ধৰি সকলো ঠাইতে চৰকাৰৰ ফালৰ পৰা দিয়া ৰেচন উন্নত মানদণ্ড হোৱাৰ ব্যৱস্থা আছে। নিম্ন মানদণ্ডৰ অভিযোগ পালে চৰকাৰে নিশ্চয় ব্যৱস্থা লব। বিনামূলীয়া ৰেচন দিয়াৰ কথা বাগান কৰ্ত্তৃপক্ষৰ উপৰত নিৰ্ভৰ কৰে।

১০ নং দাবী: প্ৰতি চাহ বাগিছা তথা চাহ শ্ৰমিক অঞ্চলত প্ৰাক্-প্ৰাথমিক

বিদ্যালয় খুলিব লাগে।

প্ৰাক্ প্ৰাথমিক বিদ্যালয় খোলা সম্পৰ্কত ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনৰ পৰিকল্পনা আঁচনিত শিক্ষা বিভাগে প্ৰস্তাৱ দিছে। প্ৰস্তাৱমতে আৰম্ভনীতে অসমৰ প্ৰতিটো ব্লকত অন্ততঃ ৫ খনকৈ প্ৰাথমিক বিদ্যালয়ত প্ৰাক্ প্ৰাথমিক শাখা খুলিবলৈ পুঁজি বিচৰা হৈছে। পৰিকল্পনা আয়োগৰ ৱৰ্কিং গ্ৰুপয়ে প্ৰাক্ প্ৰাথমিক শ্ৰেণীৰ খোলাৰ বাবে শিক্ষা বিভাগক পুঁজি দিবলৈ অস্বীকাৰ কৰে আৰু কয় যে এই আঁচনি দৰাচলতে Integrated Child Development Services (ICDS) অন্তৰ্গত হব লাগে। ইতিমধ্যে বিষয়টো সমাজকল্যাণ বিভাগৰ পৰা পৰীক্ষা কৰাৰ ব্যৱস্থা কৰা হৈছে।

১১ নং দাবী: চাহ ও প্ৰাক্তন চাহ শ্ৰমিকৰ স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰৰ প্ৰয়োজনীয়তা নাকচ কৰিব লাগে।

এই বিষয়টো চৰকাৰৰ পৰীক্ষাধীন হৈ আছে।

১২ নং দাবী: চাহ ও প্ৰাক্তন চাহ শ্ৰমিকৰ শিক্ষিত মহিলাসকলক বিভিন্ন অনুষ্ঠানত অগ্ৰাধিকাৰ ভেটিত প্ৰশিক্ষণ দিব লাগে।

এই বিষয়টো বিবেচনাধী হৈ আছে আৰু এতিয়ালৈকে কোনো সিদ্ধান্ত লব পৰা নাই।

১৩ নং দাবী: এটা সাংস্কৃতিক কেন্দ্ৰ স্থাপন কৰি ইয়াৰ জৰিয়তে চাহ শ্ৰমিকৰ ভাষা, সাংস্কৃতি, কলাৰ বৈজ্ঞানিক বিশ্লেষণ তথা সংৰক্ষণ কৰিব লাগে।

সাংস্কৃতিক বিভাগ ডিব্ৰুগড় আৰু ডুমডুমাত দুটা সাংস্কৃতিক কেন্দ্ৰ খুলিবৰ বাবে ইতিমধ্যে মঞ্জুৰী দিয়া হৈছে আৰু এই কেন্দ্ৰত বিষয়া নিযুক্তিৰ বাবেও বিজ্ঞাপন দিয়া হৈছে। বিষয়া নিযুক্তি দিয়াৰ পাচত কেন্দ্ৰ দুটাৰ কাম-কাজ আৰম্ভ হব। এই দুয়োটা কেন্দ্ৰতে চাহ জানজাতিৰ সাংস্কৃতি। কলা সংৰক্ষণৰ আৰু বৈজ্ঞানিক বিশ্লেষণৰ বাবে ব্যৱস্থা থাকিব।

১৪ নং দাবী: চাহ ও প্ৰাক্তন চাহ শ্ৰমিকৰ কল্যাণ সঞ্চালকালয়ৰ সঞ্চালক, শ্ৰম আয়ুক্ত, চাহ শিক্ষাকোষৰ অধিকৰ্ত্তা, অসম চাহ শ্ৰমিক কল্যাণ পৰিষদৰ আয়ুক্ত, এ, টি, পি, পি, এফৰ আয়ুক্ত জনক চাহ শ্ৰমিক সকলৰ পৰা নিযুক্তি দিব লাগে।

উক্ত দাবী সম্পৰ্কে মন্ত্ৰ আৰু নিয়োগ বিভাগে সংশ্লিষ্ট বিভাগৰ লগত যোগাযোগ কৰি আছে।

১৫ নং দাবী: বাগিছা অঞ্চল সমূহলৈ খোৱা পানী যোগানৰ ব্যৱস্থা কৰিব লাগে।

এই দফাটোৰ সংক্ৰান্তত চাহ শ্ৰমিক আইনৰ অধীনত লব লগা সকলো

কাৰ্য্য ব্যৱস্থা যথা সম্ভৱ লোৱা হৈছে আৰু যিবোৰ বাগান কৰ্তৃপক্ষই হেমাহী কৰিছে তেনে ক্ষেত্ৰত তেওঁলোকৰ বিৰুদ্ধে আইন সংগত ব্যৱস্থা লবলৈ মুখ্য বাগিছা পৰিদৰ্শকক নিৰ্দ্দেশ দিয়া হৈছে।

১৬ নং দাবী: বাগিছা প্ৰধান অঞ্চল সমূহলৈ বিদ্যুত সম্প্ৰসাৰিত কৰিব লাগে।

এই দফাটোৰ ওপৰত বিদ্যুত পৰিষদে যথা বিহিত ব্যৱস্থা লব।

১৭ নং দাবী: বাগিছাৰ চিলিং এক্তত যোৱা ভূমি কেৱল চাহ ও প্ৰাক্তন চাহ শ্ৰমিকৰ মাজত বিতৰণ কৰিব লাগে।

এই দফাটো ৰাজহ বিভাগে পৰীক্ষা কৰি আছে।

১৮ নং দাবী: চাহ ও প্ৰাক্তন চাহ জনগোষ্ঠীৰ জনসংখ্যাৰ প্ৰকৃত তথ্য নিৰুপন কৰিবৰ কাৰণে চৰকাৰৰ ফালৰ পৰা বিধি সম্মতভাৱে লোক পিয়ল কৰাৰ ব্যৱস্থা কৰিব লাগে।

এই দফাটোৰ ওপৰত চৰকাৰে এতিয়ালৈকে কোনো ব্যৱস্থা লব পৰা নাই।

১৯ নং দাবী: প্ৰাপ্তবয়স্ক নিৰক্ষৰ তথা অশিক্ষিত চাহ শ্ৰমিক সকলক শিক্ষকৰ মূল্য তথা গুৰুত্ব উপলব্ধি কৰাৰ বাবে প্ৰাপ্তবয়স্ক শিক্ষা বাধ্যতামূলক ভাৱে বাগিছা প্ৰধান অঞ্চলত প্ৰযোজ্য কৰিব লাগে আৰু লগতে শিক্ষাৰ কাৰ্য্যকৰিতা তথা উন্নতিৰ বাবে চাহ ও চাহ শ্ৰমিকৰ লোকক প্ৰাপ্তবয়স্ক শিক্ষাৰ দায়িত্বশীল পদত মকৰল কৰাৰ ব্যৱস্থা কৰিব লাগে।

চাহ শ্ৰমিক সকলৰ মাজত প্ৰাপ্তবয়স্ক শিক্ষা বহল ভাৱে প্ৰচলন কৰাৰ হেতু বিস্তৃত ভাৱে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। নতুনকৈ প্ৰাপ্তবয়স্ক শিক্ষা প্ৰকল্প খোলা হৈছে আৰু চাহ বাগিছা প্ৰধান অঞ্চলবোৰত থকা প্ৰাপ্তবয়স্ক শিক্ষা বিষয়া সকলক উক্ত কেন্দ্ৰবোৰত বিশেষ প্ৰাধান্য দিবলৈ কোৱা হৈছে। চাহ শ্ৰমিক লোকক প্ৰাপ্তবয়স্ক শিক্ষাৰ বিভিন্ন পদবীত লোৱাৰ বাবে বিভিন্ন নিয়োগ সমিতিত বিবেচনা কৰি অৰ্হতাৰ ভিত্তিত নিয়োগ কৰি থকা হৈছে। ২০ নং দাবী: অসম, নগালেণ্ড, অৰুণাচল আদি সীমান্তবৰ্ত্তী বাগিছা সমূহত সঘনাই হৈ থকা অপ্ৰীতিকৰ আৰু অশান্তিকৰ পৰিবেশ অৱসান ঘটাই সীমান্তবৰ্ত্তী অঞ্চলৰ জনসাধাৰণৰ মনৰ শংকাৰ ভাৱ দুৰীকৰণৰ অৰ্থে যথোযুক্ত ব্যৱস্থা কৰিব লাগে।

এই বিষয়টো অসম, অৰুণাচল আৰু অসম, নগালেণ্ড সীমা সম্পৰ্কৰ লগত জড়িত আছে। এই সম্পৰ্কে ইতিমধ্যে চৰকাৰে নগালেণ্ড চৰকাৰ, অৰুণাচল চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আছে আৰু যথোচিত ব্যৱস্থা লবৰ কাৰণে ব্যৱস্থা কৰিছে।

## Debates on Governor's Address

Mr. Speaker : Now item No.4, Debate on Governor's Address. Now, Honourable Member Shri Swarup Upadhyay will speak.

( At this point of time Honourable Speaker left and Deputy Speaker took the chair )

*শ্ৰীস্বৰূপ উপাধ্যায় : মাননীয় অধ্যক্ষ মহোদয়, পৰহি মোৰ সম্পূৰ্ণ ভাষণত মই কৈছিলো যে জলসিঞ্চন বিভাগে তাৰ সা-সজুলি কিনাৰ কাৰণে প্ৰায় এক কোটি টকা লৈছে আৰু সেই ধৰণে দুৰ্নীতি অন্যান্য বিভাগতো নথকা নহয়। শিক্ষা বিভাগত জাগীৰোডৰ পৰা গুৱাহাটীলৈ কাগজ গাড়ীত অনাৰ কাৰণে যিমান ভাড়া হয় তাৰ দুগুণ বেছি দেখুৱায়। তেনে ধৰণে অন্যান্য বিভাগতো দুৰ্নীতিৰ আলোচনা কৰিলে শেষ নহব। গড়কাপ্তানী বিভাগৰ আলোচনা কৰোতে এই সদনতে আমাৰ মাননীয় বিধায়ক সকলে কৈছিল যে খোদৰ আলীটো বনোৱা নাই গড়কাপ্তানী বিভাগকো খোদ বুলি কয় বুলি ভয় কৰি, কিন্তু আচলতে গড়কাপ্তানী বিভাগ খোদ নহয় কিন্তু টোপনিহে বেছি। চৰকাৰৰ ফালৰ পৰা মহকুমা বোৰ্ড গঠন কৰি দিছিল আৰু তাত আমাক বিধায়ক সকলক সদস্য কৰি ৰাখিছিল। পিচে বোৰ্ডত লোৱা প্ৰস্তাৱ এটা বহুদিন ধৰি কাৰ্য্যকৰী নোহোৱাৰ কাৰণে এখন চিঠি লিখিলো বোৰ্ডলৈ বুলি আৰু তেতিয়া বোৰ্ডৰ টোপনি ভাঙিল আৰু টোপনি ভাঙি বিৰক্তি দিয়া কাৰণে চিঠিৰ উত্তৰ আহিল সেই বোৰ্ডত আৰু সদস্য হিচাবে নাই বুলি। চিঠিখনত লিখি পঠালে যে আজিৰ পৰা আপুনি এই বোৰ্ডৰ সদস্য নহয়। অৰ্থাৎ কিয় টোপনি ভাঙিলো সেইটোয়ে কথা। এই সদনতে বহুতো বৈষম্যৰ কথাও আলোচিত হৈছে বিশেষকৈ চাকৰি বাকৰিৰ ক্ষেত্ৰত। কিন্তু চৰকাৰৰ ফালৰ পৰা কোৱা হৈছে যে উপযুক্ততা ভিত্তিতহে তেনে নিযুক্তি আদি দি থকা হৈছে কোনো জাতি গোষ্ঠীৰ কথা চিন্তা কৰা হোৱা নাই। সেইটো ভাল কথা কিন্তু মুখ্যমন্ত্ৰী মহোদয়ৰ সমষ্টিত স্কুল যিমান খিনি লৈছে আন আন সমষ্টিত সিমান খিনি লোৱা নাই। আৰু দ্বিতীয় কথা হ'ল এই যে উন্নয়নৰ ক্ষেত্ৰত নগাওঁ জিলাত আটাইতকৈ বেছি টকা-পইচা বণ্টন কৰা হৈছে, মুখ্যমন্ত্ৰীৰ জিলা বুলিয়েই নেকি তাত টকা-পইচা বেছি দিয়া হৈছে? উপাধ্যক্ষ মহোদয় এই ধৰণে বহুতো ডিচক্ৰিমেশ্যন হোৱা কথা বহুতো কব পাৰি। উপাধ্যক্ষ মহোদয়, আমাৰ এই সদনত ভূমকাৰ

*Speech not Corrected

বিষয়ে আলোচনা হৈছে। এই আলোচনা হোৱাতো বেয়া হোৱা নাই। এই ক্ষেত্ৰত কোনো দল উপদলৰ কথা নহয় সকলোৱে সমানে আলোচনা কৰিছে। কিন্তু ভূমকাৰ বিষয়ে আলোচনা কৰোতে পংকাৰ কথাও আহি পৰে। কিন্তু পংকাৰ দৰে এই চৰকাৰৰ দিনত জনজাতীয় লোকৰ ওপৰত এনেকুৱা দুৰ্ব্যৱহাৰ আৰু বিভত্‌স্য কাণ্ড কাৰখানা হোৱাতো বৰ দুখৰ কথা বৰ লজ্জাজনক কথা অথচ পংকাৰ সেই নায়ক জনকেই এই চৰকাৰৰ দিনত ভূমকালৈ পঠোৱা হ'ল জনজাতীয় লোকৰ ওপৰত অত্যাচাৰ কৰিবলৈ। মাননীয় উপাধ্যক্ষ মহোদয়, এই চৰকাৰৰ দিনত স্থানীয় মানুহক সকলো ধৰণৰ সা-সুবিধা, অগ্ৰাধিকাৰ আৰু সহায় কৰিব বুলি বিশ্বাস কৰিছিলো। পুলিচৰ চাকৰিত কিছুমান জনগোষ্ঠীৰ লোকক পৰীক্ষাৰ কাৰণে উপযুক্ত নহয় বুলি কৈছে আৰু সেই কাৰণে চাকৰি নহয় বুলি কৈছে। কিন্তু অসম চাহ নিগমৰ বিভিন্ন পদত যেনে এচিষ্টেণ্ট মেনেজাৰ, মেনেজাৰ, ফাইনেনচিয়েল মেনেজাৰ আদি পদ কেইটাত কোনোৱা ত্ৰিপাথী, পাণ্ডে আদি অসমৰ বাহিৰৰ লোকক নিযুক্তি দিয়া হ'ল। তাৰ মানে এইটোৱেই বুজাইছে নেকি যে অসমৰ শিক্ষিত নিবনুৱা যুৱকৰ ব্ৰেইন তেওঁলোকতকৈ কম। আৰু সেই কাৰণেই অসম চাহনিগমত অসমৰ বাহিৰৰ পৰা মানুহ আনিব লগা হৈছে। এই বাহিৰৰ অফিচাৰ সকলক এই চৰকাৰৰ দিনতেই অনা হৈছে। আজিৰ পৰা ১২৪ বছৰ আগতে খৃষ্ট ধৰ্মী দুজন মানুহ 'ব্ৰাউন আৰু বনচন' শিৱসাগৰলৈ আহিছিল, মোৱা মৰীয়া আৰু মানৰ আক্ৰমণৰ ফলত অসমৰ ভাষা-সংস্কৃতিৰ মৃত প্ৰায় অৱস্থা হৈছিল। সেই মৃতপ্ৰায় অৱস্থাত থকা সাহিত্য আৰু সংস্কৃতি অসমত পুনৰজ্জীবিত কৰি তুলিলে সেই খৃষ্ট ধৰ্মী মানুহ দুজনেই। কিন্তু আমাৰ গণ পৰিষদ চৰকাৰ যি চৰকাৰে অসমৰ সাহিত্য-সংস্কৃতি ৰক্ষা কৰাৰ কাৰণে বদ্ধপৰিকৰ আৰু ঐক্য সংহতি বজাই ৰখাৰ কাৰণে বদ্ধপৰিকৰ তেনেস্থলত থিক আজি ১২৪ বছৰ পাচত ত্ৰাই খৃষ্ট ধৰ্ম্মৰ মানুহে শিৱসাগৰ জিলাৰ পৰা আপত্তি কৰিব লগীয়া হৈছে, তেওঁলোকে ৰাজ্যপাল মহোদয়ৰ আৰু মুখ্যমন্ত্ৰী মহোদয়ৰ ওচৰত আপত্তি কৰিবলৈ বাধ্য হৈছে যে এই খৃষ্ট ধৰ্মী মানুহ সকল আজি নিগৃহিত হৈছে তেওঁলোকৰ ওপৰত উৎপীড়ন হৈছে বুলি এজন ধৰ্ম্ম যাজকৰ দ্বাৰা অভিযোগ কৰা হৈছে। এই ঘটনা অন্তত এই চৰকাৰৰ দিনত ঘটিব নালাগিছিল কিয়নো বৰ্ত্তমান চৰকাৰ অসমীয়া ভাষা-সংস্কৃতি ৰক্ষা কৰাৰ কাৰণে বদ্ধপৰিকৰ। অথচ এই খৃষ্ট ধৰ্ম্মীলোক সকলেই অসমীয়া ভাষাক এসময়ত জীয়াই তুলিছিল। ২য় কথা হ'ল শান্তি-শৃংখলা

*Speech not Corrected

ৰক্ষা কৰিম বুলি যি কথা কৈছিল সেই কথাও এই চৰকাৰে ৰাখিব পৰা নাই। এইবোৰ কথা পৰীক্ষা কৰি চালে দেখা যায় যে বা অনুভৱ কৰা যায় যে ৰাজ্যপাল মহোদয়ে যি ভাষন সদনত ডাঙি ধৰিলে, সেই ভাষনটোয়ে অসমৰ সৌম্যক ছবি ডাঙি ধৰিব পৰা নাই। অসমৰ ৰাইজে বিচাৰিছিল এখন সৌম্যক ছবি ডাঙি ধৰক আৰু বিচাৰিছিল এই চৰকাৰে ৰাজ্যখনৰ উন্নতিৰ কাৰণে শান্তি-শৃংখলা ৰক্ষা কৰাৰ কাৰণে কিবা এটা কৰক কিন্তু বাৰে বাৰে ৰাইজে দেখি আহিছে আগৰ চৰকাৰে কৰা ভুল ত্ৰুটিবোৰ খুব মেধাবী ল'ৰাৰ নিচিনাকৈ আৰু খুব বুদ্ধিয়ক ল'ৰাৰ নিচিনাকৈ সেইবোৰ সু সম্পনকৈ কৰিছে। আগৰ চৰকাৰে যিবিলাক ভুল-ত্ৰুটি কৰিছিল সেই ভুল-ত্ৰুটি বিলাককে কৰাৰ কাৰণে এই চৰকাৰে শিক্ষা লৈ আছে। অৱশ্যে গুৰুতকৈ ছাত্ৰ কেতিয়াবা বেচি বুদ্ধিয়ক হয়। উপাধ্যক্ষ মহোদয় শেষত এই কথাবিলাক কেবল আমাৰ কথা যে নহয় বা বিৰোধী দলৰ সদস্য সকলৰ কথা হৈ থকা নাই সেই সেই কথাটো মই আগে মোৰ ভাষনত দোহাৰী ভাষন শেষ কৰিম।

'আজিৰ অসম কাকত' তেজপুৰ ২১ মাৰ্চৰ বাতৰী মতে 'অসমত আজিৰ চৰকাৰৰ দিনত মন্ত্ৰী, বিধায়কৰ এচামে হিতেশ্বৰ শইকীয়াৰ চৰকাৰৰ তুলনাতকৈ কম দুৰ্নীতিত লিপ্ত হোৱা নাই বুলি সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্য্যনিৰ্ব্বাহক সদস্য তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সাধাৰন সম্পাদক শ্ৰীহিতেশ ডেকাই ৰাজহুৱা ভাবে অভিযোগ তুলিছে ইয়াৰ পিছত আমাৰ বিৰোধী দলৰ সদস্য সকলে এই চৰকাৰক যি সমালোচনা কৰিছে এই সমালোচনা কেবল বিৰোধী দলৰ বুলি ভাবি নলয় যেন। I request them to read the writings of the wall.

*শ্ৰীদুৰ্গা দাস বড়ো: মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপাল ভীষ্ম নাৰায়ন সিং ডাঙৰীয়াৰ ভাষণৰ ওপৰত মাননীয় সদস্য জয়নাথ শৰ্মা ডাঙৰীয়াই অনা ধন্যবাদ সূচক প্ৰস্তাৱৰ সমৰ্থন জনাই অতি কম সময়ৰ ভিতৰত গোটেই কেইটা দিশত আলোকপাত কৰা সম্ভৱপৰ নহয় যদিও ইয়াৰ কেইটামান গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আৰু বিভাগৰ বিষয়ে বক্তব্য ৰাখিব বিচাৰিছো। আজি কেইবাদিনো ধৰি ৰাজ্যপালৰ ভাষণৰ ওপৰত চলা আলোচনা বিলোচনাৰ পাচত এই ভাষণাৱলীৰ অন্তৰ্গত আটাই কেইটা কথা দফাই দফাই আলোচনা হৈ গৈছে। দুই এজন সদস্যই বিশেষকৈ বিৰোধী পক্ষৰ সদস্যই স্বীকাৰ কৰিবলৈ টান পাব যে এই খন ভাষন এখন ব্যতিক্ৰম ভাষণ হৈছে এই কাৰণেই যে ৰাজ্যপাল

*Speech not Corrected

ডাঙৰীয়াই সত্যক স্বীকাৰ কৰি ৰাজহুৱা ভাবে জনাইছে। তেওঁ সত্যৰ অপলাপ কৰা নাই। সেয়েহে তেখেতে প্ৰথমতে আৰম্ভ কৰিছে—'গতিশীল যুব নেতৃত্বত ৰাজ্যখনে উন্নয়নৰ পথত আগবাঢ়ি এতিয়াতকৈও অধিক উন্নতি লাভ কৰিবলৈ সক্ষম হব।' বিৰোধী পক্ষৰ সদস্য সকলৰ প্ৰত্যেকৰে কাৰণে এই লাইনটো এপাত শেলৰ নিচিনা হৈছে আৰু সেই কাৰনেই তেখেত সকলে সহ্য কৰিব নোৱাৰি ইয়াৰ বিৰুদ্ধে বক্তব্য ৰাখিছে। কিন্তু যিয়েই নহওক ইয়াত সচা কথা লিখিছে আৰু ৰাজ্যপাল ডাঙৰীয়াই প্ৰথমতে অসম চুক্তিৰ ওপৰত বক্তব্য ৰাখি অসম চুক্তিক অসম চৰকাৰে অগ্ৰাধিকাৰ দিয়াৰ লগতে ৰাজ্যপাল ডাঙৰীয়াই এই অসম চুক্তিৰ ওপৰত যি মন্তব্য আগবঢ়াইছে ই এক সচা মন্তব্য। আমাৰ ট্ৰেজাৰী বেঞ্চৰ কেইবা গৰাকীও মাননীয় সদস্যই কৈ গৈছে যদিও বিৰোধী পক্ষৰ সদস্য সকলে স্বীকাৰ কৰিবলৈ টান পাইছে। অসম চৰকাৰে কৰ্ত্তব্যখিনি কৰাৰ পাচত ভাৰত চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰে যি খিনি কৰাৰ দৰ্কাৰ আছিল সেইখিনি কৰাৰ পৰা মূৰ পুলুকা মৰা কথাটো ৰাজ্যপালৰ এই ভাষনৰ ওপৰত স্বীকাৰ কৰাৰ পাচত আৰু অসম চৰকাৰে বাৰে বাৰে বিবৃতি দি অহাৰ পাচত এই বিবৃতি কণ্ট্ৰাডিক্ট কৰিবলৈ মাজে মাজে কেন্দ্ৰীয় চৰকাৰৰ গৃহমন্ত্ৰী দপ্তৰৰ পৰা বিবৃতি দি তেওঁলোকৰ দলৰ ফালৰ পৰা বা কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা যিখিনি কৰিবলগীয়া আছে সেইখিনি কৰিছে আৰু কৰিবলগীয়া নাই বুলি তেখেত সকলে কব বিচাৰে। আমাৰ সদনৰ এগৰাকী জ্যেষ্ঠ আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ সিংহ ডাঙৰীয়াই এই অসম চুক্তিখন পাকে প্ৰকাৰে এখন ভুৱা চুক্তি বুলি কব বিচাৰিছে আৰু মাত্ৰ এখন বগা কাগজৰ দলিল বুলি তেখেতে বক্তব্য ৰাখিব বিচাৰিছে। এই কথাও সত্য যে তেখেতে বগা কাগজৰ দলিল বুলি কব খোজাৰ আগতে আমাৰ মাননীয় সহকৰ্ম্মী দেৱ কুমাৰ বৰা ডাঙৰীয়াই তেখেতৰ কথাখিনি কনট্ৰাডিক্ত কৰি যিখিনি কথা কৈছে এইটো সত্য কথা। তাৰ লগতে মই যোগ দিব বিচাৰিছো যে অসম চুক্তিৰ ওপৰত এক ৰাজনীতি আৰম্ভ হৈছে—অসম থকা সৰ্ব্ব ভাৰতীয় দলেই হওক বা নতুনকৈ অঙ্কুৰিত হোৱা আঞ্চলিক দল বিলাকেই হওক ইয়াকেই সম্বল কৰি লৈ এক ৰাজনীতিৰ পাতনি মেলিবলৈ আৰম্ভ কৰিছে। কিন্তু তেখেত সকলে বুজা উচিত ৰাজনীতি কৰিবলৈ যোৱাৰ আগতে এই অসম চুক্তিক অসমীয়া জাতি বা অসমীয়া ভাষা সংস্কৃতি বা যি ঐক্য সংহতি ৰক্ষা কৰাৰ পৰম্পৰা ইয়াত নিহিত হৈ আছে, সেইটো উলাই কৰিবলৈ তেখেত সকলে বিচাৰিছে। তাৰ পাচত সময়ে সময়ে ভাৰত চৰকাৰে আমাৰ

*Speech not Corrected

উত্তৰ পূৰ্ব্বাঞ্চলৰ সীমামূৰীয়া ৰাজ্য সমূহত সীমা বিবাদৰ সময়ে সময়ে একোটা সমস্যা সৃষ্টি কৰি আৰু সেই সমস্যা বিলাক নিস্পত্তি নকৰাকৈ জীয়াই ৰখাৰ অপচেষ্টা চলাই আহিছে। ভাৰত চৰকাৰৰ এটা নীতি আছে আৰু এই নীতিতো তেওঁলোকে বৃটিচৰ পৰা সম্পত্তি হিচাবে পাইছে। সেইটো হ'ল ৰাজ্য সমূহৰ মাজত বিবাদ সৃষ্টি কৰি সেই বিবাদক সমস্যা হিচাবে লৈ জীয়াই ৰখাৰ ব্যৱস্থা কৰি সেই অঞ্চলৰ ৰাইজৰ ওপৰত শোষন নীতি চলোৱা। ঠিক সেই দৰে উত্তৰ পূৰ্ব্বাঞ্চলতো সীমামূৰীয়া ৰাজ্য সমূহত বিবাদ সৃষ্টি কৰি নিৰ্ব্বাচনৰ সময়ত বা নিৰ্ব্বাচনৰ প্ৰাক মূহূৰ্ত্তৰ আগে আগে সেই বিলাক লৈ মুনাফা আদায় কৰাৰ দৃষ্টান্ত যোৱা দুটা নিৰ্ব্বাচনতেই আপোনালোকে নিশ্চয় পাইছে। উপাধ্যক্ষ মহোদয়, এখন ৰাজ্যত আইন শৃংখলাৰ কথা কবলৈ গলে অসমৰ কোনোবা এটা চুকত দুজন মানুহৰ মাজত হোৱা কাজিয়া পেচাল হোৱা কথাই গোটেই ৰাজ্যখনৰ আইন শৃংখলাৰ কথা হব নোৱাৰে। এইটো নিৰ্ঘাত মিছা কথা হব। ১৯৮৩ চনৰ আইন শৃংখলা আৰু আজিৰ আইন শৃংখলাৰ কথা বিৰোধী পক্ষৰ সদস্য সকলে ভবা উচিত যে ইয়াৰ মাজত এটা বিৰাট পাৰ্থক্য আছে। আইন শৃংখলা অটুট ৰখা নাই বুলি কবলৈ তেওঁলোকে কেনেকৈ সাহস কৰিছে বা চিন্তা চৰ্চ্চা কৰিছে মই বুজা নাই। প্ৰায় ২ কোটি মানুহ বসবাস কৰা অসম ৰাজ্যত কৰবাত চুৰি ডকাইতি, গুণ্ডা বদ মাচ আদিৰ অত্যাচাৰ হলে বা দুটা দলৰ মাজত সংঘৰ্ষ হলে বা দুজনৰ মাজত কাজিয়া পেচাল হলে সেইটোকে সমগ্ৰ ৰাজ্যখনত আইন শৃংখলাৰ অবনতি হোৱা বুলি কব নোৱাৰি। পঞ্জাবৰ অধ্যক্ষ ডাঙৰীয়াক লগ পাওতে তেখেতে এষাৰ কথা কৈছিল। মই আইন শৃংখলাৰ সম্পৰ্কত উদাহৰণ দিবহে বিচাৰিছো। পঞ্জাবৰ কৰবাত দুজন মানুহৰ মাজত সামান্য কাজিয়া পেচাল হলেও সেইটো বাতৰি কাকতৰ শীৰ্ষস্থানত প্ৰকাশ পায় যে এই কাম সন্ত্ৰাসবাদীয়ে কৰিছে, এই কথা কৈ তেখেতে দুখ প্ৰকাশ কৰিছিল। ঠিক তেনেকৈ অসমতো একোতা সৰুসুৰা ঘটনাক কেন্দ্ৰ কৰি তাৰ আলম লৈ গোটেই ৰাজ্যখনতেই আইন শৃংখলাৰ অৱনতি ঘটিছে বুলি কোৱাতো নিশ্চয় ভুল হব। ইয়াৰ পাচত অৰ্থ নৈতিক উন্নয়ন আৰু পৰিকল্পিত উন্নয়নৰ বাবে আৰু ৰাজ্যখনত চলি থকা পৰিস্থিলৈ লক্ষ্য ৰাখি গুৰুত্ব সহকাৰে ১৪ দফীয়া আৰ্য সামাজিক কাৰ্য্য সূচী এখনৰ কথাও আলোচনা কৰিছে। আনহাতে ৰাজ্যখনত কৃষি সম্পৰ্কীয় কাম-কাজ ব্যাপক কৰি তুলিবৰ বাবে ১৯৮৮-৮৯ চন

*Speech not Corrected

বছৰতো 'কৃষি বৰ্ষ' হিচাপে ঘোষণা কৰিবলৈ ৰাজ্য চৰকাৰে সিদ্ধান্ত লৈছে। গতিকে ৰাজ্য চৰকাৰে কৃষিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে আৰু এইটো এটা প্ৰশংসনীয় বিষয়। উদ্যোগ নীতিৰ কথা পূৰ্ব্বতেই অসম চৰকাৰে ঘোষণা কৰিছে। আমাৰ উদ্যোগ মন্ত্ৰী ডাঙৰীয়া ইয়াত উপস্থিত আছে। এই উদ্যোগ নীতি লোৱাৰ পাচত সেই নীতি কিমান দূৰ আগবাঢ়িছে সেই সম্পৰ্কে মই এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো। উদ্যোগ নীতি বৰ সুন্দৰকৈ কাগজে পত্ৰই লোৱা হ'ল। কিন্তু এই নীতি লোৱাৰ পাচত আমাৰ ধলুৱা যুবক সকলে উদ্যোগ খোলাৰ ক্ষেত্ৰত কিমান সহাৰি বা সহায় পাইছে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই এইটো চিন্তা কৰি চোৱা উচিত। উদ্যোগ বিভাগৰ বিষয়া সকলৰ পৰা এই ক্ষেত্ৰত সহাৰি নোপোৱাৰ কাৰণে সকলো কাগজ পত্ৰ ঠিক ঠাক হোৱাৰ পাচতো কেতিয়াবা কয় মাটি নাই আকৌ কেতিয়াবা মাটিবাৰী ইত্যাদি ঠিক থাকিলেও বেংক অথৰিটিৰ পৰা পাবলগীয়া লোণ ইত্যাদিত হেমাহি কৰাৰ কাৰণে এই যি সৰু সুৰা উদ্যোগ খুলিবলৈ নিবনুৱা যুবক সকল আগবাঢ়ি আহে তেওঁলোকৰ আৰু উদ্যোগ আৰম্ভ কৰাৰ অৱস্থা নাথাকে গৈ আৰু তেওঁলোকৰ মনৰ প্ৰেৰণা কমি যায়। গতিকে এই বিলাক কথা উদ্যোগ নীতি লোৱাৰ পাচত বিভাগীয় মন্ত্ৰীয়ে চকু দিব বুলি অনুৰোধ জনালো।

উপাধ্যক্ষ মহোদয়, মই শক্তি বিভাগৰ বিষয়ে কবলৈ ওলাইছো। এই শক্তি বিভাগটোৰ অৰ্কমন্যতাৰ কাৰণে যোৱা বিধান সভাত আলোচনা হৈছিল। তেখেত-সকলৰ বিভাগটোয়ে কি কাৰণত কাম-কাজ চলাব পৰা নাই তাৰ কাৰণে এখন অনুসন্ধান কমিটি গঠন কৰি দিছিল। এই অনুসন্ধান কমিটি গঠন কৰি দিয়াৰ পিচটো এই শক্তি বিভাগটোৰ কোনো উন্নতি নহল। তেখেতসকলে ১৫ মেগাৱাট শক্তি সম্পন্ন ২ টা গোট লাকুৱাত স্থাপন কৰাৰ প্ৰস্তাৱ লোৱা হৈছিল এই প্ৰস্তাৱ লোৱাৰ পিচত যাতে কাৰ্য্যকৰী ব্যৱস্থা লোৱা হয় তাৰ প্ৰতি মই পৰামৰ্শ আগবঢ়াইছো।

এতিয়া মই খনিজ সম্পদৰ কথা কবলৈ ওলাইছো। অসমৰ খাৰুৱা তেলৰ ৰয়েলিটি ১৯২ কোটি টকাৰ পৰা ৩৪০ কোটি টকালৈ বৃদ্ধি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে। এই তেলৰ ৰয়েলিটিৰ কৰণে ভাৰত চৰকাৰৰ বিৰোদ্ধে ৰাজ্য চৰকাৰে কেছ কৰিব লগা হৈছে। এই তেলৰ ৰয়েলিটি পাবৰ কাৰণে কেছ কৰিব লগাহোৱাটো গণতান্ত্ৰিক দেশৰ কাৰণে লাজৰ বিষয়।

*Speech not Corrected

বৰ্ত্তমান গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয় উপস্থিত নাই। তথাপিও মই গড়কাপ্তানী বিভাগৰ বিষয়ে উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে কেইটামান পৰামৰ্শ আগবঢ়াইছো। অসমত বৰ্ত্তমানে অচল অৱস্থাত থকা বিভাগ হৈছে গড়কাপ্তানী বিভাগ। এই গড়কাপ্তানী বিভাগটোত ৰাস্তা-ঘাটৰ আচল অৱস্থাৰ কথা কবলৈ যাওতে গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে তেখেতৰ বিভাগৰ টকা নথকাৰ অজুহাত দেখুৱাই বাৰে বাৰে আমাক পতিয়ন নিয়াবলৈ চেষ্টা কৰিছে। গড়কাপ্তানী মন্ত্ৰীমহোদয়ে নিশ্চয় চিন্তা কৰি কাম-কাজ বিলাক আগবঢ়াই নিয়াত কাৰ্য্যকৰী ব্যবস্থা লব পাৰে। মোৰ পৰামৰ্শ এইখিনি যে এই বিভাগটোৱে এটাৰ পিচত এটাকৈ নতুন ৰাস্তা সাজিবলৈ যাওঁতে বৰ্ত্তমান যি কেইটা পুৰণা ৰাস্তা আছে তাৰ কাম হৈ নুথিবগৈ। শ শ মাইল নতুন ৰাস্তাৰ কাম হাতত লোৱাতকৈ পুৰণা ৰাস্তাকে যদি মেৰামতিৰ কাম হাতত লয় তেতিয়া কাম আগবাঢ়ি যাব পাৰিব। উপাধক্ষ্য মহোদয়, মই গড়কাপ্তানী বিভাগটোৰ বিষয়ে আক্ষেপ কৰি এই কাৰণে কৈছো যে ইয়াৰ প্ৰমান মই ওদালগুৰি মহকুমাকে দিব পাৰো। টংলা চাব-ডিভিজন আৰু মঙ্গলদৈ ডিভিজনৰ অধীনত যিমান বিলাক ৰাস্তা আছে, বিশেষকৈ টংলাত যি বিলাক ৰাস্তা আছে বাৰিষা অহাৰ লগে লগে ১০০ ভাগৰ ১০০ ভাগেই বন্ধ হৈ যায়। ইয়াৰোপৰি বাননিয়ন্ত্ৰন, ৰাজহ, পুনৰসংস্থপন, উদ্যোগ ইত্যাদি বিভাগৰ কথা আছেই।

মই এতিয়া শিক্ষা বিভাগৰ বিষয়ে কবলৈ ওলাইছো। শিক্ষা বিভাগত অবশ্যে অসম চৰকাৰে গুৰুত্ব দিছে। আমাৰ অসম চৰকাৰে বাজেটত অধিক টকা ধৰাৰ কৰণে এইবাৰ শিক্ষা বিভাগে গোটেই অসমতে সুফল দিব পাৰিছে। এই শিক্ষা বিভাগৰ বিভাগীয় মইমতালীৰ কথা বাদ দি প্ৰাথমিক বিদ্যালয় নতুনকৈ গৃহ নিৰ্মানৰ যি আচনি লৈছে সি আগৰ পৰিবেশ নাইকিয়া কৰিব। অকল এই আচঁনি প্ৰাথমিক বিদ্যালয়তে আবদ্ধ নাৰাখি হাইস্কুল আৰু হায়াৰচেকেণ্ডেৰী স্কুললৈকো আগবঢ়াব লাগে।

গ্ৰাম্যউন্নয়নৰ বিষয়ে কওঁ যে এই বছৰত গ্ৰাম্য উন্নয়ন কিবা হৈছে বুলি মই নাভাবো। এন, আৰ, ই, পি ত যি খিনি এল, পি স্কুলত টকা দিয়া হয় সেইখিনি ধনেৰে কিয় আগৰ দিনত কাম হৈ উঠা নাছিল মই কব নোৱাৰো। আগৰ ৪৫ হেজাৰৰ পৰা এতিয়া ৬১ হেজাৰ কৰা হৈছে। এই টকাবোৰ যদি ৰাইজৰ হাতত দিয়া হয় তেতিয়া সুফল পাব।

এতিয়া মই কব বিচাৰিছো যে দুৰ্বল শ্ৰেণীৰ কল্যানৰ কাৰণে যি ব্যৱস্থা

*Speech not Corrected

লোৱা হৈছে ডব্লিউ, পি, টি, চি বিভাগৰ মন্ত্ৰী মহোদয়ক তাৰ বিষয়ে পৰামৰ্শ দিব বিচাৰিছো। আমাৰ এচ, টি এচ, চি ৰ নামত যি টকা পইচা 'চেংচন' হয় সেই টকাৰে বিভাগে গাড়ী কিনা আৰু অন্য কামত খৰচ কৰে। আমাৰ মাননীয় সদস্য শ্ৰীভৰত নৰহ ডাঙৰীয়া মন্ত্ৰী হৈ থাকোতে এই কথাটো স্বীকাৰ কৰিছে এচ, টি, এচ চি নামত যি টকাটো যায় সেই টকাটো যাতে প্ৰকৃত কামত খৰচ হয় তাৰ বাবে মই মন্ত্ৰী মহোদয়ক পৰামৰ্শ আগবঢ়াইছো।

শেষত মই আমাৰ স্বাস্থ্য বিভাগৰ ওপৰত এটা কথা কব বিচাৰিছো আমাৰ কিছুমান ৩০ খন বিচনা যুক্তই হওঁক বা পি, এইচ, ই য়ে হওঁক হস্পিটাল আছে। যি বিলাক অঞ্চল মেলেৰিয়া বুলি 'ডিমাকেট' কৰা আছে, সেই অঞ্চলৰ হস্পিটেল বিলাকত পৰিকল্পিত ভাৱে ব্যৱস্থা লব লাগে। সেই বিলাক হস্পিটেলৰ যিহেতু প্ৰপজেল আছে তাক অস্থায়ীৰ পৰিবৰ্ত্তে স্থায়ী কৰিব লাগে। তামোলপুৰ, পানেৰী, ওদালগুৰী, মাজবাট আৰু ৰঙাপাৰাৰালৈকে মেলেৰীয়া জোন বুলি ডিমাৰকেট কৰা হৈছে। তাত অস্থায়ী হস্পিটেল পতাৰ ব্যৱস্থা নকৰি স্থায়ী হস্পিটেল পতাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিলো।

আমাৰ মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মা ডাঙৰীয়াই ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাব আনিছে তাক মই সমৰ্থন কৰি বিৰোধী পক্ষৰ মাননীয় সদস্য সকলকো সমৰ্থন কৰিবলৈ অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

Shri Ardhendu Kumar Dey— Mr Deputy Speaker Sir, we are debating on the Governor's Address; unfortunately out of 32-33 Ministers we have only three Ministers present in the House now. Is that sufficient ?

Shri Santi Ranjan Das Gupta— Mr Deputy Speaker Sir, we have only two hour's time. Three hour's time is required Sir.

মাননীয় উপধ্যক্ষ ঃ এটিয়া মাননীয় সদস্য শ্ৰীৰবীন শইকীয়া

শ্ৰীৰবীন শইকীয়া ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত আমাৰ মাননীয় শ্ৰীজয় নাথ শৰ্ম্মা ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাৱ আগবঢ়াইছে তাৰ প্ৰতি মই পূৰ্ণ সমৰ্থন আগবঢ়াই কেইষাৰমান কথা কব বিচাৰিছো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত দেবৰ নেতৃত্বত যি যুৱ চৰকাৰ গঢ়ি উঠিছে, এই যুৱ নেতৃত্বাধীন চৰকাৰৰ মাত্ৰ আঢ়ৈটা বছৰহে

*Speech not Corrected

হৈছে। বেছি সময় হোৱাত ৰাজ্যখনৰ উন্নতিৰ কাৰণে যি কাম কৰা হৈছে এই সন্দৰ্ভত আমি দলৰ বিধায়ক হিচাবে সমৰ্থন জনাই ৰাজ্যপাল মহোদয় এজন নিৰপেক্ষ হিচাবে দিয়া ভাষণক প্ৰসংশা ক'ৰিছো। মই এই খিনিতে দুখ পাইছো যে বিৰোধী পক্ষই যুৱ চৰকাৰৰ বিষয়ে ঈৰ্ষাৰ বশঃবৰ্ত্তী হৈ বক্তব্য ৰাখিছে। এই কথাটো অগ্ৰদুত কাকততো লিখিছে। যি সময়ত ৰাজ্যপাল মহোদয়ে ভাষণ দি আছিল সেই সময়ত বিৰোধী পক্ষৰ বয়োজেষ্ঠ সদস্য সকলে ছেম ছেম বুলি কৈ উশৃঙ্খলাৰ সৃষ্টি কৰিছিল। অগ্ৰদুত কাকতত লিখিছে যে আই কংগ্ৰেছৰ বয়োজেষ্ঠ বিধায়ক সকলেও যদি এনে ধৰণৰ উশৃঙ্খলা সৃষ্টি কৰে তেতিয়া হলে এনে পৰিবেশৰ পৰা হাত সাৰিবলৈ ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণ এটা কেছেটত টেপ কৰিয়ে সদনলৈ পঠোৱাৰ সম্ভৱনা আছে। সদনত যি সকলে আইন শৃঙ্খলাৰ কথা কয়, সেই সকলে আইন শৃংখলাৰ মানি চলিব নেজানে। এইটো এটা দুখৰ কথা হৈছে। আমাৰ মাননীয় সদস্য এজনে কৈছে যে বুঢ়াৰ কথা নুশুনা ডেকা, পানীত পৰি কিয় কেকা ? ইয়াৰ অৰ্থ এইটোৱে নেকি যে আমি তেওঁলোকৰ কথা শুনিব লাগে ? যি সকলে ৰাজ্যপালৰ ভাষণৰ ওপৰত ছেম ছেম বুলি চিঞৰ বাখৰ কৰিছিল তেওঁলোকে প্ৰটোক'লৰ কথা নেজানে নেকি ?

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সাংস্কৃতিক বিভাগৰ উন্নয়নৰ কাৰণে প্ৰথম বাৰৰ বাবে শংকৰদেৱ বটা ডঃ ভূপেন হাজৰিকা আৰু শ্ৰীকীৰ্ত্তিনাথ হাজৰিকাক প্ৰদান কৰিছিল। কিন্তু বিৰোধী পক্ষৰ সদস্য সকলে এই বটা ৰাজনৈতিক ভাবে দিয়া হৈছে বুলি কৈছে। গণপৰিষদ চৰকাৰে দিয়াৰ কাৰণে ৰাজনৈতিক বুলি কৈছে। কিন্তু আন্তৰ্জাতিক খ্যাতিসম্পন্ন সাংবাদিক শ্ৰীকীৰ্ত্তিনাথ হাজৰিকাদেৱক সৰ্ব্বভাৰতীয় ভিত্তিত যি বটা পাইছে সেইটোও ৰাজনৈতিক আছিল নেকি ? মাননীয় সদস্য সকলে এই কথাটো চিন্তা কৰি চাব লাগে। আমাৰ যুৱ চৰকাৰে সৰ্ব্বাঙ্গীন উন্নয়নৰ কাৰণে পৰিকল্পিত আচঁনি সমূহ দ্ৰুত গতিত ৰূপায়নৰ কাৰণে চেষ্টা কৰিছে। চলিত বছৰত যি ৫৭৫ কোটি টকাৰ আবণ্টন দিয়া হৈছে তাৰ ঠাইত ১৯৮৮ চনৰ বিত্তীয় বছৰত ৬১০ কোটি বঢ়াই দিয়া হৈছে। অসমত বিত্তীয় বছৰত যাতে শ্ৰেণীগত ভাবে কাম কৰিব পাৰে তাৰ কাৰণে মহকুমা ভিত্তিত পৰিকল্পনা বিকেন্দ্ৰীকৰণ কৰা হৈছে।

এইখিনিতে মই চৰকাৰক পৰামৰ্শ আগবঢ়াব বিচাৰিছো যে যি হেতুকে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে পৰিকল্পনা বিভাগটো চায়, সেই বাবে এটা

*Speech not Corrected

কথাত অনুৰোধ জনাইছো যে ১৯৮৭-৮৮ চনৰ বাবে মহকুমা পৰিকল্পনা আঁচনিৰ পৰা জনসাধাৰণক আতৰাই যাতে নানে। চৰকাৰে বৰ্ত্তমান শিক্ষা, জলসিঞ্চন, ভূমি সংৰক্ষণ, পশু পালন, পশু চিকিৎসা ইত্যাদিৰ কাম হাতত লৈছে। কিন্তু সেইবিলাক লেহেম গতিত হৈছে। এই কাম বিলাকক মহকুমা পৰ্য্যায়ত—কৰিবলৈ দিলে সোনকালে হৈ উঠিব। ৰাষ্ট্ৰত শিক্ষিত লোকৰ হাৰ হৈছে ৩৬ আৰু অসমত ২৬·২। অসমৰ জনসাধাৰণে খাবলৈ পিন্ধিবলৈ নেপায়। তেনেকুৱা জনসাধাৰণে স্কুল ঘৰ আদি নিৰ্মাণ কৰিছে। কিন্তু বৰ্ত্তমান অসম গণপৰিষদ চৰকাৰে তুখীয়া ৰাইজৰ কাৰণে অসমত সাত শ বিদ্যালয় নিৰ্মাণ কৰিবলৈ এন, আৰ, ই, পি, আৰু আৰ, এল, ই, জি, পি যোগে ৬১ হেজাৰ টকাকৈ স্কুল ঘৰ বনাব দিছে। অসম গণ পৰিষদ চৰকাৰৰ বিশেষ ভূমিকা এই যে এইবাৰ শিক্ষা বিভাগত কেন্দ্ৰীয় চৰকাৰৰ শিতানৰ পৰা ৮ কোটি টকা আনি ৩৩ টা ব্লকত আৰু ৭২ খন নগৰত শিক্ষা ভাল ধৰণে দিয়াৰ ব্যৱস্থা কৰা হৈছে। হৈছে। ১৯৮৩ চনত আগৰ চৰাকাৰে চি, আৰ, পি, কে ধৰি অন্যান্য মেলেটাৰী ৰাখি যি বেছিক ট্ৰেইনিং চেণ্টাৰ আছিল, সেইবিলাক বেয়া কৰি পেলাইছে। আমাৰ গণ পৰিষদ চৰকাৰে সেইবিলাক আতৰাই দিছে। বৰ্ত্তমান শিক্ষা বিভাগত যিমানখিনি কাম হৈছে তাত দুই এটা ত্ৰুটি বিচ্যুতি থাকিলেও শিক্ষা বিভাগৰ যে আগতকৈ উন্নতি হৈছে তাক স্বীকাৰ কৰিব লাগিব। আগতে ঐতিহ্য সংৰক্ষণৰ নামত নকৰা কাম কৰা হৈছে। 'বিশ্বকোষ' ১৭ বছৰ ধৰি পৰি থকাৰ পৰিনতিত এইবাৰ নতুনকৈ উলিওৱা হৈছে।

মই স্বাস্থ্য বিভাগৰ কথা কব বিচাৰিছো। দুহেজাৰ চনৰ স্বাস্থ্যবৰ্ষ আমাৰ গণ পৰিষদ চৰকাৰে সমৰ্থন জনাইছে। অসমত কেবাটাও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু দুশ বা এক শ খন বিচনাযুক্ত হস্পিটেল বনাইছে। স্বাস্থ্য কেন্দ্ৰবোৰত যাতে সোনকালে ঔষধ পাতি যোগান ধৰাৰ ব্যৱস্থা লোৱা হয় তাৰ কাৰণে মই পৰামৰ্শ আগবঢ়ালো।

ইয়াৰোপৰি খোৱা পানীৰ বাবে ৫ টা ওৱাটাৰ চাপ্লাই স্কীমৰ ব্যৱস্থা কৰা হৈছে। চৰকাৰে উদ্যোগৰ উন্নতিৰ বাবে ২৫ হেজাৰৰ ঠাইত ৩৫ হেজাৰলৈ বঢ়াই দিয়াৰ ব্যৱস্থা কৰিছে।

উপাধ্যক্ষ মহোদয়, এতিয়া মই কৃষিৰ বিষয়ে অলপ কম বুলি ভাবিছো। মই কৃষি বিশেষজ্ঞ সকলক পৰামৰ্শ আগবঢ়াব খুজিছো যে অসমত দুটা খেতিৰ

*Speech not Corrected

উপৰিও বেছি খেতি কৰিব পাৰি নেকি তাৰ কাৰণে চাব লাগে। তেতিয়া কৃষক সকলৰ উন্নতি হব। অসমৰ কৃষক সকলৰ ভৰাল উন্নত কৰিব পাৰি নেকি তাৰ কাৰণে যত্ন কৰিব লাগে। কৃষি সম্প্ৰসাৰণৰ কথা চিন্তা কৰিলে অসমৰ কৃষক সকল উপকৃত হব। এই ক্ষেত্ৰত মই বিশেষজ্ঞ সকলক চিন্তা চৰ্চ্চা কৰিবলৈ অনুৰোধ জনালো। ইয়াৰ পিচত মই পঞ্চায়ত বিভাগৰ সম্পৰ্কত কবলৈ বিচাৰিছো অৱশ্যে এতিয়া পঞ্চায়ত মন্ত্ৰী বিধান সভাৰ মজিয়াত উপস্থিত নাই। তথাপিও মই কওঁ যে গ্ৰাম্য উন্নয়নৰ কাৰণে যি বিলাক এন আৰ ই পি বা আৰ এল ই জি পি আচঁনি আছে সেই বিলাকত কেন্দ্ৰীয় চৰকাৰে টকা দিয়ে। এন আৰ ই পিৰ কাৰণে শতকৰা ৫০ ভাগ ৰাজ্য চৰকাৰে দিয়ে আৰু শতকৰা ৫০ ভাগ কেন্দ্ৰীয় চৰকাৰৰ পৰা দিয়ে। কিন্তু আৰ এল ই জি পিৰ কাৰণে শতকৰা ১০০ ভাগেই কেন্দ্ৰীয় চৰকাৰৰ পৰা দিয়ে। কিন্তু আমাৰ ইয়াত গণ পৰিষদ চৰকাৰ থকাৰ কাৰণেইনেকি আমি নাজানো কেন্দ্ৰীয় চৰকাৰৰ পৰা গ্ৰাম্য উন্নয়নৰ কাৰণে ওপৰোক্ত আচনি বিলাকত যি পৰিমানৰ টকা পাব লাগে সেই টকা পোৱা হোৱা নাই। আমি চইল কনজাৰভেচন, জলসিঞ্চন, ফিচাৰি আদিৰ কাৰণে আচঁনি দিছো যদিও ইয়াৰ কাৰণে টকা অগা নাই। গতিকে মই গ্ৰাম্য উন্নয়ন মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যে এই বিলাক আচঁনিৰ টকা যাতে তেখেতে সোন-কালে আনিবলৈ চেষ্টা কৰে এই ক্ষেত্ৰত প্ৰয়োজন বোধ কৰিলে এটা কেবিনেট সিদ্ধান্ত লোৱা ভাল হব। এই খিনিতে মই আৰু এটা কথা কব বিচাৰিছো যে ৬১ হাজাৰ টকাৰে যি বিলাক স্কুল কৰা হৈছে সেই বিলাক সম্পূৰ্ণ হৈছে। কিন্তু যি বিলাক স্কুলত ৪৫ হাজাৰকৈ টকা দিয়া হৈছে সেই বিলাক স্কুল সম্পূৰ্ণ হোৱা নাই। এই সম্পৰ্কত মই ভাবো যে এটা কেবিনেট সিদ্ধান্ত লোৱা ভাল হব যে যি বিলাক স্কুল কৰিবলৈ ব্লকক যি বিলাক টকা দিয়া হয় সেই বিলাক ৰাইজৰ হাতত গতাই দিব লাগে। এই ক্ষেত্ৰত সকলো কাম ৰাইজেই কৰিব, ব্লক মাত্ৰ চুপাৰভিচনতহে থাকিব। সম্পূণ টকা ৰাইজৰ হাতত গতাই দিলে মই ভাবো যে ৬১ হাজাৰ টকা দিয়া স্কুলৰ নিচিনাকৈ এই বিলাক সম্পূৰ্ণ হৈ উঠিব। আজিলৈকে ১৯৮১ চনৰ পৰা ১৯৮৫ চনলৈকে যি বিলাক স্কুলত ৪৫ হাজাৰকৈ টকা দিছিল সেই বিলাকৰ আধাহে হৈছে। আমাৰ গন পৰিষদ চৰকাৰৰ নেৰা নেপেৰা চেষ্টাৰ কাৰণে এই বিলাক কাম হৈ উঠিছে। ৰাইজে নিৰ্বিচাৰিলে হয়তো আমি নাথাকিব পাৰো কিন্তু আমি থাকিম বুলিয়েই আশা

* Speech not Corrected

কৰিছো। আমি থাকোয়েই বা নাথাকোৱেই সেইটো কথা নহয়, ৰাইজৰ হাতত টকা আদায় দিব লাগে। আমাৰ সকলো বিলাক আচঁনিৰ উদ্দেশ্য হৈছে যে ৰাইজক সহায় কৰা।

(সময়ৰ সংকেট)

আমি দেখিবলৈ পাইছো যে ইতিমধ্যে বানপানীৰ ক্ষতিগ্ৰষ্ট হোৱা ৰাইজক ৰাজহ বিভাগৰ পৰা পুনৰ সংস্থাপনৰ ব্যৱস্থা লৈ থকা হৈছে। অসম চুক্তিৰ পিচৰ পৰা মুখ্য মন্ত্ৰীৰ সাহায্য পুঞ্জিলৈ ৰাইজে টকা দিছে। সেই দৰে ৰাইজেও আগৰ ১০০ বা ২০০ টকাৰ ঠাইত ৫ হাজাৰৰ পৰা ২ হাজাৰ, ৩ হাজাৰ টকালৈকে সাহায্য পাইছে।

শেষত ৰাজ্যপালৰ ভাষণত এইটো কথা দেখা পাইছো যে বৰ্ত্তমান যুব নেতৃত্বত গণ পৰিষদ চৰকাৰে ভল কামেই কৰিছে। ইয়াৰ কাৰণে যেন বিৰোধী পক্ষৰ সদস্য সকলৰ নিৰপেক্ষ বিবৃত্তিত গা বেজ বেজাই নাযায়, ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

শ্ৰীৰত্নেশ্বৰ চৰকাৰঃ মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষনৰ ওপৰত যি বিতৰ্ক হৈছে এই বিৰ্তকত অংশগ্ৰহন কৰি মই দুৱাষাৰমান কথা কবলৈ বিচাৰিছো। অসমৰ সকলো ৰাইজে জাতি, বৰ্ণ, ধৰ্ম্ম নিৰ্বিশেষে ৰাজ্যপালৰ ভাষণখন সৰ্ব্বাংগ সুন্দৰ, সকলোৰে গ্ৰহণ যোগ্য হোৱাটো বিচাৰিছিল। কিন্তু আমি দেখিবলৈ পাইছো যে অসম চৰকাৰৰ কথাখিনিকে ৰাজ্যপালৰ মুখেৰে প্ৰকাশ পাইছে। উপাধ্যক্ষ মহোদয়, আমি গনতন্ত্ৰৰ ভিত্তিত ৰাইজৰ ভোট লৈ ৰাইজৰ প্ৰতিনিধি হৈ আহিছো। ৰাইজে আমাক জয়যুক্ত কৰি পঠাইছে। ৰাইজে আমাক জয়যুক্ত কৰি পঠোৱাৰ উদ্দেশ্য হৈছে যে ৰাইজৰ অভাব অভিযোগ বিলাক আমি ইয়াত দাঙি ধৰিম আৰু ৰাইজৰ সমস্যা বিলাক সমাধান কৰিম। কিন্তু আমি ৰাইজৰ সমস্যা সমাধান কৰাটো দূৰৰে কথা আজি আমাৰ মূল্য নাইকীয়া হৈ গৈছে, কিয়নো আমি ইউ এম এফৰ সদস্য।

( ভইচ-এই ফালে আহক )

উদাহৰণ স্বৰূপে মন্ত্ৰী সকল, বিধান সভাৰ সদস্য সকল আৰু বিষয়া সকলৰ জ্ঞাতাৰ্থে কবলৈ বাধ্য হৈছো যে আমাৰ ইয়াত গনতন্ত্ৰ বাদ দি তাৰ ঠাইত শ্ৰজনপ্ৰিতীয়ে হৈছে। মই বিৰোধী পক্ষৰ সদস্য কিন্তু শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়া শাসক দলৰ সদস্য। প্ৰাৰ্থক্য ইমানেই। কিন্তু আমি দেখিবলৈ পাইছো যে শ্ৰীজয়নাথ শৰ্মাৰ সমষ্টিত আৰু মুখ্যমন্ত্ৰীৰ সমষ্টিত যিমান বিলাক কাম হৈছে, যিমান বিলাক আৰ্থিক মঞ্জুৰী পাইছে সেই হিচাবে আমি পোৱা নাই। কিছুমান সমষ্টিত ৫৬ খনলৈকে

বিদ্যালয়ে অৰ্থিক মঞ্জুৰী পাইছে। কিন্তু মোৰ সমষ্টিত মাত্ৰ ১১ খন বিদ্যালয়হে আৰ্থিক মঞ্জুৰী পাইছে। কিন্তু আচৰিত কথা যে এই ১১ খনৰ ভিতৰৰে ৭ খন হৈছে এটা পঞ্চায়তৰ, বৈতামাৰী পঞ্চায়তৰ। তাতোকৈ আচৰিত কথা যে এই ১১ খন এটা সম্প্ৰদায়ৰ ভিতৰত দিয়া হৈছে। তাতোকৈ আচৰিত কথা যে এই ১১ খন বিদ্যালয়ৰ ভিতৰৰে এখন স্কুলৰ নামেই নাই। তাতে ৬১ হাজাৰ টকা দিছে। এই দৰেই কামকৰি এই চৰকাৰে বাহ বাহ লৈ আছে। আচৰিত কথা উত্তৰ শলমৰাৰ জিয়াজুৰি এখন এলপি স্কুল আছে। তাৰ ল'ৰা ছোৱালী বাপেক মাক সকলোকে মিলালেও ১৫ নহব। এনেকুৱা অঞ্চলটো এই চৰকাৰে সুন্দৰ পৰিকল্পিতভাবে ৬১ হাজাৰ টকা দি এখন স্কুল বান্ধি দিছে। মাননীয় উপাধ্যক্ষ মহোদয় কবলৈ বাধ্য হৈছো যে আজি আমাৰ ওপৰত অন্যায় অত্যাচাৰ চলিছে। আমি এই চৰকাৰৰ পৰা কৈফিয়ত নিবিচাৰো। কিন্তু ৰাইজক এদিন ইয়াৰ কৈফিয়ত দিব লাগিব। মই এটা কথা, জনাব বিচাৰিছো যে গোৱালপাৰা জিলাৰ শিক্ষা বিষয়াজন দূৰ্নীতিপৰায়ন। এই বিষয়া জনৰ বদলিৰ কাৰণে আমি ৩।৪ জন মান বিধায়কে শিক্ষা মন্ত্ৰীক জনাইছিলো যে তেখেতক বদলি কৰি অন্য ঠাইত দিব লাগে। এই সম্পৰ্কত শিক্ষা বিভাগৰ সচিব, শিক্ষা বিভাগৰ সঞ্চালক আদিকো জনাইছিলো। এই সকলোকে জনোৱাস্বত্বেও আজিলৈকে আমি সুবিচাৰ নাপালো। এইটোৱেই যদি হয়, গনতন্ত্ৰ কত? প্ৰায় বিলাক ক্ষেত্ৰতে স্বজনপ্ৰীতি দেখা পোৱা গৈছে। উদাহৰণ আৰু কিমান কম। মোৰ উত্তৰ শালমাৰা মহকুমা শিক্ষা উপদেষ্টা পৰিষদ আছে—যোৱা তুবছৰ ধৰি যিবিলাক নিযুক্তি দিয়া হৈছে যে ই বিলাক আপোনাৰ জৰিয়তে বিভাগীয় মূৰব্বীক জনাও যে চৰকাৰী নৰ্ম্মচ্ ভায়লেট কৰি কম্পাৰ্টমেণ্টেল পোৱা, শতকৰা ৩১ নম্বৰ পোৱা আনকি অভাৰ এজ হোৱা সকলোক নিযুক্তি দিয়া হৈছে। এই ধৰণে যদি স্বজনপ্ৰীতি হয়, তেন্তে আমি বিচাৰ কত পাম। বিৰোধী দলৰ পৰা যি বিতৰ্কৰ প্ৰস্তাৱ আনিছে তাক সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীহেমেন দাস: মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষনৰ ওপৰত উথাপন কৰা ধন্যবাদসূচক প্ৰস্তাবৰ বিৰোধীতা কৰি মই তুষাৰ কবলৈ গৈ আজি চিন্তাত পৰিছো যে মই আজি কত আছো, কত আছিলো আৰু কলৈ গৈ আছো। এইটোৱেই হল মোৰ ডাঙৰ প্ৰশ্ন। ৰাজ্যপালৰ ভাষন হল চৰকাৰৰ নীতি নিৰ্দ্দেশ। ইয়াত কিছুমান নীতিৰ নিৰ্দেশনা কৰিছে। এতিয়া উপাধ্যক্ষ মহোদয়, এই নীতিবিলাক যিসকলে কাৰ্য্যকৰী কৰিব, সেই সকলৰ ছুৰৱস্থা আজি কি?

নীতিবিলাক কাৰ্য্যকৰী কৰাৰ দায়িত্ব মন্ত্ৰী সভাৰ সদস্য সকলৰ। মুখ্যমন্ত্ৰীৰ পৰা জানিব পাৰিছো এই মন্ত্ৰীসভাৰ সদস্য আজি দুৰ্নীতিৰ অভিযোগত অভিযুক্ত। এইটো ১৫ মাৰ্চ চেন্টিনেল কাকতে জনাইছে। মই বাতৰিটো পঢ়ি দিছো।

The Sentinel, 15th March : It is alleged that the Ministers have collected large sums of money from Tinsukia for party funds during Nazira election and allegedly misappropriate a proportion of the fund. কথাটো যদি মিছা হয় তেন্তে মুখ্যমন্ত্ৰীয়ে কণ্ট্ৰাদিকচন দিলেহেতেন। মই সেই দিনাৰ পৰাই চেন্টিনেল খন পঢ়ি আছো। কথাটো যিহেতু সচা মুখ্যমন্ত্ৰীয়ে কতো আজিলৈকে মিছা বুলি নকলে। যিখন চৰকাৰৰ মন্ত্ৰী আজি চান্দা তুলি পকেট মৰাৰ অভিযোগ স্বয়ং মুখ্যমন্ত্ৰীয়ে আনিছে, তেনে ক্ষেত্ৰত ভাবি চাওক আমি কত আছো। যিখন মন্ত্ৰী সভাৰ সদস্যই পাৰ্টিৰ নামত টকা তুলি নিজেই আত্মসাৎ কৰিছে সেই কথা মুখ্যমন্ত্ৰীয়ে আমাক জানিব দিছে আমি কেনৈ গৈছো কওকচোন? সেই দুৰ্নীতিপৰায়ন মন্ত্ৰীৰ দ্বাৰা কোটি কোটি টকা খৰছ হব তাত আশা কৰিব পাৰোনে যে দেশৰ কল্যানৰ কাৰণে সেই টকা খৰছ হব। নহয়। গতিকে যেতিয়ালৈকে দুৰ্নীতি পৰায়ন মন্ত্ৰী থাকিব, কওকচোন আমি কত আছো? চৰকাৰে জনসাধাৰণক আগত কি দাঙি ধৰিছে? সেই মন্ত্ৰীক আজিলৈকে বিতাৰণ কৰা নাই মুখ্যমন্ত্ৰীয়ে সন্দেহ কৰিছে। সন্দেহ কৰা ভিত্তি আছে। এনে দুৰ্নীতিপৰায়ন মন্ত্ৰীক যদি মন্ত্ৰী সভাৰ পৰা বাদ নিদিয়ে আমি কলৈ গৈ আছো ভাবি চাওক। জনপ্ৰিয় কাকত অগ্ৰদূতত কি খবৰ ওলাইছে? শ্বহীদ পৰিয়ালৰ নামত ভগোৰা টকা বিধায়কে লোৱাৰ অভিযোগ। শ্বহীদ পৰিয়ালৰ ধন বিধায়কৰ পকেটলৈ যায়। ছিঃ। হায়, অসম আন্দোলন! অসমৰ জনসাধাৰণ, যি সকল ওলাইছিল দেশৰ পৰা বিদেশী মুক্ত কৰাৰ কাৰণে সেই সকলৰ নামত দিয়া টকা পকেটলৈ যায়। মন্ত্ৰীৰ দুৰ্নীতিৰ কথা মুখ্যমন্ত্ৰীয়ে কৈছে, আৰু বিধায়কৰ দুৰ্নীতিৰ কথা অগ্ৰদূত কাকতে কৈছে। "আজিৰ অসমত" ছাত্ৰ সন্থাই কি কলে? সাংঘাটিক কথা: "অসমৰ আজিৰ চৰকাৰৰ দিনত মন্ত্ৰী বিধায়ক এচাম হিতেশ্বৰ শইকীয়াৰ চৰকাৰৰ তুলনাত কম দুৰ্নীতিত লিপ্ত হোৱা নাই। এই দুৰ্নীতি ৰোধ কৰিব নোৱাৰিলে ভৱিষ্যত অন্ধকাৰ।" আমি কলৈ গৈছো? ৰাজ্যপালৰ ভাষণত কৈছে যে, যুৱনেতৃত্ব গতিশীল। গতি দুটা আছে উৰ্দ্ধ আৰু অধঃ গতি। যুৱ নেতৃত্বই অধঃ গতিলৈ লৈ গৈছে। এই তিনিটা কথা আজি মই কোৱা নাই। মুখ্যমন্ত্ৰীয়ে কৈছে, অগ্ৰদূতে কৈছে, আৰু ছাত্ৰ সন্থাৰ উচ্চ পৰ্য্যয়ৰ নেতা নামত দিছে। গুৱাহাটী ইউনিভাৰচিটিৰ জেনেৰেল চেক্ৰেটেৰী শ্ৰীহিতেশ

ডেকা। সেই সময়ত কাৰ্ত্তিক হাজৰীকা আৰু কেশব মহন্ত উপস্থিত আছিল। কওঁকচোন চাৰ, অন্ধকাৰৰ মুখলৈ লৈ যোৱাতো সমৰ্থন কৰেনে ? মই নকৰো। আলু কমিটিৰ প্ৰতিবেদন দিছে। যি জনে কেজিত ৮ টকা ঠিক কৰিছিল সেই জন বিষয়াক কিবা শাস্তি দিলেনে ? দিব নোৱাৰে। আৰু বহুত ঘটনা আছে বাতৰি কাকতে কিমান চপাব ? এখন কাগজ পিজৰাৰ ফাকেদি মোক দি গ'ল। চটল কনষ্ট্ৰাকচনৰ ১ লাখ ৪৫ হাজাৰ ঠিকাৰ কথা। তেওঁ ৱৰ্কঅৰ্ডাৰ আনিবলৈ যাওঁতে তেওঁৰ নামটো কাটি মন্ত্ৰীৰ হুকুমত আন এজনক ঠিকাটো দিছে। বৰপেটা গণপৰিষদৰ কৰ্ম্মশালাত শ্ৰীপবিন ডেকাকো ইয়াৰ এটা কপি দিছে। কিন্তু তাৰ কোনো প্ৰতিকাৰ নাই। অত্যন্ত দুখজনক অৱস্থাত আমি পৰিছো। অন্ধকাৰলৈ লৈ যোৱাৰ এইটোৱেই নিশ্চয় প্ৰমান কৰে। কালিৰ এটা ঘটনাত সচাকৈ মই মৰ্ম্মাহত হৈছো। কালি বিধান সভাৰ শেষত আবাস গৃহলৈ যাওঁতে এজনে মোক শিক্ষকে ধৰ্ম্মঘট কৰা ঠাইলৈ লৈ গল। উচ্চ মাধ্যমিকৰ প্ৰায় ১০০ শিক্ষকক ৰাস্তাৰ ওপৰত গ্ৰেপ্তাৰ কৰি থৈ দিছে ১১ বজাৰ পৰা ২'৩০ বজালৈকে তেওঁলোকক ৰাজপথত ৰাখিছে। তেওঁলোকক পানী এটোপাও খাবলৈ দিয়া নাই। তেওঁলোকৰ অপৰাধ কি ? অপৰাধ সাংঘাটিক। চৰকাৰৰ ওচৰত এখন দৰ্খাস্ত এখন দি আহিছিল। আজি ইমান গনতন্ত্ৰ আছে যে হাইস্কুলৰ শিক্ষক সকলে এখন দৰ্খাস্ত দিবলৈ অহাৰ কাৰণে গ্ৰেপ্তাৰ হব লগা হৈছে। জনগনৰ চৰকাৰে জনগনৰ ভয়ত ইমান ভীত হোৱা আগতে দেখা নাই। চৰকাৰ ভালে কেইখন দেখিছো কিন্তু এনেকৈ শিক্ষকক এৰেষ্ট কৰিছে যে পঘাৰে বান্ধি থৈ দিছে। কি মান-হানি হব। মই কলো বেয়া দেখি পানী তুনী নিদিয়ে কিয় ? মেজিষ্ট্ৰেটে কলে এই খনেই জেল। ৰাজ পথক জেললৈ ৰূপান্তৰ কৰিছে। জনগনৰ চৰকাৰে নিজৰ মানুহক শাস্তি দিছে এইটো আচল খেলা। সেই দিনা মই গৃহমন্ত্ৰীক এখন দৰ্খাস্ত দিছো যে, কেনেকৈ পুলিচে গৈ ভাৰত বন্ধৰ দিনা স্কুলৰ ছাত্ৰীক কোবাইছে। তাৰ পিচত বিতং খবৰ আহিল। ১৫ মাৰ্চত মানিক পুৰত, পুলিচে নিৰ্ব্বিচাৰে লাঠি চলাইছে। তাত পিকেটিং কৰিবলৈ ঠাই নাই। মাথো বি, ডি, ও অফিচ আছে। বিডিও অফিচত মাৰ পিট হোৱা নাই। অফিচৰ পৰা ছোৱালী স্কুললৈ আধা কিলোমিটাৰৰ বেচি দুৰত্ব নহয়। ১০৫ জনক পুলিচে লাঠিৰে কোবাইছে। এই ১০৫ জনৰ অপৰাধ কি ? এওঁলোকে ৰাজীব গান্ধীৰ পদত্যাগৰ দাবী কৰিছিল লগতে কেন্দ্ৰ ৰাজ্যৰ বৈশম্যমূলক সম্পৰ্কৰ বিৰোধীতা আন্দোলন কৰিছিল। গনপৰিষদ চৰকাৰৰ বিৰোদ্ধে আন্দোলন নাছিল। আন্দোলন আছিল ভাৰতৰ প্ৰধান মন্ত্ৰীৰ পদত্যাগ আৰু কিছুমান অৰ্থনৈতিক দাবী। জাগীৰোডৰ

পৰাও এখন দৰ্খাস্ত দিছে যে পুলিচে চাইকেলেৰে যোৱা মানুহক লাঠিৰে মাৰিছে। সমগ্ৰ অসমত হাজাৰ হাজাৰ সেবাসেবী গ্ৰেপ্তাৰ হৈছে। অসমৰ বহু ঠাইত লাঠি চাৰ্জ আৰু এঠাইত গুলি চালনা হৈছে। শিক্ষাৰ ক্ষেত্ৰত কৈছে খুব ভাল কাম কৰিছে। শিক্ষা মন্ত্ৰীয়ে কি কাম কৰিছে? শিক্ষা দিবলৈ হলে শিক্ষকৰ দৰ্কাৰ। কেইখন হাইস্কুল আজি শিক্ষক নিযুক্তি দিছে? মই যোৱা বিধান সভাত এটা কথা উত্থাপন কৰিছিলো এতিয়া পুণৰ দোহাৰো ৩২ জন ইন্সিপেক্টৰ, এলিমেণ্টৰি এডুকেচন অফিচাৰ আৰু ডেপুটি ডিৰেক্টৰ আদিলৈ নিযুক্তি দিয়া নাই। অসম লোক সেৱা আয়োগে নিৰ্ব্বাচন কৰিছে। হাইকোৰ্টৰ কেচটো মই পঢ়ি দিছো "We accordingly clarify that it will be open for the State to make appointment to other posts than the post held by the petitioner Moina Hazarika, during the pendency of the write petition."

মইনা হাজৰীকাক বাদ দি নিৰ্ব্বাচিত মানুহক নিযুক্তি দিয়াত বাধা কি? শিক্ষক নিযুক্তি দিয়া বিষয়াকেই নিযুক্তি দিয়া নাই। duly selected by pablic service commission. মাননীয় উপাধ্যক্ষ মহোদয়, স্কুল বিলাকত টকা বিতৰণ কৰিছে হয় সেইটো আমি মানি লওঁ। কিন্তু এই কথাটো মই যোৱা অধিবেশনতেই কৈছিলো যে ক'ৰবাত এই টকা বেচি পাইছে, আৰু কোনোবা সমষ্টিত কম পাইছে। গতিকে আৰু পুণৰ মই এই বিষয়ে কব খোজা নাই।

ৰাজ্যপাল মহোদয়ৰ ভাষনত কৈছে যে অহা বছৰ 'কৃষিবৰ্ষ' হিচাপে পালন কৰা হব। হয়তো কৃষক সকলৰ সুবিধাৰ্থে কৃষক সকলে কৃষিজীৱি সামগ্ৰী নাৰ্য্য মূল্যত পায় তাৰ ব্যৱস্থা কৰিব। সিদিনা মাননীয় বিধায়ক বলোভদ্ৰ তামুলীয়ে কৈছে যে সঁৰিয়হ সিচাৰ সময়ত কৃষকে সঁৰিয়হ বজাৰত ১৩ টকা দামত কিনি সিচিবলগীয়া হৈছিল। কিন্তু এই সঁৰিয়হ যেতিয়া কৃষকে বিক্ৰি কৰিব-বলীয়া হৈছিল তেতিয়া ৬ টকা দামত বিক্ৰি কৰিছিল। কুইনটলত ৬ টকা। আজি ৪ মাহৰ আগতে বজাত কৃষকে বিক্ৰি কৰি পাইছে। সেই কাৰণে আমাৰ কৃষক সকলে কৃষিৰ শস্য নাৰ্য্য মূল্যত পায় তাৰ কাৰণে নজৰ দিব লাগিব। যোৱাবাৰ ধনীয়াৰ দাম ৩৫০ টকাৰ পৰা ১০০ টকালৈ নামিছিল। তদুপৰি আজি 'কৃষিবৰ্ষ' পালন কৰিবলৈ যোৱাৰ লগে লগে এই কৃষি বিভাগটো যদি পুণৰ গঠন নয়হ তেনেহলে একো লাভ নাই। কৃষি বিভাগাত যিমান টকা খৰচ কৰা দেখুৱাইছে প্ৰকৃততে শতকৰা ১০ টকাও এই বিভাগত সদ্ব্যৱহাৰত খৰচ কৰা হোৱা নাই। এই টকা খিনি কলৈ যায়? এই হিচাপ আজি দৰকাৰ,

তেওঁলোক 'বেনিফিচাৰি' লিষ্ট দিয়ক। লিষ্ট দিব ক'ৰ পৰা ? এই লিষ্ট নাই, চৰকাৰে পোৱা নাই। তাৰ নামত কেইজনমান মানুহে বেপাৰ চলাই আছে। আজি চৰকাৰে এই চক্ৰবিলাক উদ্ধাৰ কৰিব নোৱাৰিলে অসমৰ ৰাইজৰ নিস্তাৰ নাই। আজি মই এইবিলাক কাৰো স্বাৰ্থৰ কাৰণে কোৱা নাই, কৈছো অসমৰ ৰাইজৰ স্বাৰ্থৰ কাৰণে, অসমৰ ৰাইজৰ, জনসাধাৰণৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কাৰণে। অসমৰ জনসাধাৰণৰ স্বাৰ্থৰ প্ৰতি যাতে আজি চৰকাৰে লক্ষ্য ৰাখে তাৰ প্ৰতি অনুৰোধ জনাইছো নহলে 'মাছৰ মুৰা নাইকিয়া হোৱাৰ দৰে চৰকাৰো নাইকিয়া হব'।

শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল ডাঙৰীয়াই দিয়া ভাষণৰ প্ৰতি মুখ্য সচেতক শ্ৰীজয়নাথ শৰ্মাই অনা ধন্যবাদ সূচক প্ৰস্তাৱটো সমৰ্থন জনাইছো। চাৰ, আমাৰ ৰাজ্যপালৰ ভাষণত সৰ্ব্বপ্ৰথমেই অসম চুক্তি ৰূপায়ণৰ বিষয়ে কোৱা হৈছে। চাৰ, আপুনি জ'ানেনে নেজানো। কিন্তু অসমৰ কিছুমান সংগঠনে আৰু কিছুমান বিৰোধী পক্ষৰ ৰাজনৈতিক দলে কেন্দ্ৰীয় চৰকাৰক লগ ধৰি হেঁচা দিছে যে অসম চুক্তি ৰূপায়ণ কৰিব নেলাগে। কাৰ্য্যকৰী কৰিব নোৱাৰিলে ছাত্ৰ সন্থাই বেয়া পাব আৰু ছাত্ৰ সন্থাই আন্দোলনৰ আশ্ৰয় লব। ঠিক তেনে এটা মুহূৰ্ত্তত অৰ্থাৎ ১৯৯০ চনত নিৰ্ব্বাচন আহি পাব আৰু নিৰ্ব্বাচন হলে অসম গণ পৰিষদ দলৰ পৰাস্ত হব। সেই কাৰণে অসম চুক্তি কাৰ্য্যকৰী কৰিব নেলাগে। অসম গণ পৰিষদ দলৰ পৰা কিছুদিনৰ আগতে মুখ্য নিৰ্ব্বাচনী বিষয়াক আমি সাক্ষাত কৰিবলৈ গৈছিলো। তেতিয়া মুখ্য নিৰ্ব্বাচনী বিষয়াক অসমৰ ভোটাৰ তালিকাৰ ব্যাপক সংশোধনীৰ বিষয়ে আলোচনা কৰিছিলো। কেন্দ্ৰীয় চৰকাৰে ভোটাৰ তালিকা সংশোধনৰ ক্ষেত্ৰত কোনো ইংগিত বা নিৰ্দেশ দিয়া নাই বুলি মুখ্য নিৰ্ব্বাচনী বিষয়াই পৰোক্ষভাবে আমাক জনালে। মুখ্য নিৰ্ব্বাচনী বিষয়াক ভোটাৰ তালিকা সংশোধনী কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিবলৈ কলো'। কিন্তু আজি কেন্দ্ৰীয় চৰকাৰে এইটো ক্ষেত্ৰত অলপো আগ্ৰহ দেখুওৱা নাই। মই আগতেই কৈছো যে অসম চুক্তি ৰূপায়ণ নকৰি গণ পৰিষদ চৰকাৰ শল ঠেকত পৰা-টোকেই কামনা কৰিছে। কিয়নো তেওঁলোকে ভাবিছে যে ১৯৯০ চনত অসমৰ পৰা গণ পৰিষদ চৰকাৰটো বিদায় দিব পৰা যাব।

মাননীয় উপাধক্ষ্য মহোদয়, মই ১৯১৯ চনৰ ইউৰোপৰ এটি ৰাজনৈতিক বুৰঞ্জীৰ কথা মনত পেলাই দিব বিচাৰিছো। ভাৰ্চাই সন্ধি নামেৰে এটা সন্ধি হৈছিল এই ভাৰ্চাই সন্ধিৰ প্ৰাণ অন্তৰালত আছিল জাৰ্মান। এই চুক্তি বিৰোধীতা কৰিছিল জাৰ্মানৰ নেতা হিটলাৰে আৰু তেওঁৰ পাৰ্টি নাজিয়ে। কিন্তু ফ্ৰান্সে

সন্ধিটো সোনকালে কাৰ্য্যকৰী কৰিব লাগে বুলি বহু বাৰ হেঁচা দিয়াত বৃটিছ চৰকাৰে এটি পলায়নবাদী মনোভাৱ লৈছিল, উদ্দেশ্য এটাই আছিল হিটলাৰৰ লগত এটি ৰাজনৈতিক চুক্তি কৰা আৰু ৰাজনৈতিক বুজাবুজিলৈ অহা। আৰু আশা কৰিছিল হিটলাৰৰ লগত এটি বুজাবুজিলৈ আহি জাৰ্মানৰ লগত এটি সুন্দৰ সম্পৰ্ক গঢ়ি তুলিব পৰা হব। কিন্তু চাৰ, বৃটিছ চৰকাৰৰ এই পলিচিত, এই নীতিত কৃতকাৰ্য্য নহল। ইয়াৰ ফলত জাৰ্মান বৃটিছৰ সম্পৰ্ক ভাল হওঁক চাৰি বেয়াহে হ'ল।

ইউৰোপত এই পলিচিয়ে শান্তি অনাৰ পৰিবৰ্ত্তে কি আনিলে? দ্বিতীয় বিশ্ব যুদ্ধহে আনিলে। বৃটিছ পালিয়ামেণ্টৰ তেতিয়াৰ বিৰোধী নেতা 'চাৰ্চি'লে তেতিয়া বৃটিছ চৰকাৰক 'ওৱাৰনিং' দিছিল হিটলাৰৰ লগত বুজাবুজিলৈ আহিবলৈ চেষ্টা চলাব নেলাগে। এইটো পলিচি ভুল। ইউৰোপত এই পলিচিয়ে শান্তি আনিব নোৱাৰিলে। সেইকাৰণে সমগ্ৰ বিশ্বতে দ্বিতীয় বিশ্ব যুদ্ধ আৰম্ভ হ'ল। মাধমাৰ বৃটিছৰ ওপৰতে পৰিল।

উপাধ্যক্ষ মহোদয়, আমাৰ অসমত যেতিয়া কংগ্ৰেছ দলে অসম চুক্তিৰ সমৰ্থন কৰা নাই, প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীয়ে অন্তকৰণৰে সমৰ্থন নকৰে। কিন্তু বাধ্যত পৰিহে সমৰ্থন কৰিছিল। আৰু সংখ্যালঘু মৰ্চ্চা সকলে মুকলি মুৰিয়াকৈ বিৰোধীতা কৰিছিল।

মাননীয় উপাধ্যক্ষ মহোদয়, উদ্দেশ্য অসমত গণ পৰিষদ চৰকাৰৰ পতন ঘটাই সংখ্যালঘু মৰ্চ্চা আৰু কংগ্ৰেছ আইৰ এখন সংযুক্ত চৰকাৰ গঠন কৰা। আমি গম পোৱা মতে এই প্ৰস্তাৱত বোলে কেন্দ্ৰীয় চৰকাৰো সন্তুষ্ট হৈছে। ইয়াত ভালেমান সংখ্যালঘু আৰু কংগ্ৰেছ (আই)ৰ মাননীয় সদস্য আছে যি সকলে অসম চুক্তি কাৰ্য্যকৰী হোৱাটো কামনা নকৰে। যি সকলে এতিয়া ভাবি আছে যে, অসমত গণ পৰিষদ চৰকাৰৰ পতন ঘটাই এখন সংযুক্ত চৰকাৰ গঠন হব। কিন্তু মই এই পৰিপ্ৰেক্ষিতত ইয়াকে কব খুজিছো যে, তেওঁলোকৰ এই আশা আকাংশা উত্তপ্ত মৰুভূমিত মৰিচিকা বিচৰাৰ নিচনাই হৈছে। অসমত গণ পৰিষদ চৰকাৰৰ পতন হব পাৰে কিন্তু ইয়াত এখন মৰ্চ্চা চৰকাৰো গঠন হব নোৱাৰে। গণপৰিষদ চৰকাৰ প্ৰতন হলেও ইয়াত নিৰ্ব্বাচন নহব, শান্তি সম্প্ৰীতি নহব, যদিহে অসম চুক্তি ৰূপায়িত নকৰাকৈ গণ পৰিষদ চৰকাৰ পতন হয়। অসম চুক্তি ৰূপায়িত নকৰাকৈ অসমত গণ পৰিষদ চৰকাৰ গঠন হলে অসমত মাথোন আহিব এটা সংঘৰ্ষৰ আন্দোলন। সেইটোকে আমি আশংকা কৰিছো। যি দেখা গৈছে, কেন্দ্ৰীয় চৰকাৰে এই উদ্দেশ্য আগত ৰাখিয়েই এই

অসম চুক্তি খন কাৰ্য্যকৰী নকৰাকৈ আছে। কেন্দ্ৰীয় চৰকাৰৰ গৃহদপ্তৰেও ভালকৈ জানে যে, অসমত অসম চুক্তি কাৰ্য্যকৰী নকৰাকৈ কোনো চৰকাৰেই (গণ পৰিষদৰ বাহিৰে) গঠন হব নোৱাৰে বা গঠন হলেও শান্তি নহব। এই সকলোৱে মিলি অসমত এনেকুৱা এটা পৰিবেশৰ সৃষ্টি কৰিব খুজিছে যে, অসম খন যেন আকৌ ১৯৮৩ চন বা ১৯৮৫ চনৰ আগলৈ আগুৱাই যায়। অসম চুক্তি কাৰ্য্যকৰী কৰাৰ পিছত যদি ১৯৯০ চনত হবলগীয়া নিৰ্ব্বাচনত গণ পৰিষদ চৰকাৰ ক্ষমতালৈ নাহে সেইটো বেলেগ কথা। কিন্তু অসম চুক্তি কাৰ্য্যকৰী নকৰাকৈয়ে যদি অসমত গণ পৰিষদ চৰকাৰৰ পতন ঘটাই ইয়াত নিৰ্ব্বাচন পাতিব খোজে বা ৰাষ্ট্ৰপতিৰ শাসন দিব খোজে, বা সংখ্যা লঘু মৰ্চ্চা আৰু কংগ্ৰেছ আইৰ সংযুক্ত চৰকাৰ গঠন কৰিব খোজে তেতিয়াহলে, সেই বিলাক উদ্দেশ্য সফল নহব।

মাননীয় উপাধ্যক্ষ মহোদয়, আজি যি দেখা গৈছে অসমৰ বাহিৰে ভিতৰে সকলো বিলাক বাতৰি কাকততেই অসমৰ জনজাতীয় আন্দোলনৰ কথাই আতাইটকৈ অগ্ৰাধিকাৰ পোৱা যেন দেখা গৈছে। প্ৰত্যেক দিনাই বাতৰি কাকতত এটা নহয় এটা জনজাতীয় আন্দোলনৰ কাৰ্য্যসূচী থাকিবই। কিছুমান সম্পাদকীয়ত এই বুলিও লিখা হৈছে যে অসমত বহুতো গণ পৰিষদৰ জনজাতীয় বিধায়ক আছে। তেখেত সকলে কি কৰিছে? তেখেত সকলে কিয় কিবা এটা কৰিব নোৱাৰে? তাৰ উত্তৰত মই ইয়াকে কব খোজো যে আমি জনজাতীয় বিধায়ক সকলে এই বিলাক বিষয়ে কিবা এটা কৰিব পাৰিলোহেতেঁন যদিহে এই বিলাক আন্দোলন প্ৰকৃততে জনজাতীয় লোকে কৰা আন্দোলন হলহেতেঁন। যি বিলাকক জনজাতীয় আন্দোলন বুলি কোৱা হৈছে সেই বিলাকৰ নেতৃত্ব জনজাতীয় মানুহে দিয়া নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়া ইয়াত আছে। তেখেত এজন চি, পি, এমৰ বিধায়ক। যি সকল জনজাতীয় সংগঠনৰ নেতা হৈছে সেই সকল শ্ৰীবিনোদ মিশ্ৰ আৰু শ্ৰীভাস্কৰ নন্দীৰ চি, পি, এম-এল কেদাৰৰ মানুহ। এই আন্দোলন কৃতকাৰ্য্য কেনেকৈ হৈছে বুলিও এটা প্ৰশ্ন আহিব। কিন্তু কথা হৈছে, এই আন্দোলন জনজাতীয় মানুহৰ কাৰণে কৃতকাৰ্য্য হোৱা নাই। আমাৰ জনজাতীয় লোক সকলোৱেই ফাচি ৰজাৰ কত আছে সেইটো নেজানে। তথাকথিত জনজাতীয় আন্দোলনৰ নেতা সকলে জানিব পাৰে হয়তো। বিনোদ মিশ্ৰ, ভাস্কৰ নন্দীৰ গ্ৰুপৰ জনজাতীয় নেতা সকলে আন্দোলনৰ নেতৃত্ব লৈছে কিন্তু তাক সমৰ্থন কৰিছে সংখ্যালঘু মৰ্চ্চা

আৰু কংগ্ৰেছ (আই) দলে। এই কাৰণেই কৈছো, মাননীয় উপাধ্যক্ষ মহোদয়, আমি জনজাতীয় লোকৰ আন্দোলন হোৱা হলে কিবা এটা কৰিব পাৰিলে হেতেঁন।

অসমৰ কেইবা ঠাইতো দিয়া ৰাজহুৱা বক্তৃতাত মই কৈছিলো যে, বেলেগ ৰাজ্য দিবলৈ অসমত মাটি নাই। আমি জানিবলৈ পোৱা মতে আন্দোলনৰ এই নেতা সকলক দিল্লীলৈ মাতি আনি আন্দোলন চলাই যাবলৈ দিহা পৰামৰ্শ দিছে আৰু তাৰ কাৰণে প্ৰয়োজন হোৱা টকা পইচা দিবলৈকো তেওঁলোকক আশ্বাস দিয়া হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, আজি জনজাতীয় সকলে আন্দোলন কৰা নাই আৰু আন্দোলনৰ প্ৰতি জনজাতীয় সকলৰ সমৰ্থনো নাই। শ্ৰীবিনয় খুংগুৰ বসুমতাৰী আৰু উপেন ব্ৰহ্মৰ সন্থাই জৰ্জফিল্ডত ইমান মানুহ কেনেকৈ গোটাইছে? ইয়াৰ কাৰণ হ'ল ওডালগুৰিত ৫০-৬০ হেজাৰ জনজাতীয় মানুহ আছে বাছ ভাৰা দি গুৱাহাটী ফুৰাবলৈ তাৰ পৰা ১০-১৫ হেজাৰ মানুহ অনাটো একো ডাঙৰ কথা নহয়, কিন্তু ওডালগুৰিৰ সৰহ সংখ্যক জনজাতীয় লোকেই এই আন্দোলন সমৰ্থন নকৰে। ১৯৮৪-৮৫ চনত অসমত এষ্টিমেটেড জনজাতীয় লোকৰ সংখ্যা ২২ লাখ—তাৰে ১০-১৫ হেজাৰ মানুহ গোটোৱাটো একো অসুবিধা নহয়। মই আমাৰ মুখ্যমন্ত্ৰীক কৈছিলো যে মোক অনুমতি দিয়ক জজফিল্ডত মই ইয়াৰ ১০-২০ গুন বেছি জনজাতীয় লোকৰ সমাবেশ পাতিব পাৰিম। কিন্তু বাছৰ ভাৰা দিবলৈ মোৰ পইচা নাই। উপেন ব্ৰহ্মৰ গোটে ২২-২৪ খন বাছ ভাৰা কৰি আনিবলৈ টকা ক'ৰ পৰা পায়? কোনে এই টকা দিয়ে? মই বিধায়ক হিচাবে দুহেজাৰ পাচ শ টকা দৰমহা পাও, শ্ৰীবিনয় খুংগুৰ বসুমতাৰীয়েও নিশ্চয় মোৰ সমানেই দৰমহা পায়। তেনেহলে আজি অসম চৰকাৰক পতন ঘটাই ইয়াত ৰাষ্ট্ৰপতিৰ শাসন দিবৰ কাৰণে দাবী জনাবলৈ আৰু অসমক ৫০-৫০ ভাগত দুভাগ কৰিবলৈ দাবী জনাবলৈ এই নেতা সকলে ১০-১৫ হেজাৰ মানুহ বাছ ভাৰা দি কেনেকৈ গুৱাহাটীলৈ আনিব পাৰে? যদি এই নেতা সকলে জনজাতীয়ৰ হকে আন্দোলন কৰিছে তেতিয়া হলে ১৯৮৬-৮৭ চনত কেন্দ্ৰীয় চৰকাৰে এচ, চি, এচ, টিৰ ছাত্ৰ-ছাত্ৰীৰ পোষ্ট মেট্ৰিক জলপানীৰ বাবে দিবলগীয়া মুঠ ৪ কোটি, ২৮ লাখ, ১৯ হেজাৰ ৬০০ টকা নিদি কিয় মাত্ৰ ৪৮ লাখ ১০ হেজাৰ টকাহে দিলে তাৰ কথা সভাই সমিতিয়ে উল্লেখ কৰিলেহেঁতেন। কিন্তু তেওঁলোকে কোনেও এই জনজাতীয় সকলৰ জৰুৰী কথাটো কেতিয়াও আলোচনা কৰা নাই। আনহাতে কেন্দ্ৰীয় চৰকাৰৰ উক্ত টকাৰ বিপৰীতে অসম চৰকাৰে দিছে ৩ কোটি ১৬ লাখ ৮০০ টকা। তেওঁলোকে

কেৱল অসমত অ-গ-প চৰকাৰ ভঙ্গ কৰি ৰাষ্ট্ৰপতিৰ শাসন দিবৰ কাৰণে এটা পৰিবেশ তৈয়াৰ কৰাতহে ব্যস্ত আছে। আজি অসমত কংগ্ৰেছ (আই) আৰু ইউ, এম, এফ দলৰ লোক সকল ট্ৰাইবেলৰ আন্দোলনৰ পিচত কিয় সোমাই পৰিছে ? ইয়াৰ কাৰণ হৈছে আজি অসমত কংগ্ৰেছ (আই) দলে বা যুৱ কংগ্ৰেছে কোনো আন্দোলন কৰিব নোৱাৰে—ৰাইজে তেওঁলোকক দেখিলেই নাক কোচায়, ইউ, এম, এফ দলৰো সেই একেই অৱস্থা হৈছে। তেওঁলোককে তেওঁলোকৰ ৰাইজে এতিয়া ভাল নোপোৱা হৈছে। ট্ৰাইবেলে আন্দোলন কৰিলে তাত যদি অসম চৰকাৰে লাঠি চাৰ্জ কৰে তেন্তে তেওলোকে কব 'বৰ্ণ হিন্দুৰ চৰকাৰে' ট্ৰাইবেলৰ ওপৰত লাঠি চাৰ্জ কৰিছে, তেওঁলোকে কিন্তু অসম চৰকাৰ বুলি নকয়। তেওঁলোকে তাকে লৈ হাল্লা কৰিব—এইয়া হ'ল তেওঁলোকৰ ভিতৰুৱা আশা। মই মাননীয় গৃহমন্ত্ৰীক অনুৰোধ কৰিছো অসমত গা কৰি উঠিব বিচৰা এই বিছিন্নতাবাদী, প্ৰতিক্ৰিয়াশীল শক্তি সমূহক কঠোৰ হাতেৰে দমন কৰিব লাগে। নহলে অসমত অদূৰ ভবিষ্যতে লেবানন, পেলেষ্টাইন আদিত উদ্ভৱ হোৱা পৰিস্থিতিৰ উদ্ভৱ হব।

মাননীয় উপাধ্যক্ষ ডাঙৰীয়া মই এইখিনিতে দূৰ্নীতিৰ বিষয়ে অকণমান কব খুজিছো। যি সকল মাননীয় সদস্যই এই সদনত দূৰ্নীতিৰ বিৰুদ্ধে চোকা বক্তৃতা দিছে তেখেত সকলেই দূৰ্নীতিক প্ৰশ্ৰয় দিছে। মই এইখিনিতে এটা কথা কও— মোৰ সমষ্টিত এজন ল'ৰাই জুনিয়ৰ ইঞ্জিনীয়াৰৰ চাকৰিত সোমাইছে চাকৰি কৰা মাত্ৰ দুবছৰ হৈছেহে তেওঁ ঘৰ বনাবলৈ ( নিজা ঘৰ ) শিল, বালি, চিমেণ্ট গোটালেই। সকলোৱে তেওঁক বাঃ বাঃ দিছে, স্বীকৃতি দিছে—তেওঁহে কামৰ ইঞ্জিনীয়াৰ—চাকৰি দুবছৰ হওতেই ঘৰ বনাবলৈ টকা গোটালেই, বাপেকে পঢ়ুৱা ধাৰো মাৰিলে। স্বাভাৱিকতে তেওঁ সমাজত জিলিকি উঠিল—যিহেতু ইমান কম সময়ৰ ভিতৰতে টকা পইচা কৰিলে। তেওঁলৈ ছোৱালী দিবলৈ বহুত মানুহ গৈ হত্তা ওপৰা কৰিব ধৰিলে। উল্লেখযোগ্য যে দূৰ্নীতিৰ বিৰুদ্ধে কথা কোৱা আমাৰ বিৰোধী পক্ষৰ বিধায়ক এগৰাকীয়েও তেখেতৰ জীয়েকক উক্ত জুনিয়ৰ ইঞ্জিনীয়াৰলৈ বিয়া দিবলৈ গৈছে—কিয়নো তেওঁৰ টকা পইচা আছে। সেই কাৰণে কংগ্ৰেছ আই আৰু ইউ, এম, এফ দলে দূৰ্নীতিৰ বিষয়ে কলে বেয়া পাওঁ

Shri Santi Ranjan Dasgnpta : "Under the umbrella it always there."

শ্ৰীভৰত নৰহ ঃ উপাধ্যক্ষ মহোদয়, কিন্তু চি, পি, এম দলৰ বিধায়ক মাননীয় শ্ৰীহেমেন দাস ডাঙৰীয়াই কোৱাতহে বেয়া পাইছো। আজি দূৰ্নীতি সমাজৰ

এটা গুচাব নোৱাৰা ব্যাধি। আমাৰ চৰকাৰে যদি সমুলঞ্চে উঠাবলৈ যায় তেন্তে আমাৰ চৰকাৰৰে ধ্বংস হৈ যাব। কেন্দ্ৰীয় চৰকাৰেও আজি দুৰ্নীতিক পশ্ৰয় দিছে। অসম হৈছে ভাৰত চৰকাৰৰ অন্তৰ্ভূক্ত এখন ৰাজ্য। অসম চৰকাৰে দুৰ্নীতি গুচাম বুলি লাগিলেও গুচাব নোৱাৰে কাৰণ কেন্দ্ৰীয় চৰকাৰে ইয়াক পুহি ৰাখিছে। কিন্তু আমাৰ চৰকাৰে দূৰ্নীতি কমাবলৈ চেষ্টা কৰিছে। আৰু আগতকৈ দূৰ্নীতি কমিছেও। আৰু এইটোও ঠিক যে আমাৰ চৰকাৰে শতকৰা এশ ভাগ দুৰ্নীতি গুচাব নোৱাৰে। ইয়াৰ বিৰুদ্ধে গণ পৰিষদ চৰকাৰে মাত মাতিলে কেন্দ্ৰীয় চৰকাৰে আমাক বিচ্ছিন্নতাবাদী বুলি কব। তথাপিও আমাৰ চৰকাৰে দূৰ্নীতি বহুতখিনি বন্ধ কৰিব পাৰিছে। নাই কৰা বুলি কোনেও কব নোৱাৰে। ১৯৮৫ চনৰ পৰা আজিলৈ গণ পৰিষদ চৰকাৰে কিমানজন দূৰ্নীতি পৰায়ণ বিষয়াৰ ওপৰত শাস্তি গ্ৰহণ কৰিছে তাৰ যদি আমাৰ গৃহ মন্ত্ৰী মহোদয়ে এখন শ্বেতপত্ৰ উলিয়াই তেতিয়াহলে অসমৰ ৰাইজে বুজি পাব। মই গোটেই বিলাক বাতৰি কাকত আনি পঢ়ি দিব পাৰিলে তেতিয়া বুজা গ'লহেতেন কিমানবিলাক বিষয়া কৰ্ম্মচাৰীৰ ওপৰত শাস্তি বিধান কৰা হৈছে। কিন্তু দূৰ্নীতি হৈছে এটা সামাজিক ব্যাধি তাক অকলে গণ পৰিষদে পৰিবৰ্ত্তন কৰিব নোৱাৰে কেন্দ্ৰীয় চৰকাৰেও তাত সহায় কৰিব লাগিব। দুৰ্নীতিৰ বিষয়ে গণ পৰিষদ চৰকাৰে এখন নতুন নাটক লিখিব লাগিব আৰু সেই নাটক লিখা আৰম্ভ কৰাৰ কথা বিবেচনা কৰা হৈছে। কিন্তু এই নাটকত কেন্দ্ৰীয় চৰকাৰে ৰিকগ্‌নিচন দিব লাগিব তেতিয়াহে তাক মঞ্চস্থ কৰিব পৰা যাব।

এইখিনিকে কৈ আমাৰ মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই অনা ধন্যবাদসূচক প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

* শ্ৰীকমৃম্বৰ টাইৰাই (গগৈ) ঃ মাননীয় অধ্যক্ষ মহোদয়, চলিত অধিবেশনৰে প্ৰাৰম্ভনিত ৰাজ্যপাল মহোদয়ৰ আৰম্ভ কৰা ভাষণৰ ওপৰত শাসকদলৰ শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে মই তাক সমৰ্থন জনায় মোৰ কব লগীয়া বক্তব্যখিনিৰ বিষয়ে কব বিচাৰিছো। ৰাজ্যপাল মহোদয়ে প্ৰাক মুহূৰ্ত্ততে গণ পৰিষদ দলৰ যুব নেতৃত্বাধীন চৰকাৰটোক প্ৰগতিশীল চৰকাৰ বুলি অভিহিত কৰিছে। ই প্ৰকৃততে সত্য কথা। বিৰোধী পক্ষৰ মাননীয় সদস্য বন্ধু সকলে তথাপিও তাৰ বিৰোধীতা কৰিছে। মাননীয় সদস্য শ্ৰীচৰণ নাৰ্জাৰী ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণখনক অৰ্থহীন বুলি কৈছে আৰু তাত একো প্ৰতিফলিত হোৱা নাই বুলি কৈছে। ৰাজ্যপালৰ ভাষণ চৰকাৰৰ এটা পৰাম্পৰা নীতি। চৰকাৰৰ বক্তব্যখিনি বা চৰকাৰৰ প্ৰগতিশীল

* Speech not Corrected

